● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন

সামৰণিত সকলো গৈ সঠিক হ'ব, যদি সি সঠিক নহয় তেন্তে সি সামৰণিও নহয়।



জন লেনন
*ব্ৰিটিছ গায়ক-গীতিকাৰ*

www.dainikagradoot.in

৭ লাভ অৰ্জন নকৰা ৰাষ্ট্ৰীয়কৃত বেংকৰ শাখা কৰা হ'ব বন্ধ
১৫ কৰ'নাৰ বাবে স্থগিত হ'ল এছিয়ান গেমছ
৪ মানুহ দেখিছো, মাথোন মানুহ

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২০৬তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ২৩ ব'হাগ ১৪২৯ ভাস্কৰাব্দ ৭ মে' ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 7 May 2022 মূল্য ঃ ৯.০০ টকা

■ সীমান্তত ভাৰতীয় সেনাৰ উপস্থিতি ধৰা পেলাবলৈ নতুন প্ৰযুক্তি কৌশল ■ অৰুণাচলত ফোন ব্যৱহাৰ কৰিলেই অৱগত হয় পিএলএ ■ গালৱানৰ সংঘৰ্ষৰ পাছৰে পৰা বিশেষ তৎপৰতা

# উত্তৰ-পূৰ্বলৈ শেনদৃষ্টি ৰঙা চীনৰ

এছএছবিৰ জৰিয়তে পোহৰলৈ আহিছে তথ্য ■ উদ্বিগ্ন দিল্লী তৎপৰ প্ৰতিৰোধ ব্যৱস্থাৰ বাবে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৬ মে' ঃ** অৰুণাচলক মুখ্য কৰি উত্তৰ-পূৰ্বাঞ্চলৰ বৃহৎ অংশত লোলুপ দৃষ্টি দি অহা চীনে দুই দেশৰ আন্তৰ্জাতিক সীমান্তত আৰম্ভ কৰা কূটকৌশলে সম্প্ৰতি গৃহ মন্ত্ৰণালয়ক উদ্বিগ্ন কৰি তুলিছে। শেহতীয়াকৈ চীনে ভাৰতৰ গতি-বিধিত দৃষ্টি ৰাখিবলৈ সীমান্তত হিন্দী ভাষা জনা লোকক নিয়োগৰ তথ্য পোহৰলৈ আহিছে। ইয়াৰ মাজতে উন্নত প্ৰযুক্তিৰেও দেশখনে ভাৰতৰ



সীমান্ত সুৰক্ষাৰ তথ্য সংগ্ৰহত নামি পৰিছে। অৰুণাচলত ভাৰতৰ সীমাৰ ভিতৰলৈ চীনে ম'বাইল ফোনৰ নেটৱৰ্ক বিস্তাৰিত কৰাৰ তথ্যও উন্মোচিত হৈছে। অৰুণাচলৰ লগত থকা সীমান্তত নিয়োজিত সীমা সুৰক্ষা বল (এছএছবি)ৰ জৰিয়তে শেহতীয়াকৈ এই তথ্য পোহৰলৈ আহিছে। চীনৰ এনে কৌশলৰ ফলত ভাৰতে সীমান্ত সুৰক্ষাৰ দায়িত্বত নিয়োজিতসকলৰ ছেটেলাইট আৰু ১০ পৃষ্ঠাত চাওক

■ ধৰ্মগুৰুৰ পৰিচয়ৰে বেআইনীভাৱে লাখ লাখ টকা উপাৰ্জন বৈধভাৱে প্ৰৱেশ কৰা বাংলাদেশী নাগৰিকৰ ■ ভাৰত বিৰোধী-জেহাদৰো প্ৰচাৰ চলায় ■ ভিতৰুৱা অঞ্চলেই লক্ষ্য

## ধৰ্মীয় প্ৰচাৰৰ নামত সৰকাই নিয়ে ধন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৬ মে' ঃ** অসমত বৈধভাৱে প্ৰৱেশ কৰি ধৰ্মগুৰুৰ পৰিচয়ৰ একাংশ বাংলাদেশী লোকে প্ৰৱঞ্চনাৰে বছৰি লাখ লাখ টকা সৰকাই নিবলৈ সক্ষম হৈছে। সেইসকলৰ একাংশ ভাৰতত জেহাদৰ প্ৰচাৰো চলায়। আনকি ইয়াৰ পৰা ধন লুটি নিজ দেশলৈ উভতি যোৱাৰ পাছত ভাৰত বিৰোধী প্ৰচাৰতো সেইসকল লিপ্ত হয়। এনে একাংশ তথাকথিত ধৰ্মগুৰুৰ বাবে সময়ে সময়ে ভাৰতৰ লগতে বাংলাদেশতো সংঘটিত হৈছে হিংসাত্মক ঘটনা। অসম আৰক্ষী আৰু ভাৰতৰ গৃহ মন্ত্ৰণালয়ৰ তদন্তত এই তথ্য পোহৰলৈ আহিছে। বাংলাদেশৰ পৰা বহু লোকে পৰ্যটক আৰু চিকিৎসাৰ ভিছাৰে ভাৰতলৈ আহে। বন্ধু ৰাষ্ট্ৰ হিচাপে ভাৰতলৈ বিশেষ জটিলতা নোহোৱাকৈয়ে তেনে ভিছাৰে লোক অহাৰ সুবিধা আছে। এই সুযোগ গ্ৰহণ কৰি আহিছে একাংশ অপৰাধ মানসিকতাৰ লোকে। ভাৰত চৰকাৰৰ নিয়ম অনুসৰি যি উদ্দেশ্যৰ ভিছাৰে মানুহ বিদেশৰ পৰা আহে তেওঁলোক আন কামত নিয়োজিত হ'ব নোৱাৰে; কিন্তু বাংলাদেশৰ পৰা ভাৰতত এনে বহু লোকে ধৰ্মগুৰুৰ পৰিচয় দি পৰ্যটন আৰু চিকিৎসাৰ ভিছাৰে প্ৰৱেশ কৰি আহিছে, যিসকলৰ প্ৰকৃত উদ্দেশ্য অতি ভয়ংকৰ। ইতিমধ্যে তদন্তত পোহৰলৈ আহিছে যে ১০ পৃষ্ঠাত চাওক



■ বিজেপিৰ দুদিনীয়া পৰ্যালোচনা বৈঠক সমাপ্ত ■ আগন্তুক বৰ্ষত সমাজৰ শেষৰটো দুখীয়া পৰিয়ালকো আঁচনিত সামৰি লোৱাৰ লক্ষ্য

## কংগ্ৰেছ নহয়, বিজেপিৰ প্ৰধান প্ৰতিদ্বন্দ্বী দল ইউডিএফ ঃ মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ/বিশেষ সংবাদদাতা**
**গুৱাহাটী/কাজিৰঙা, ৬ মে' ঃ** আগন্তুক বৰ্ষটোত ৰাজ্যৰ বিজেপি দল আৰু চৰকাৰে সমাজৰ আৰ্থিকভাৱে পিছপৰা একেবাৰে শেষৰটো পৰিয়ালকো চৰকাৰী আঁচনিৰ আওতালৈ আনিবলৈ আজি লক্ষ্য স্থিৰ কৰে। আগন্তুক বৰ্ষটো সেয়েহে দুখীয়া লোকক সহায়-সহযোগিতাৰ বিশেষ বৰ্ষ হিচাপে গ্ৰহণৰ সিদ্ধান্ত লোৱা হয়। অহা ১০ মে'ত ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰে এবছৰ পূৰ্ণ কৰাৰ আগমুহূৰ্তত যোৱা দুদিন ধৰি কাজিৰঙাৰ এখন বিলাসী ৰিজ'ৰ্টত দলৰ সকলো মন্ত্ৰী-বিধায়ক, সাংসদৰ উপস্থিতিত অনুষ্ঠিত বিশেষ বৈঠকত গ্ৰহণ কৰা এই সিদ্ধান্তৰ উপৰি অন্যান্য বিভিন্ন দিশৰ বিষয়েও বিতংকৈ আলোচনা কৰা হয়। সমাজৰ প্ৰতিটো দুখীয়া তথা আৰ্থিকভাৱে পিছপৰা পৰিয়ালৰ উন্নয়নৰ বাবে নতুন বছৰটোত চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰিব বুলি আজিৰ আলোচনাত মুখ্যমন্ত্ৰী ড° শৰ্মাই সদৰী কৰে। সেয়েহে তেওঁৰ ঘোষণাৰ ১০ পৃষ্ঠাত চাওক

■ পুত্ৰৰ চাকৰি নিয়মীয়াকৰণৰ আশাৰে থৰক-বৰক খোজেৰে উপস্থিত হ'ল ■ সমস্যা সমাধান কৰিব বুলি প্ৰতিশ্ৰুতি দিলে শৰ্মাই

## দেৰগাঁৱৰ ৯০ উৰ্দ্ধৰ আইতাক সাক্ষাৎ কৰি মুখ্যমন্ত্ৰীৰ আদৰ সম্ভাষণ



**বিশেষ সংবাদদাতা**
**কাজিৰঙা, ৬ মে' ঃ** কাজিৰঙাত আজিৰ দিনটোৰ হাতত এখন কাগজ লৈ প্ৰখৰ ৰ'দত উদাস মনেৰে ৰৈ থকা এগৰাকী আইতাৰ এখন ছবিয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। উল্লেখ্য যে ৰাজ্য চৰকাৰৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে পৰ্যালোচনা বৈঠকক কেন্দ্ৰ কৰি দ্বিতীয় দিছপুৰত পৰিণত হৈছে কাজিৰঙা। ইয়াকে লৈ মন্ত্ৰী-বিধায়ক-আৰক্ষী, প্ৰশাসনিক বিষয়াবৰ্গসকলো ব্যস্ত। কাজিৰঙাৰ 'বৰগছ ৰিজৰ্ট'ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্ত্ৰী-বিধায়কে ১০ পৃষ্ঠাত চাওক

## দিছপুৰ কলেজৰ ৭৬ লাখ হৰলুকিৰ ঘটনা

### আৰক্ষীৰ জেৰা বেংকৰ প্ৰৱন্ধকসহ তিনিজনক, ধন উভতাই দিয়াৰ প্ৰতিশ্ৰুতি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৬ মে' ঃ** চেক 'ক্লনিং' কৰি দিছপুৰ মহাবিদ্যালয়ৰ বেংক একাউণ্টৰ পৰা ৭৬ লাখ টকা আত্মসাতৰ ঘটনাত বেংক অৱ বৰোদাৰ দিছপুৰ শাখাৰ কোনো কৰ্মচাৰী জড়িত থকাৰ তথ্য লাভ কৰিছে আৰক্ষীয়ে। এই সন্দৰ্ভত আজি তদন্তকাৰী দিছপুৰ আৰক্ষীয়ে বেংক অৱ বৰোদাৰ মুখ্য প্ৰৱন্ধক ৰাজেশ কুমাৰ ১০ পৃষ্ঠাত চাওক

■ কেন্দ্ৰীয় বিদ্যুৎ প্ৰাধিকৰণৰ প্ৰতিনিধি দলৰ দৃষ্টিগোচৰ ■ বিশেষজ্ঞ সমিতিৰ পৰ্যবেক্ষণৰ পৰামৰ্শ ■ আগষ্টত আংশিকভাৱে উৎপাদন

## নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পত ধৰা পৰিল নিৰ্মাণৰ বিসংগতি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৬ মে' ঃ** অহা আগষ্টৰ পৰা আংশিকভাৱে কাৰ্যক্ষম হ'ব বহু বিতৰ্কিত নামনি সোৱণশিৰি বৃহৎ জলবিদ্যুৎ প্ৰকল্প। তাৰ পূৰ্বে অলপতে নিয়ম অনুসৰি প্ৰকল্পটো পৰিদৰ্শন কৰে কেন্দ্ৰীয় বিদ্যুৎ প্ৰাধিকৰণৰ উচ্চস্তৰীয় এটা বিশেষজ্ঞৰ দলে। এই পৰিদৰ্শনতে বিদ্যুৎ উৎপাদনৰ বাবে সাজু হোৱা প্ৰকল্পটোৰ নিৰ্মাণ কাৰ্যত ৰৈ যোৱা দুৰ্বলতাবোৰ প্ৰাধিকৰণৰ দৃষ্টিগোচৰ হয়। আনকি প্ৰাধিকৰণৰ প্ৰতিনিধি ১০ পৃষ্ঠাত চাওক



■ মছজিদত মাইক ব্যৱহাৰক লৈ বিতৰ্ক

## আজানত মাইকৰ ব্যৱহাৰ মৌলিক অধিকাৰ নহয়, উচ্চ ন্যায়ালয়ৰ ৰায়



**■ নিউজ ব্যুৰ'**
**প্ৰয়াগৰাজ, ৬ মে' ঃ** মছজিদত মাইক ব্যৱহাৰক কেন্দ্ৰ কৰি মহাৰাষ্ট্ৰত অব্যাহত থকা উত্তেজনাৰ মাজতে উত্তৰ প্ৰদেশৰ এলাহাবাদ উচ্চ ন্যায়ালয়ে এক গুৰুত্বপূৰ্ণ ৰায় প্ৰদান কৰে। আদালতৰ যুটীয়া বিচাৰপীঠে ৰায়দান কৰি কয় যে ১০ পৃষ্ঠাত চাওক

## ব্ৰহ্মপুত্ৰৰ মীন মহলৰ দখলক কেন্দ্ৰ কৰি লাওখোৱাত উত্তপ্ত পৰিস্থিতি

### এজনক আটক কৰি গতালে আৰক্ষীক

**অগ্ৰদূত বাৰ্তা**
**চামগুৰি, ৬ মে' ঃ** ব্ৰহ্মপুত্ৰ নদীৰ মীন মহলক কেন্দ্ৰ কৰি চামগুৰি সমষ্টিৰ লাওখোৱা তিনিআলিত আজি পুৱা উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। মীন মহলৰ দখলদাৰিত্বক লৈ দুটা ফৈদৰ মাজত সৃষ্টি হোৱা সংঘৰ্ষত ১০ পৃষ্ঠাত চাওক

## অবাধ মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ দাবীত পুনৰ প্ৰতিবাদ মহানগৰীত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৬ মে' ঃ** এইবাৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত নামিল অখিল গগৈ নেতৃত্বাধীন ৰাইজৰ দল। সকলো সামগ্ৰীৰ অভাৱনীয় মূল্যবৃদ্ধিয়ে জনতাক সৰ্বস্বান্ত কৰাৰ পাছতো মূল্যবৃদ্ধি নিয়ন্ত্ৰণত চৰকাৰে গুৰুত্ব আৰোপ নকৰাৰ প্ৰতিবাদত দলে আজি এই কাৰ্যসূচী ৰূপায়ণ কৰে। পেট্ৰ'লজাত সামগ্ৰী, গৃহ নিৰ্মাণ সামগ্ৰী ১০ পৃষ্ঠাত চাওক

## বালিপৰা-নগাঁৱত জব্দ ৪৭টা গৰুসহ দুখন ট্ৰাক, ধৃত সৰবৰাহকাৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ/বিশেষ সংবাদদাতা**
**তেজপুৰ/নগাঁও, ৬ মে' ঃ** শোণিতপুৰ জিলাৰ বালিপৰাত আৰক্ষীয়ে আজি পুৱতি নিশা চোৰাংভাৱে সৰবৰাহ কৰা গৰুসহ এখন ট্ৰাক জব্দ কৰে। চাৰিদুৱাৰ আৰক্ষীয়ে বালিপৰাত থকা টহলদাৰী চকীত এএছ-০২ বিচি-০২২০ নম্বৰ ট্ৰাকখনৰ চালকজনক সোধ-পোছ কৰাত ১০ পৃষ্ঠাত চাওক

## দেউৰী পৰিষদৰ কাৰ্যকাল পুনৰ তিনি মাহলৈ বৃদ্ধিৰ গোপন পৰিকল্পনা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৬ মে' ঃ** ৰাজ্য চৰকাৰে একাংশ দুৰ্নীতিগ্ৰস্তক ৰক্ষণাবেক্ষণ দিয়াৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। বিশেষকৈ ভয়ংকৰ দুৰ্নীতিৰে সংবাদ শিৰোনাম দখল কৰি অহা দেউৰী স্বায়ত্তশাসিত পৰিষদৰ দুৰ্নীতিগ্ৰস্ত ১০ পৃষ্ঠাত চাওক

## আৰক্ষী চকীৰ পৰা পলায়ন কৰি মৰিকলঙত জাঁপ চোৰৰ

**বিশেষ সংবাদদাতা**
**নগাঁও, ৬ মে'ঃ** নগাঁও চহৰৰ মৰিকলং আৰক্ষী চকীত আৰক্ষীৰ জিম্মাৰ পৰা এজন আচামীয়ে পলায়ন কৰা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মৰিকলঙৰ ১০ পৃষ্ঠাত চাওক

■ ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপৰ তথ্য ■ গৰ্ভ নিৰোধকৰ আধুনিক পদ্ধতিৰ বৃদ্ধি পাইছে দেশত ■ মেদবহুলতাৰ হাৰ মহিলাৰ ২১ৰ পৰা ২৪ শতাংশলৈ, পুৰুষৰ ২৩ শতাংশলৈ বৃদ্ধি

## দেশৰ সামগ্ৰিক উৰ্বৰতাৰ হাৰ হ্ৰাস পাইছে

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৬ মে' ঃ** দেশত হ্ৰাস পাইছে প্ৰজননৰ উৰ্বৰতাৰ হাৰ। ইয়াৰ জৰিয়তে প্ৰতিফলিত হৈছে জনসংখ্যা নিয়ন্ত্ৰণৰ বাবে গ্ৰহণ কৰা পদ্ধতিসমূহৰ লক্ষ্যণীয় অগ্ৰগতি। ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপ (এনএফএইছ এছ-৫)ৰ পঞ্চমলানি প্ৰতিবেদনত উন্মোচিত তথ্য অনুসৰি ভাৰতৰ সামগ্ৰিক উৰ্বৰতাৰ হাৰ ২.২ৰ পৰা ২.০ লৈ হ্ৰাস পাইছে। এগৰাকী মহিলাৰ সন্তানৰ গড় সংখ্যা অনুসৰি এই হাৰ নিৰ্ণয় কৰা হয়। ইয়াৰ পূৰ্বৰ প্ৰতিবেদনত এই হাৰ আছিল ২.২। প্ৰতিবেদন অনুসৰি ভাৰতৰ পাঁচখন ৰাজ্যত দেশৰ সামগ্ৰিক হাৰতকৈ উৰ্বৰতাৰ হাৰ অধিক।



এই ৰাজ্যকেইখন হৈছে বিহাৰ (২.৯৮), মেঘালয় (২.৯১), উত্তৰ প্ৰদেশ (২.৩৫), ঝাৰখণ্ড (২.২৬) আৰু মণিপুৰ (২.১৭)। দেশৰ ৭০৭খন জিলাৰ সাত লাখ ২৪ হেজাৰ ১১৫ গৰাকী মহিলা আৰু এক লাখ এহেজাৰ ৮৩৯ জন পুৰুষৰ পৰা তথ্য সংগ্ৰহৰ জৰিয়তে এই জৰীপ ৰাষ্ট্ৰজুৰি সম্পন্ন কৰা হৈছে। জৰীপত কোৱা হৈছে যে দেশৰ প্ৰায় সকলো ৰাজ্যতে গৰ্ভ নিৰোধকৰ আধুনিক পদ্ধতিৰ ব্যৱহাৰ বৃদ্ধি পাইছে। পৰিয়াল পৰিকল্পনাৰ বাবে আধুনিক পদ্ধতি অৱলম্বন কৰাৰ হাৰ লক্ষ্যণীয়ভাৱে ১৩ শতাংশৰ পৰা ন শতাংশ হ্ৰাস পাইছে। দুটা সন্তানৰ মাজৰ বয়সৰ ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩১° | ২৩° |
| ডিব্ৰুগড় | ৩৩° | ২২° |
| দিল্লী | ৩৮° | ২৭° |
| কলকাতা | ৩৪° | ২৭° |
| মুম্বাই | ৩৩° | ২৮° |
| চেন্নাই | ৩৬° | ২৯° |
| বাংগালুৰু | ৩২° | ২২° |
| শ্বিলং | ২১° | ১৬° |

*৬ মে', ২০২২*

## চেঙা তেল




*ৰাইজৰ মাজত আতংকতো থাকিবই! কেতিয়াবা কৰ'নাৰ, কেতিয়াবা আমাৰ দৰে জনসেৱকৰ!*

ভাৰত-ভূটান সীমান্তৰ সুৱণখাটাৰ পাগলাদিয়া নৈত কৃষকৰ সংগ্ৰাম

## পানীৰ বাবে ৰাইজে শিল-বালি-গছৰ ডালেৰে বান্ধিলে প্ৰাকৃতিক বান্ধ

**অগ্ৰদূত বাৰ্তা**
**মুছলপুৰ, ৬ মে'ঃ** ৰাইজে নখ জোকাৰিলে নৈ বয়। নেতাৰ প্ৰতিশ্ৰুতি প্ৰতিশ্ৰুতিয়ে হে বয়। সেয়েহে চৰকাৰী আঁচনিৰ আশাত ৰৈ নাথাকি প্ৰাকৃতিক বান্ধ নিৰ্মাণ কৰিবলৈ ওলাই আহিল বাগ্‌সা জিলাৰ ৰাইজ। জিলাখনৰ মুছলপুৰ মহকুমাৰ অন্তৰ্গত সুৱণখাটাত নদীৰ পানী পথাৰলৈ ৰোৱাই অনাৰবাবে আজি সহস্ৰাধিক লোকে প্ৰাকৃতিক বান্ধ বান্ধে। ১০ পৃষ্ঠাত চাওক



## .২২ পিষ্টলসহ কুখ্যাত ড্ৰাগছ ব্যৱসায়ীক গ্ৰেপ্তাৰ, নগদ ধন-বাহন জব্দ

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**নগাঁও/চামগুৰি, ৬ মে' ঃ** যোৱা নিশা নগাঁও জিলাৰ চামগুৰিৰ খাটোৱাল আৰক্ষী থানাৰ আৰক্ষীয়ে গেৰুৱামুখৰ ছায়েতিনিআলিৰ পৰা এজন কুখ্যাত ড্ৰাগছ ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰে। লগতে ধৃত ড্ৰাগছ ব্যৱসায়ীজনৰ পৰা সক্ৰিয় গুলিৰ স'তে এটা পইণ্ট ২২ পিষ্টল আৰু নগদ ধনসহ ১০ পৃষ্ঠাত চাওক


■ অমিত শ্বাহৰ নাগৰিকত্ব আইন কাৰ্যকৰী কৰাৰ ঘোষণাক লৈ অসমত তীব্ৰ প্ৰতিক্ৰিয়া

## আন্দোলনৰ হুংকাৰ আছুৰ, গণভোট ল'বলৈ প্ৰত্যাহ্বান যুৱ-ছাত্ৰ পৰিষদৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৬ মে' ঃ** দেশত ক'ভিড পৰিস্থিতি শাম কাটিলে নাগৰিকত্ব সংশোধনী আইন ('কা') কাৰ্যকৰী কৰা হ'ব বুলি কালি পশ্চিমবংগৰ শিলিগুৰিত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৰা ঘোষণাক লৈ অসমত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। গৃহমন্ত্ৰীৰ ঘোষণাৰ প্ৰত্যাহ্বান জনাই সদৌ অসম ছাত্ৰ সন্থা (আছু)ই আন্দোলনৰ হুংকাৰ দিয়ে। আনহাতে, অসম জাতীয়তাবাদী যুৱ -ছাত্ৰ পৰিষদে সৎ সাহস থাকিলে চৰকাৰে আইনখনৰ সন্দৰ্ভত গণভোট লৈ দেখুৱাওক বুলি প্ৰত্যাহ্বান জনাইছে। উত্তৰ-পূৰ্বাঞ্চল ছাত্ৰ সন্থা (নেছ')য়ো আইনখন ১০ পৃষ্ঠাত চাওক

## ২৭ বিঘা চৰকাৰী মাটি হস্তগত কৰি মেকুৰী পাহাৰত অবৈধ খনন



**অগ্ৰদূত বাৰ্তা**
**শুৱালকুছি, ৬ মে' ঃ** হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত পছৰীয়াৰ দলৰ পথাৰত ২৭ বিঘা চাৰি কঠা চৰকাৰী ভূমি বণিকে কৌশলেৰে দখল কৰা তথ্য পোহৰলৈ অহাত তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে। জনৈক আগৰৱালা ১০ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী, ৭ মে', ২০২২ শনিবাৰ পৃষ্ঠা তিনি

## বগৰিগুৰীত সলিল সমাধি একেখন গাঁৱৰ দুই শিশুৰ

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ৬ মে' ঃ** বাগ্‌সা-বৰপেটাৰ সীমামূৰীয়া বগৰিগুৰী গাঁৱত পুখুৰীত গা ধুবলৈ গৈ আজি দুই শিশুৰ সলিল সমাধি ঘটে। বৰপেটাৰ বগৰিগুৰী পাথাৰ গাঁও আৰু বাগ্‌সাৰ উন্নেকুৰীৰ সীমামূৰীয়াত সংঘটিত হৈছে এই কৰুণ ঘটনা। মৃত দুই শিশু ক্ৰমে সৰভোগ আৰক্ষী থানাৰ অন্তৰ্গত বগৰিগুৰী গাঁৱৰ হানিফ আলী আহমেদৰ পুত্ৰ ছয় পৃষ্ঠাত চাওক

### আও ষ্টুডেণ্ট কনফাৰেন্সৰ ফলক বন বিভাগৰ উচ্ছেদ

# দিচৈ বনাঞ্চলত পুনৰ নগাৰ বেদখল



**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ৬ মে' ঃ** মৰিয়নিৰ অসম-নগালেণ্ড সীমান্তৱৰ্তী সংৰক্ষিত বনাঞ্চলত নগাৰ বেদখল অব্যাহত আছে। এইবাৰ দিছৈ ভেলী সংৰক্ষিত বনাঞ্চলত নগালেণ্ডৰ এটা ছাত্ৰ সংগঠনে পুনৰ ফলত লগায়। বছৰচেৰেক পূৰ্বে নগালেণ্ডৰ আও ষ্টুডেণ্ট কনফাৰেন্স নামৰ এটা ছাত্ৰ সংগঠনে দিছৈ ভেলী সংৰক্ষিত বনাঞ্চলত এইদৰে ফলত আঁৰি উক্ত বনাঞ্চল নিজৰ বুলি দাবী কৰিছিল। এইবাৰ একেটা ছাত্ৰ সংগঠনে পুনৰ দিছৈ ভেলীক তেওঁলোকৰ বনাঞ্চল বুলি দাবী কৰি এইদৰে কে'বাখনো ফলক আঁৰে। মৰিয়নি বনাঞ্চলিক বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত আৰু নিউ সোণোৱাল খণ্ড বন বিষয়া কাৰ্যালয়ৰ অঞ্চলধীন দিচৈ ভেলি সংৰক্ষিত বনাঞ্চলৰ ভিতৰত গছত এই ফলসমূহ লগায়। নিউ সোণোৱাল খণ্ড বন কাৰ্যালয়ৰ পৰা দুই কিলোমিটাৰ ভিতৰত লগোৱা এই ফলকসমূহত (আও ষ্টুডেণ্ট কনফাৰেন্স) এ কে এম ৰিজাৰ্ভ ফৰেষ্ট বুলি লিখা আছিল। সংৰক্ষিত বনাঞ্চলখনৰ মাজেৰে বৈ অহা চিৰাখাটি নামৰ সৰু নৈখনৰ কাষে কাষে ছয় পৃষ্ঠাত চাওক

■ নকল সোণৰ বিস্কুট জব্দ

## ৰঙিয়াত আৰক্ষীৰ জালত প্ৰৱঞ্চক



**অগ্ৰদূত বাৰ্তা**
**ৰঙিয়া, ৬ মে' ঃ** নকল সোণৰ জৰিয়তে ধনী হোৱাৰ সপোন দেখা প্ৰৱঞ্চকৰ দলৰ এজন সদস্যই আজি ৰঙিয়া আৰক্ষীৰ জালত পৰে। আৰক্ষীৰ সূত্ৰ অনুসৰি, তেজপুৰৰ পৰা এজন যুৱকে ৰঙিয়া উদিয়ানাত এক কিলোগ্ৰাম ওজনৰ চাৰিখন নকল সোণৰ বিস্কুট বিক্ৰীৰ বাবে লৈ আনে। প্ৰৱঞ্চকজনে গ্ৰাহকৰ স'তে দৰদাম কৰি থাকোতে ৰঙিয়া থানাৰ ছয় পৃষ্ঠাত চাওক

■ সামাজিক মাধ্যমত অনুসূচিত জাতিক লৈ বিতৰ্কিত মন্তব্য

## মেৰাপানীৰ তিনি যুৱকক জেললৈ প্ৰেৰণ

**অগ্ৰদূত বাৰ্তা**
**মেৰাপানী, ৬ মে' ঃ** সামাজিক মাধ্যমত অনুসূচিত জাতি তথা কৈৱৰ্ত সম্প্ৰদায়ৰ লোকসকলক লৈ বিতৰ্কিত মন্তব্য কৰা অভিযোগত গোলাঘাট জিলাৰ মেৰাপানীৰ তিনি যুৱকক কালি মেৰাপানী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি আজি গোলাঘাট জেললৈ প্ৰেৰণ কৰে। তথ্য অনুসৰি মেৰাপানী আৰক্ষী থানাৰ অন্তৰ্গত কাছমাৰী বালিয়া চাপৰিৰ ঘনশ্যাম ঠেঙাল, সীমান্ত পঞ্চায়তৰ কমতাপুৰৰ দিবাকৰ ঠেঙাল আৰু কমতাপুৰৰে সোণমণি মেছ নামৰ যুৱক তিনিজনে কেইদিন মানৰ পুৰ্বে কৈৱৰ্ত জনগোষ্ঠীক লৈ বিৰ্তকিত মন্তব্যৰে এটা ভিডিঅ' সামাজিক মাধ্যমত প্ৰকাশ কৰে। উক্ত বিতৰ্কিত মন্তব্যটো প্ৰত্যক্ষ হোৱাত সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতি আৰু অনুসূচিত জাতি ছাত্ৰ ছয় পৃষ্ঠাত চাওক

### কৰ্মচাৰীক বান্ধি-ধৰি গতালে আৰক্ষীক

## ৰঙিয়াত পৰীক্ষাৰ্থীৰ ধন আত্মসাৎ ব্যক্তিগত বিদ্যালয়ৰ, বঞ্চিত ছাত্ৰ-ছাত্ৰী

**অগ্ৰদূত বাৰ্তা**
**ৰঙিয়া, ৬ মে' ঃ** চৰকাৰৰ নিৰ্দেশক কেৰেপ নকৰি ৰাজ্যৰ একাংশ ব্যক্তিগত শিক্ষানুষ্ঠানে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক জীৱনক লৈ হেতালি খেলাৰ অভিযোগ দীৰ্ঘদিনৰ। আজি ৰঙিয়াত এই ধৰণৰ এক ঘটনা সংঘটিত হোৱাত বৌদ্ধিক মহলত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। ৰঙিয়া চহৰৰ বুকুত কাঠফুলাৰ দৰে গঢ়ি উঠা তথা ধন ঘটাৰ আহিলাত পৰিণত হোৱা একাংশ ব্যক্তিগত শিক্ষানুষ্ঠানৰ ভিতৰত অন্যতম হ'ল অক্সফৰ্ড একাডেমী। এই শিক্ষানুষ্ঠানৰ বিৰুদ্ধে ছাত্ৰ-ছাত্ৰীক শিক্ষা প্ৰদানৰ নামত ভেঁকোভাওনা কৰাৰ অভিযোগ উত্থাপিত হৈছে। বিদ্যালয়খনে ছাত্ৰ- ছাত্ৰীৰ ভৱিষ্যৎ কি হ'ব সেই বিষয়টোত গুৰুত্ব নিদি অকল মাচুল কেনেদৰে সংগ্ৰহ কৰিব পাৰে তাৰে প্ৰতিযোগিতাত নমা বুলি ৰাইজে অভিযোগ উত্থাপন কৰে। ৰঙিয়া ধুহি নিবাসী বৰ্তমান হাতীগাঁও নিবাসী ইব্ৰাহীম আহমেদৰ মালিকানাধীনত থকা অক্সফ'ৰ্ড একাডেমীৰ কাৰ্যালয় সহায়ক বিজয় দাসে বিদ্যালয়খনৰ তিনি গৰাকী ছাত্ৰ-ছাত্ৰীৰ একাদশ শ্ৰেণীৰ পঞ্জীয়ন আৰু প্ৰ-পত্ৰ পূৰণৰ বাবে দুহেজাৰৰ পৰা তিনি ছয় পৃষ্ঠাত চাওক

## পানীত মিহলালে বিষাক্ত দ্ৰব্য ঃ গৱেষক ছাত্ৰক লুট

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ৬ মে' ঃ** তেজপুৰস্থিত প্ৰতিৰক্ষা গৱেষণাগাৰৰ এজন গৱেষক ছাত্ৰৰ পানীত বিষাক্ত দ্ৰব্য মিহলাই দুষ্কৃতিকাৰীয়ে তেওঁৰ সকলো মূল্যবান সামগ্ৰী লুটি নিয়াৰ লগতে গৱেষক ছাত্ৰজনকো শাৰীৰিকভাৱে অসুস্থ অৱস্থাত উদ্ধাৰ কৰা এক ঘটনা পোহৰলৈ আহিছে। উল্লেখ্য যে যোৱা ২০ এপ্ৰিলত বৰ্ধমানৰ পৰা গুৱাহাটীলৈ শৰাইঘাট এক্সপ্ৰেছত আহি থকা অৱস্থাত বুদ্ধদেৱ সাহা (২৭ ) নামৰ পশ্চিমবংগৰ হুগলি পাণ্ডুৱাৰ গৱেষক ছাত্ৰজন এই ঘটনাৰ সন্মুখীন হ'বলগীয়া হয়। মালদা ৰেল ষ্টেছন পোৱাৰ সময়ত তেওঁ নিজ আসনৰ পৰা উঠি প্ৰস্ৰাৱগাৰলৈ যোৱাৰ সময়তে দুষ্কৃতিকাৰীয়ে তেওঁৰ পানীৰ বটলত বিষাক্ত দ্ৰব্য মিহলাই থয়। পাছত সেই পানী পান কৰাৰ পাছতে অচেতন হৈ পৰা গৱেষক ছাত্ৰজনৰ নগদ ধন, লেপটপ, ম'বাইল ফোনসহ আন প্ৰয়োজনীয় সামগ্ৰী লুট কৰে দুষ্কৃতিকাৰীয়ে। উক্ত ঘটনাৰ পাছত ২২ এপ্ৰিলত তেওঁক গুৱাহাটী ৰেল ষ্টেছনত অচেতন অৱস্থাত ৰেলৰ ভিতৰৰ পৰা ৰেল আৰক্ষীয়ে উদ্ধাৰ কৰে আৰু তেওঁক গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰায়। ইয়াত চিকিৎসাধীন হৈ থকা গৱেষক ছাত্ৰজন সম্প্ৰতি তেজপুৰৰ কৰ্মস্থলীত উপস্থিত হোৱাৰ পূৰ্বে ঘটনা সন্দৰ্ভত গুৱাহাটীত ৰেল আৰক্ষীৰ ওচৰত এজাহাৰ দাখিল কৰিছে। বৰ্তমানেও এই ঘটনাক লৈ ছয় পৃষ্ঠাত চাওক

## গৃহমন্ত্ৰী অমিত শ্বাহৰ মানকাচৰ ভ্ৰমণৰ প্ৰাক্‌ক্ষণত জিপি সিঙৰ সীমান্ত পৰিদৰ্শন

**মানকাচৰ, ৬ মে' ঃ** দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ মানকাচৰৰ ভাৰত-বাংলাদেশ সীমান্ত পৰিদৰ্শনৰ বাবে আজি অসম চৰকাৰৰ ৰাজনৈতিক আৰু গৃহ সচিব দিগন্ত বৰা, অসম আৰক্ষীৰ বিশেষ সঞ্চালক প্ৰধান জিপি সিং, অসম আৰক্ষীৰ অতিৰিক্ত সঞ্চালক প্ৰধান হীৰেন নাথৰ লগতে গুৱাহাটী ফ্ৰন্টিয়াৰ বিএছএফৰ আইজিপি এছএছ গেহলটকে ধৰি শীৰ্ষ বিষয়াৰ সঁজাতী দল উপস্থিত হয়। অহা ন মে'ত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ মানকাচৰ আগমনৰ প্ৰাক্ মুহূৰ্তত মানকাচৰৰ ভাৰত-বাংলাদেশ সীমান্তৰ পৰিস্থিতিৰ বুজ ল'বলৈ আজি উপস্থিত হয় শীৰ্ষ বিষয়াৰ দলটোৱে। গুৱাহাটীৰ পৰা



হেলিকপ্টাৰযোগে আহি পুৱা ১০-৩০ বজাত মানকাচৰৰ অসম-মেঘালয় সীমান্তৰ কামাখ্যাবাৰী হেলিপেডত উপস্থিত হয়। পাছত হেলিপেডৰ পৰাই পোনে পোনে মানকাচৰৰ ভাৰত-বাংলাদেশ সীমান্তৰ সাহাপাৰা সীমান্তৰক্ষী ছাউনীৰ কাষেদি সীমান্ত পথৰ কালো নদীৰ ওপৰৰ থকা দলঙত উপস্থিত হৈ সীমান্তৰ পৰিস্থিতিৰ বুজ লয়। দলটোৱে তাৰ পৰা উভতি আহি পুনৰ মানকাচৰৰ ভাৰত-বাংলাদেশ সীমান্তৰ মানকাচৰ সীমান্ত সুৰক্ষাৰক্ষীৰ ছাউনীত উপস্থিত হৈ বিএছএফৰ শীৰ্ষ বিষয়াৰ স'তে এখন বৈঠকত মিলিত হয়। বৈঠকত কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহৰ আগমনত কেনে ধৰণৰ নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হ'ব বা কি কি কাৰ্যসূচী থাকিব ছয় পৃষ্ঠাত চাওক

## তেজপুৰত অগ্নিকাণ্ডত ব্যৱসায়িক প্ৰতিষ্ঠান ভস্মীভূত



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ৬ মে' ঃ** তেজপুৰৰ নপাম চেণ্টাৰত যোৱা নিশা ২-৩০ত সংঘটিত অগ্নিকাণ্ডৰ ঘটনাত তিনিখন দোকান ভস্মীভূত হয়। উল্লেখ্য যে ব্যৱসায়িক অঞ্চলটোত থকা খোকন ঘোষৰ খাদ্য সামগ্ৰীৰ, তেওঁৰ ভ্ৰাতৃ ৰতন ঘোষৰ ষ্টেচনাৰী আৰু কনক গগৈৰ চাহ হোটেলসহ তিনিওখন দোকান এই অগ্নিকাণ্ডত ছয় পৃষ্ঠাত চাওক

## সুৰাৰ ৰাগিত মাতাল উচ্ছৃংখল যুৱকে ভাঙি লণ্ডভণ্ড কৰিলে চকী

**অগ্ৰদূত বাৰ্তা**
**ডিমৌ, ৬ মে' ঃ** ৰঙালী বিহু বহুবাৰ উশৃংখলতাৰ চৰম সীমা অতিক্ৰম কৰিছে একাংশ নৱ প্ৰজন্মই। কেতিয়াবা বিহু মঞ্চৰ বাহিৰত পেণ্ডেলৰ খুঁটাত বগাই, কেতিয়াবা বোকাত উশৃংখল নৃত্য আৰু কেতিয়াবা চকী ভাঙি যুৱ প্ৰজন্মই কলুষিত কৰিছে বিহুৰ ৰং ধেমালিৰ প্ৰকৃত মাদকতা। ডিমৌৰ জাতীয় সংগঠন, বিভিন্ন স্বেচ্ছাসেৱী অনুষ্ঠান-প্ৰতিষ্ঠানৰ উদ্যোগত ডিমৌ ৰজহুৱা খেল-পথাৰত অনুষ্ঠিত হোৱা কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন ডিমৌ যোৱা এক মে'ৰ নিশা ৰিদিপ ৰংকিতৃৰ গীতৰ অনুষ্ঠানৰ মাজতে সুৰাৰ ৰাগীত মাতাল হৈ একাংশ উদণ্ড যুৱকে চৰম সীমা অতিক্ৰম কৰি পেণ্ডেলৰ শ শ চকী ভাঙি পেলায়। ইফালে, ডিমৌত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বৰ্তমান এনে ঘটনাই সমাজৰ বাবে এক হতাশা ছবিহে দাঙি ধৰিছে। এইসকল ছয় পৃষ্ঠাত চাওক

■ চাহ জনজাতি মহিলা সমিতিৰ স্বাস্থ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ

## মৰিয়নিত গৰ্ভৱতী মহিলাৰ স্বাস্থ্য পৰীক্ষাৰ নাই কোনো ব্যৱস্থা

**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ৬ মে'ঃ** মৰিয়নি বিধানসভা সমষ্টিত সম্প্ৰতি স্বাস্থ্যসেৱাই জনসাধাৰণৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পৰা নাই। সমষ্টিটোত কে'বাটাও স্বাস্থ্য কেন্দ্ৰ আছে যদিও জনস্বাস্থ্যৰ বাবে সেয়া পৰ্যাপ্ত নহয়। সমষ্টিটোৰ দুই লক্ষাধিক লোকৰ বাবে নাই সকলো সুবিধাৰে পূৰ্ণাংগ এখন চিকিৎসালয়। বিশেষকৈ গৰ্ভৱতী মহিলাসকল যথেষ্ট সমস্যাৰ সন্মুখীন হৈ আহিছে। অসম-নগালেণ্ড সীমামূৰীয়া আৰু তাৰ দাঁতি-কাষৰীয়া অঞ্চলৰ ৰাইজ অত্যধিক সমস্যাৰ সন্মুখীন হৈ আহিছে। গৰ্ভৱতী মহিলাসকলে আল্ট্ৰাছাউণ্ড কৰাৰ লগতে তেজ, প্ৰস্ৰাৱ আদিৰ পৰীক্ষা কৰাবৰ বাবে ৮০-৯০ কিলোমিটাৰ দূৰলৈ যাবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। ফলত একাধিক ছয় পৃষ্ঠাত চাওক

## বঙাইগাঁৱত পঞ্চায়ত সভানেত্ৰীৰ অজ্ঞাতে পথ নিৰ্মাণকাৰী সংস্থাক আপত্তিবিহীন পত্ৰ উপ-সভানেত্ৰীৰ

**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ৬ মে' ঃ** বঙাইগাঁও জিলাত চাৰিশাৰীযুক্ত পথ নিৰ্মাণকাৰী সংস্থাক ক্ৰেচাৰ মেচিন বহুওৱাৰ বাবে সংশ্লিষ্ট পঞ্চায়ত সভানেত্ৰীৰ অজ্ঞাতে উপ-সভানেত্ৰী আৰু এজন সদস্যই গোপন বুজাবুজিৰে নিৰ্মাণকাৰী সংস্থাক এন অ' চি প্ৰদান আৰু প্ৰমাণপত্ৰ দিওতে অবৈধ আৰু বিনা অনুমতিত সভানেত্ৰীৰ ছীল ব্যৱহাৰ কৰাক লৈ জাণ্ডৰ খাই উঠিছে পঞ্চায়ত সভানেত্ৰী। এই সন্দৰ্ভত পঞ্চায়ত সভানেত্ৰীগৰাকীয়ে উত্তৰ শালমাৰাৰ মহকুমাধিপতিক এক অভিযোগ দাখিল কৰিছে। উল্লেখ্য যে বঙাইগাঁও জিলাৰ হাপাচৰাৰ পৰা যোগীঘোপাৰ লজিষ্টিক হাবলৈ নিৰ্মাণৰত চাৰিশাৰীযুক্ত পথৰ তুলুঙীয়া-যোগীঘোপা অংশ নিৰ্মাণৰ দায়িত্ব লাভ কৰে ক্ৰমে আৰ পি চি আৰু আৰ এছ বি আই নামৰ দুটা নিৰ্মাণকাৰী সংস্থাই। সংস্থা দুটাই পথ নিৰ্মাণৰ বাবে প্ৰয়োজনীয় ব'ল্ডাৰ চিৰাং জিলাৰ পৰা সৰবৰাহ কৰিবলৈ লয়। আনকি বিনা চালানত শিল সৰবৰাহ কৰাৰ বাবে বন বিভাগক জৰিমনাও আদায় দিবলগীয়া হৈছে আৰ এছ বি আয়ে। ইপিনে চিৰাঙৰ পৰা সৰবৰাহ কৰা বল্ডাৰ ভঙাৰ বাবে সংস্থা দুটাই উত্তৰ শালমাৰা পঞ্চায়তৰ চৌটাকিত ডেৰবছৰ পূৰ্বে দুটা ক্ৰেচাৰ মেচিনো বহুৱায়। উল্লেখ্য যে ছয় পৃষ্ঠাত চাওক

## মিছামাৰীৰ চাৰিদুৱাৰ চাহ বাগিচাত হত্যাকাণ্ড

### মহিলাৰ মৃতদেহ উদ্ধাৰ ঃ চাৰিদিন ধৰি সন্ধানহীন হৈ আছিল মহিলাগৰাকী


**অগ্ৰদূত বাৰ্তা**
***ঠেলামৰা, ৬ মে'ঃ*** শোণিতপুৰ জিলাৰ মিছামাৰী আৰক্ষী থানাৰ অন্তৰ্গত চাৰিদুৱাৰ চাহ বাগিচাত সংঘটিত হৈছে এক হত্যাকাণ্ডৰ ঘটনা। চাহ বাগিচাখনৰ মাজত আজি এগৰাকী মহিলাৰ মৃতদেহ উদ্ধাৰ হয়। তথ্য অনুসৰি, চাৰিদুৱাৰ চাহ বাগিচাৰ নিবাসী বিশাল তেলেঙাৰ পত্নী তথা তিনিটা সন্তানৰ মাতৃ চুমী গাদৰাৰ (২৫) বিগত চাৰিদিন ধৰি নিখোঁজ হৈ আছিল। মহিলাগৰাকী সন্ধানহীন হৈ থকাত পৰিয়ালৰ অন্য লোকসকল চিন্তিত হৈ পৰিছিল। দিনৰ প্ৰায় তিনি বজাত চাহ বাগিচাখনৰ মাজত শ্ৰমিকসকলে কাম কৰি থকাৰ সময়তে এগৰাকী মহিলাৰ মৃতদেহ পৰি থকা প্ৰত্যক্ষ কৰে। পাছত শ্ৰমিকসকলে মৃতদেহটো চুমি গাদৰাৰ বুলি চিনাক্ত কৰে। সন্ধানহীন হৈ থকা মহিলাগৰাকীৰ মৃতদেহ উদ্ধাৰ হোৱাক লৈ চাহ বাগিচাখনত উত্তেজনাৰ সৃষ্টি কৰে। ইফালে, স্থানীয় শ্ৰমিক ৰাইজে ছয় পৃষ্ঠাত চাওক

## ম্যাদ উকলি যোৱা ঔষধে নষ্ট কৰিলে মৰাপাটৰ খেতি

### ব্যৱসায়ীৰ বিৰুদ্ধে গোচৰ

**অগ্ৰদূত বাৰ্তা**
**সোণতলী, ৬ মে' ঃ** কামৰূপ জিলাৰ গৰৈমাৰী কৃষি উন্নয়ন খণ্ডৰ অন্তৰ্গত টপাৰ পথাৰ গাঁৱৰ এডৰা মৰাপাটৰ খেতিত ম্যাদ উকলি যোৱা কীটনাশক দ্ৰব্য দিয়াত মৰাপাটৰ খেতি মৰহি যোৱাত খেতিয়কে মূৰে কপালে হাত দিবলগীয়া হৈছে। উল্লেখ্য যে টপাৰ পথাৰৰ ৰহিমন খাতুনে ডেৰ বিঘামান মৰাপাটৰ খেতি কৰিছিল। খেতিত ঘাঁহ বন গজাত এখন দোকানৰ পৰা ঘাঁহ মৰা ঔষধ কিনি খেতিত ছটিয়াইছিল। টপাৰ পথাৰ বজাৰস্থিত বিল্লাল হুছেইনৰ কীটনাশক ঔষধৰ দোকানৰ পৰা যোৱা ৩০ এপ্ৰিলত ঔষধ ক্ৰয় কৰি খেতিত প্ৰয়োগ কৰিছিল। উল্লেখ্য এই দৰৱ প্ৰয়োগ কৰাৰ আধা ঘণ্টা পাছৰ পৰাই মৰাপাট মৰিবলৈ ধৰে বুলি খেতিয়কজনে অভিযোগ কৰিছে। পাছত খেতিয়কসকল দোকানীজনক উক্ত অঘটন সম্পৰ্কে অৱগত কৰে যদিও দোকানীয়ে গুৰুত্ব নিদিয়াৰ ফলত যোৱা চাৰি মে'ত জোৰশিমুলী আৰক্ষী চকীত ঘটনা সন্দৰ্ভত এজাহাৰ দাখিল কৰে। জোৰশিমুলী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াই উক্ত এজাহাৰখন পঞ্জীয়ন কৰি তদন্ত অব্যাহত ৰাখিছে। দোকানীৰ অসাৱধানতাৰ বাবে খেতিয়কজনৰ ৩৫ হেজাৰ টকাৰ ক্ষতি হয়। ইপিনে, আজি উক্ত খেতি পৰিদৰ্শন কৰে গৰৈমাৰী কৃষি উন্নয়ন ছয় পৃষ্ঠাত চাওক

## বঙাইগাঁৱত দুষ্প্ৰাপ্য সোণালী বান্দৰৰ মৃত্যু



**অগ্ৰদূত ব্যুৰ'**
**বঙাইগাঁও, ৬ মে' ঃ** বঙাইগাঁও জিলা সদৰৰ নিকটৱৰ্তী চিটকাগাঁৱত আজি পুৱাৰ ভাগত গাঁওখনত খাদ্যৰ অন্বেষণ কৰি থকা সোণালী বান্দৰৰ জাকৰ পৰা এটা সোণালী বান্দৰ বিদ্যুতৰ তাঁৰত লাগি মৃত্যুমুখত পৰে। পৃথিৱীৰ বিলুপ্ত প্ৰায় হোৱা সোণালী বান্দৰৰ মৃত্যু হোৱা খবৰে প্ৰকৃতিপ্ৰেমী সংগঠন, লোকৰ মাজত বিৰাজ কৰিছে প্ৰতিক্ৰিয়া। বঙাইগাঁও জিলাৰ কাকৈজানা সংৰক্ষিত বনাঞ্চল আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহ হৈছে পৃথিৱীৰ বিলুপ্তপ্ৰায় সোণালী বান্দৰৰ বিচৰণভূমি। আজি এই চিটকাগাঁৱত বিদ্যুৎস্পৃষ্ট হৈ সোণালী বান্দৰ এটাৰ মৃত্যু হয় । জিলাখনৰ ছয় পৃষ্ঠাত চাওক

### গোৱালপাৰাৰ বিশেষ পস্ক' আদালতৰ ৰায়দান

## শিশু ধৰ্ষণ কৰি হত্যা কৰা কালু মুণ্ডাক যাৱজ্জীৱন কাৰাদণ্ড



**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ৬ মে' ঃ** চকলেট খুওৱাৰ প্ৰলোভনেৰে পথাৰত নি ছয় বছৰীয়া নিষ্পাপ শিশুক ধৰ্ষণ কৰি বৰ্বৰভাৱে হত্যা কৰা পাষণ্ড কালু মুণ্ডাক আজি গোৱালপাৰাৰ বিশেষ পক্স' আদালতৰ ন্যায়াধীশ এছ ধৰে এক ঐতিহাসিক ৰায়দানযোগে যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰে। উল্লেখ্য যে ২০১৮ৰ পহিলা ডিচেম্বৰত জিলাখনৰ ৰংজুলি আৰক্ষী থানাৰ অন্তৰ্গত অঞ্চলত এগৰাকী ছয় বছৰীয়া আদিবাসী কন্যা শিশু নিৰুদ্দেশ হোৱা বুলি ভুক্তভোগীৰ পিতৃয়ে এজাহাৰ দিয়ে। কিন্তু তিনি ডিচেম্বৰত কাহিবাৰীৰ ধাননি পথাৰত এগৰাকী অৰ্ধ উলংগ কন্যা শিশুৰ মৃতদেহ প্ৰত্যক্ষ কৰা বুলি স্থানীয় ৰাইজে পৰিয়ালৰ লোকক খবৰ দিয়ে। পৰিয়ালৰ লোকে ঘটনাস্থলীত উপস্থিত হৈ অৰ্ধ উলংগভাৱে মাটিত পুতি থোৱা অৱস্থাত শিশুটিৰ মৃতদেহ চিনাক্ত কৰি আৰক্ষীক খবৰ দিয়ে। আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ শিশুটিৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে গোৱালপাৰা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। এই সন্দৰ্ভত শিশুটিৰ পিতৃয়ে তিনি ডিচেম্বৰত দিয়া এজাহাৰ মৰ্মে ৰংজুলি আৰক্ষীয়ে পস্ক' আইনৰ ধাৰা চাৰি আৰু ভাৰতীয় দণ্ড বিধিৰ ৩৭৬/৩০২/২০১/ধাৰাত ছয় পৃষ্ঠাত চাওক

## চাইবাৰ ক্ৰাইম ঃ চতিয়াত মহিলাক ব্লেকমেইলিঙৰ চেষ্টা

**অগ্ৰদূত বাৰ্তা**
**চতিয়া, ৬ মে' ঃ** চতিয়াৰ এগৰাকী মহিলাৰ হোৱাটছএপ ডিঙিত থকা ফটো এডিটিং কৰি আশ্লীল ৰূপদি ৭ ৬৩৮০৪৩৬৫৪ নম্বৰলৈ পৰা মহিলা গৰাকীৰ হোৱাটছএপ নম্বৰত প্ৰেৰণ কৰে আৰু তেওঁৰ লগত কথা নাপাতিলে ফেচবুকত ফটোখন ভাইৰেল কৰি দিয়াৰ ভাবুকি দিয়ে। উপায়ান্তৰ হৈ মহিলাগৰাকী আৰু পৰিয়ালে আজি চতিয়া আৰক্ষীৰ কাষ চাপে। লগতে এই সম্পৰ্কত তেওঁলোক জিলা আৰক্ষী অধীক্ষকৰ কাষ চাপিব। উল্লেখ্য যে আজি দুমাহমান আগতে চতিয়াৰ এজন যুৱকে এনেকুৱা ব্লেকমেইলিঙৰ কবলত পৰি আত্মহননৰ পথ বাচি লৈছিল।

## ওদালগুৰিৰ ৰৌতাত গাঞ্জাসহ দুজনক গ্ৰেপ্তাৰ

**বিশেষ সংবাদদাতা**
**ওদালগুৰি, ৬ মে' ঃ** কালি সন্ধিয়া ওদালগুৰি জিলাৰ ৰৌতা থানা অঞ্চলৰ ৰৌতা বাগানৰ নদীৰ সমীপত আৰক্ষীয়ে গাঞ্জাসহ দুজন লোকক গ্ৰেপ্তাৰ কৰে। এক আৰক্ষীৰ দলটোৱে এটা বেগত কঢ়িয়াই অনা অৱস্থাত ১৫.৪ কিলোগ্ৰাম গাঞ্জা জব্দ কৰে। লগতে গাঞ্জাখিনি কঢ়িয়াই অনা দুগৰাকী লোক ক্ৰমে চৌমদৌন দৈমাৰী (২০) আৰু ভুমচৌৰাং বসুমতাৰী (১৯)ক গ্ৰেপ্তাৰ কৰে। ধৃত দুয়োগৰাকী যুৱকৰ ঘৰ ওদালগুৰি জিলাৰ মাজবাট থানাৰ অঞ্চলত। ঘটনা সন্দৰ্ভত ৰৌতা আৰক্ষী থানাত এনডিপিএছ আইনৰ ২০(বি) (১১) (বি)ৰ অধীন ৪১/২২ নম্বৰত এক গোচৰ ৰুজু কৰি ধৃত দুয়োকে ওদালগুৰি আদালতত হাজিৰ কৰে।

## ডবকা সংৰক্ষিত বনাঞ্চলৰ পৰা গছ কটাৰ অভিযোগত তিনিজনক গ্ৰেপ্তাৰ



**অগ্ৰদূত বাৰ্তা**
**যমুনামুখ, ৬ মে' ঃ** যোৱা নিশা ডবকা আৰক্ষীয়ে কাঠসহ তিনিজন লোকক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে কালি সন্ধিয়া ডবকাৰ সমীপৰ (বুঢ়ীগাঁও) নাহৰগাঁৱত গ্ৰেপ্তাৰ কৰা লোক তিনিজনক পশ্চিম যমুনাগাঁৱৰ আব্দুল আহাদ, ডবকা নাহৰগাঁৱৰ কমৰুল ইছলাম আৰু হিলাল আহমেদ। ধৃত লোককেইজনৰ পৰা বৃহৎ পৰিমাণৰ খৰি জব্দ কৰে। প্ৰথমে এয়া চন্দন কাঠ বুলি খবৰ ওলাইছিল। পৰৱৰ্তী সময়ত আৰক্ষীৰ তদন্তত সেয়া চন্দন কাঠ নহয় বুলি নিশ্চিত হয়। আৰক্ষীয়ে কাঠখিনি ডবকা ছয় পৃষ্ঠাত চাওক


### নতুনকৈ স্থাপন কৰা যন্ত্ৰপাতিও কাম আৰম্ভ নকৰাকৈয়ে নষ্ট হোৱাৰ পথত ■ জহি-খহি গ'ল বিষয়া-কৰ্মচাৰীৰ আৱাসগৃহ

## ২৬ বছৰে পৰিত্যক্ত ঢেকিয়াজুলি দুগ্ধ শীতলীকৰণ প্ৰকল্প



**অগ্ৰদূত বাৰ্তা**
***ঠেলামৰা ৬ মে' ঃ*** যোৱা তিনিটা দশকত নিশ্চিহ্ন হ'বলৈ ধৰিছে তদানীন্তন তদনাতন্ত্ৰৰ শৰৎ চন্দ্ৰ সিংহ চৰকাৰৰ কাৰ্যকালত গঢ়ি উঠা দুগ্ধ উন্নয়ন বিভাগৰ অধীনত স্থাপন কৰা দুগ্ধ শীতলীকৰণ প্ৰকল্পসমূহ। উল্লেখ্য যে নিতৌ দুগ্ধপাম তথা গাই পালকসকলৰ পৰা গাখীৰ সংগ্ৰহ কৰি আনি শীতলীকৰণ যন্ত্ৰৰে শীতল কৰাৰ পাছত সেই গাখীৰ চহৰবাসী আৰু আন গ্ৰাহকক বিক্ৰী কৰিছিল দুগ্ধ উন্নয়ন বিভাগে। তদুপৰি দৈ, ক্ৰিম আৰু ঘি প্ৰস্তুত কৰাও হৈছিল দুগ্ধ উন্নয়ন বিভাগৰ এই প্ৰকল্পসমূহত। প্ৰতিটো প্ৰকল্পতে নিযুক্ত হৈছিল ছয় পৃষ্ঠাত চাওক

# সমষ্টি পুনৰ নিৰ্ধাৰণ জম্মু-কাশ্মীৰত, বিধানসভাৰ আসনৰ সংখ্যা ৯০ খনলৈ বৃদ্ধি



**নিউজ ব্যুৰ’, শ্ৰীনগৰ, ৬ মে’ ঃ** ২০২০ৰ মাৰ্চত গঠিত জম্মু-কাশ্মীৰ সমষ্টি পুনৰ নিৰ্ধাৰণ আয়োগে কালি অন্তৰ্বৰ্তী প্ৰতিবেদন দাখিল কৰিলে। আয়োগে প্ৰতিবেদনত ৰাজ্যখনৰ বিধানসভাৰ সমষ্টি ৯০ খনলৈ বৃদ্ধিৰ প্ৰস্তাৱ আগবঢ়াইছে। ৯০ সমষ্টিৰ ৪৩ টা জম্মুত আৰু ৪৭ টা কাশ্মীৰত থাকিব। কেন্দ্ৰীয় চৰকাৰে জম্মু-কাশ্মীৰৰ ক্ষেত্ৰত পূৰ্বে প্ৰযোজ্য হোৱা ভাৰতীয় সংবিধানৰ ৩৭০ অনুচ্ছেদ বাতিল কৰাৰ পাছত এইবাৰ ৰাজ্যখনৰ বিধানসভাৰ সমষ্টি পুনৰ নিৰ্ধাৰণৰ উদ্যোগ গ্ৰহণ কৰা হ’ব। এই বিষয়ত গঠিত আয়োগে জম্মুত সমষ্টিৰ সংখ্যা বৃদ্ধিৰ পৰামৰ্শ আগবঢ়ালে।

# উত্তৰ প্ৰদেশৰ সকলো গাঁও অচিৰে হ’ব ‘স্মাৰ্ট ভিলেজ’



**নিউজ ব্যুৰ’, লক্ষ্ণৌ, ৬ মে’ ঃ** উত্তৰ প্ৰদেশৰ সকলো গাঁৱক এইবাৰ ‘স্মাৰ্ট ভিলেজ’ৰ ৰূপ প্ৰদান কৰা হ’ব। ‘স্মাৰ্ট ভিলেজ’ গঢ়াৰ প্ৰচেষ্টাৰে ইতিমধ্যে যোগী আদিত্যনাথৰ চৰকাৰে ৰাজ্যখনৰ সকলো গ্ৰামীণ অঞ্চলৰ সচিবালয়ত নিৰ্ভৰযোগ্য ইণ্টাৰনেট সংযোগ নিশ্চিত কৰিবলৈ নিৰ্দেশ দিছে। প্ৰকাশিত বাতৰি অনুসৰি, গ্ৰাম সচিবালয়ৰ ৫০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰৰ গাঁওবাসীয়ে বিনামূল্যে ৱাই-ফাই সেৱা লাভ কৰিব। অতিৰিক্ত মুখ্য সচিব মনোজ কুমাৰ সিঙে আজি এই কথা প্ৰকাশ কৰি কয় যে এই পদক্ষেপৰ ফলত ৰাজ্যখনৰ গ্ৰামবাসীৰ জীৱন যাত্ৰাৰ মান উন্নত হ’ব। ‘মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ ৰাজ্যত গ্ৰাম পঞ্চায়তত স্মাৰ্ট গ্ৰামলৈ ৰূপান্তৰিত কৰাৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে। ৫৮১৮৯ গ্ৰাম পঞ্চায়তক গ্ৰাম সচিবালয়লৈ ৰূপান্তৰ কৰাৰ পৰিকল্পনা ইতিমধ্যে আৰম্ভ কৰা হৈছে।’ সিঙে আজি এইদৰে কয়।

# মছজিদত লাউডস্পীকাৰ ব্যৱহাৰ মৌলিক অধিকাৰ নহয়, আবেদন নাকচ কৰি এলাহাবাদ উচ্চ ন্যায়ালয়ৰ ৰায়



**নিউজ ব্যুৰ’, প্ৰয়াগৰাজ, ৬ মে’ ঃ** মছজিদ তথা অন্যান্য ধৰ্মীয় স্থানৰ পৰা লাউডস্পীকাৰ আঁতৰ কৰিবলৈ উত্তৰ প্ৰদেশৰ যোগী আদিত্যনাথৰ চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তক অনুমোদন জনালে এলাহাবাদ উচ্চ ন্যায়ালয়ে। মছজিদত লাউডস্পীকাৰ ব্যৱহাৰৰ বাবে অনুমতি বিচাৰি দাখিল কৰা এক আবেদন এলাহাবাদ উচ্চ ন্যায়ালয়ে নাকচ কৰি কয় যে মছজিদত লাউডস্পীকাৰ ব্যৱহাৰ কৰাটো মৌলিক অধিকাৰৰ অন্তৰ্ভুক্ত নহয়। উচ্চ ন্যায়ালয়ে বদায়ুনৰ নুৰী মছজিদে লাউডস্পীকাৰ ব্যৱহাৰৰ বাবে দাখিল কৰা আবেদন আজি প্ৰত্যাখ্যান কৰিলে। উচ্চ ন্যায়ালয়ে ৰায়ত কয় যে মছজিদত লাউডস্পীকাৰ ব্যৱহাৰ কৰি আজান দিয়াটো মৌলিক অধিকাৰৰ অন্তৰ্ভুক্ত নহয়।

# কাশ্মীৰৰ সমষ্টি পুনৰ নিৰ্ধাৰণত প্ৰতিক্ৰিয়া প্ৰকাশ পাকিস্তানৰ



**নিউজ ব্যুৰ’, ইছলামাবাদ, ৬ মে’ ঃ** জম্মু-কাশ্মীৰত বিধানসভাৰ সমষ্টি পুনৰ নিৰ্ধাৰণৰ প্ৰসংগত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে পাকিস্তানে। পাকিস্তানৰ বৈদেশিক মন্ত্ৰণালয়ে ভাৰতৰ ৰাষ্ট্ৰদূতক এই প্ৰসংগত তীব্ৰ আপত্তি প্ৰদৰ্শন কৰিলে। পাকিস্তান চৰকাৰে কয় যে ভাৰতৰ কাশ্মীৰত সমষ্টি পুনৰ নিৰ্ধাৰণক লৈ আয়োগে দাখিল কৰা প্ৰতিবেদন প্ৰত্যাখ্যান কৰিছে। পাকিস্তানে লগতে দাবী কৰি কয় যে সমষ্টি পুনৰ নিৰ্ধাৰণ আয়োগে কাশ্মীৰত মুছলমানসকলক নাগৰিকত্বৰ পৰা বঞ্চিত কৰিব বিচাৰিছে আৰু এইদৰে জম্মুত সমষ্টিৰ সংখ্যা বৃদ্ধিৰে কাশ্মীৰত দুৰ্বল কৰাৰ ষড়যন্ত্ৰত লিপ্ত হৈছে।



# পেলেষ্টাইনীৰ আক্ৰমণত তিনি ইজৰাইলী নিহত

**নিউজ ব্যুৰ’ জেৰুজালেম, ৬ মে’ ঃ** দুই পেলেষ্টাইনী নাগৰিকৰ ছুৰীৰ আক্ৰমণত প্ৰাণ হেৰুৱালে তিনিজন ইজৰাইলী নাগৰিকে। এই ঘটনা সংঘটিত হ’ল ইজৰাইলৰ ৰাজধানী তেল আভিভত। এই ঘটনাত আন চাৰিজন আহত ইজৰাইলী নাগৰিক সম্প্ৰতি চিকিৎসাধীন হৈ আছে। সূত্ৰৰ বাতৰি অনুসৰি, কালি বিয়লি বেলা দুজন পেলেষ্টাইনী লোকে ছুৰীৰে জধেমধে ইজৰাইলী নাগৰিকক আঘাত হানে আৰু ইয়াৰ পাছত গাড়ীত উঠি উক্ত অঞ্চলৰ পৰা পলায়ন কৰিছিল। আক্ৰমণকাৰীৰ সন্ধানত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য যে কালি ইজৰাইলৰ স্বাধীনতা দিৱস আছিল।

## প্ৰক্ৰিয়া আৰম্ভ কৰিলে চেণ্ট্ৰেল বেংক অব্ ইণ্ডিয়াই ঃ ৬০০ শাখা বন্ধ কৰাৰ যো-জা চলাইছে

# লাভ অৰ্জন নকৰা ৰাষ্ট্ৰীয়কৃত বেংকৰ শাখা কৰা হ’ব বন্ধ

**নিউজ ব্যুৰ’ নতুন দিল্লী, ৬ মে’ ঃ** লাভজনক নহ’লে বন্ধ কৰা হ’ব পাৰে দেশৰ ৰাষ্ট্ৰীয়কৃত বেংকৰ শাখা। সন্তোষজনক ব্যৱসায় কৰিব নোৱাৰিলে কেৱল সামাজিক দায়িত্ব অথবা সামাজিক সুৰক্ষাৰ স্বাৰ্থত তেনে বেংকৰ শাখা অব্যাহত ৰাখিবলৈ আগ্ৰহী নহয় কেন্দ্ৰীয় চৰকাৰ। সেয়েহে ৰিজাৰ্ভ বেংকৰ নিৰ্দেশনা অনুসৰি এতিয়াৰে পৰা কোনো ৰাষ্ট্ৰীয়কৃত বেংকৰ শাখাই মুনাফা প্ৰদান কৰিব নোৱাৰিলে তেনে শাখা বন্ধ কৰা হ’ব। ইতিমধ্যে এই প্ৰক্ৰিয়া আৰম্ভ কৰিলে চেণ্ট্ৰেল বেংক অব্ ইণ্ডিয়াই। লাভ অৰ্জন নকৰা কে’বাশ শাখা বন্ধ কৰাৰ সিদ্ধান্ত ল’লে চেণ্ট্ৰেল বেংক অব্ ইণ্ডিয়াই। দেশজুৰি থকা বেংকটোৰ শাখাসমূহৰ ব্যৱসায়ৰ সবিশেষ তথ্য সংগ্ৰহ কৰা হৈছে আৰু ইয়াৰ ভিত্তিত ২০২৩ বৰ্ষৰ ভিতৰত চেণ্ট্ৰেল বেংক অব্ ইণ্ডিয়াই প্ৰায় ৬০০ শাখা বন্ধ কৰাৰ যো-জা চলাইছে। লোকচানৰ সন্মুখীন হোৱা বেংকৰ শাখা বন্ধ অথবা আন শাখাৰ স’তে সংযুক্ত কৰা




হ’ব পাৰে। উল্লেখ্য যে শতাব্দী প্ৰাচীন এই ৰাষ্ট্ৰীয়কৃত বেংকটোৰ দেশজুৰি ৪,৫৯৪ টা শাখা আছে। এইসমূহ শাখাৰ প্ৰায় ১৩ শতাংশ হ্ৰাস কৰা হ’ব। অৱশ্যে এইদৰে ৰাষ্ট্ৰীয়কৃত বেংকৰ মুনাফাবিহীন শাখা হ্ৰাসৰ সিদ্ধান্তই গ্ৰামাঞ্চলক বিশেষভাৱে প্ৰভাৱিত কৰাৰ সম্ভাৱনা আছে। কিয়নো সাধাৰণতে চহৰৰ তুলনাত গ্ৰামাঞ্চলত বেংকৰ ব্যৱসায় সীমিত হয়। চেণ্ট্ৰেল অব্ ইণ্ডিয়াৰ এই পদক্ষেপ দেশৰ অন্যান্য ৰাষ্ট্ৰীয়কৃত বেংকসমূহেও অচিৰে গ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

# কোন এই পূজা সিংঘল, বাসগৃহৰ পৰা ২৫ কোটি টকা জব্দ প্ৰৱৰ্তক সঞ্চালকালয়ৰ



**নিউজ ব্যুৰ’, ৰাঁচী, ৬ মে’ ঃ** অবৈধ খনন গোচৰত প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ ঝাৰখণ্ডৰ ৰাঁচীত ভাৰতীয় প্ৰশাসনিক সেৱা (আই এ এছ)ৰ বিষয়া পূজা সিংঘলৰ বিৰুদ্ধে তদন্ত অব্যাহত আছে। আজি পুৱাৰে পৰা ই ডিয়ে এই সন্দৰ্ভত কমেও ২০ টা ঠিকনাত তালাচীৰ অভিযান চলায়। আই এ এছ বিষয়াগৰাকীৰ বাসগৃহৰ পৰা ২৫ কোটি টকা নগদ জব্দ কৰা বুলিও ই ডিয়ে ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। সিংঘলৰ বিৰুদ্ধে ঝাৰখণ্ড উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা ৰাজীৱ কুমাৰে ই ডিক অভিযোগ দাখিল কৰিছিল। উল্লেখ্য যে সিংঘলে বৰ্তমানে খনি আৰু ভূতত্ব বিভাগত সচিব আৰু ঝাৰখণ্ড ৰাজ্যিক খনিজ বিকাশ নিগম লিমিটেডৰ প্ৰবন্ধক নিৰ্দেশক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। সিংঘলৰ বিৰুদ্ধে অবৈধ খনন কেলেংকাৰিত জড়িত থকাৰ অভিযোগ উত্থাপিত হৈছিল। এই অভিযোগৰে তদন্ত চলাই ই ডিয়ে আজি বৃহৎ পৰিমাণৰ নগদ ধন সিংঘলৰ ঘৰৰ পৰা জব্দ কৰে।

# খনন বিবাদত সাঙোৰ খালে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী, সংকটত ছোৰেন চৰকাৰ



**নিউজ ব্যুৰ’, ৰাঁচী, ৬ মে’ ঃ** ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত ছোৰেন অবৈধ শিল খনন কেলেংকাৰিৰ স’তে সাঙোৰ খালে। ইতিমধ্যে বিৰোধীয়ে মুখ্যমন্ত্ৰী ছোৰেনৰ বিৰুদ্ধে অভিযোগত সৰৱ হৈ উঠিছে আৰু ছোৰেনক মুখ্যমন্ত্ৰী পদৰ বাবে অযোগ্য ঘোষণা কৰাৰ দাবীও উত্থাপন কৰিছে। বিৰোধীয়ে উত্থাপন কৰা অভিযোগ অনুসৰি অবৈধ খনন কেলেংকাৰিৰ স’তে নাম সাঙোৰ খোৱাৰ পাছত ছোৰেনে ঝাৰখণ্ডত মুখ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ যোগ্যতা হেৰুৱালে। ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ৰঘুবৰ দাসে এখন সংবাদমেলত অংশ লৈ যোৱা ফেব্ৰুৱাৰীতে ছোৰেনৰ বিৰুদ্ধে ক্ষমতাৰ অপব্যৱহাৰৰ অভিযোগত কেতবোৰ প্ৰমাণ দাখিল কৰিছিল। এইবাৰ বিৰোধীয়ে অভিযোগ উত্থাপন কৰি কয় যে অবৈধ খনন কেলেংকাৰিৰ স’তে নাম সাঙোৰ খোৱাৰ পাছত ছোৰেনে জনপ্ৰতিনিধি আইন ১৯৫১ উলংঘন কৰিলে আৰু তেওঁ মুখ্যমন্ত্ৰী হিচাপে ক্ষমতাত বাহাল থকাৰ অধিকাৰ হেৰুৱাইছে। যোৱা ২৫ এপ্ৰিলত প্ৰাক্তন মুখ্যমন্ত্ৰী দাসে এখন সংবাদমেলত পুনৰ অভিযোগ উত্থাপন কৰি কৈছিল যে ছোৰেনে মুখ্যমন্ত্ৰী হৈ থকাৰ সময়তে তেওঁৰ পত্নীক অবৈধভাৱে ১১ একৰৰ ঔদ্যোগিক ভূমিৰ আবণ্টন চৰকাৰে দিছিল। প্ৰাক্তন মুখ্যমন্ত্ৰীজনৰ এই অভিযোগৰ পাছত বিৰোধীয়ে ছোৰেনৰ পদত্যাগৰ দাবীত সৰৱ হৈছে।




# হোৱাইট হাউছত নতুন প্ৰেছ সচিব নিযুক্ত কেৰাইন জীন-পিয়ৰে

**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ৬ মে’ ঃ** হোৱাইট হাউছত পৰৱৰ্তী প্ৰেছ সচিব নিযুক্ত হ’ল কেৰাইন জীন-পিয়ৰে। আমেৰিকাৰ ৰাষ্ট্ৰপতি জ’ বাইডেনে কেৰাইনক হোৱাইট হাউছৰ প্ৰেছ সচিব নিযুক্তি প্ৰদানৰ কথা ঘোষণা কৰি লগতে কয় যে অহা ১৩ মে’ত কেৰাইনে নতুন দায়িত্ব গ্ৰহণ কৰিব। জেন চাকীৰ পাছত এইবাৰ হোৱাইট হাউছৰ প্ৰেছ সচিবৰ দায়িত্ব পালন কৰিব কেৰাইনে। ৪৪ বছৰীয়া কেৰাইনে সম্প্ৰতি হোৱাইট হাউছত উপ প্ৰেছসচিব হিচাপে কাৰ্যনিৰ্বাহ কৰিছে।

# আমেৰিকাৰ তীব্ৰ অসন্তুষ্টি ঃ কোৱাড ত্যাগ কৰিব ভাৰতে ?

**নিউজ ব্যুৰ’ নতুন দিল্লী, ৬ মে’ ঃ** ৰাছিয়া আৰু ইউক্ৰেইন যুদ্ধক লৈ পশ্চিম বিশ্বৰ দেশৰ স’তে ভাৰতৰ এক সংঘাত সৃষ্টি হৈছে। ভাৰতে ৰাছিয়া-ইউক্ৰেইন যুদ্ধত বৰ্তমানলৈকে নিৰপেক্ষ স্থিতি গ্ৰহণ কৰি আহিছে। ইয়াৰ বিপৰীতে আমেৰিকাই ৰাছিয়াৰ বিৰুদ্ধে একাধিক নিষেধাজ্ঞা আৰোপৰে কঠোৰ স্থিতি গ্ৰহণ কৰিছে। আমেৰিকাই ভাৰতকো ৰাছিয়াৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰিবলৈ বাৰম্বাৰ আহ্বান জনাইছে যদিও ভাৰতে এই ক্ষেত্ৰত নীৰৱতা অৱলম্বন কৰিছে।




ভাৰতৰ এনে ভূমিকাত আমেৰিকাই তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। জ’ বাইডেনৰ প্ৰশাসনে স্পষ্টভাৱে কৈছে যে ইউক্ৰেইন যুদ্ধৰ প্ৰসংগত ভাৰতে গ্ৰহণ কৰা স্থিতিয়ে আমেৰিকাৰ পদক্ষেপক প্ৰভাৱিত কৰিব পাৰে। প্ৰকাশিত বাতৰি অনুসৰি ভাৰতৰ এনে স্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আমেৰিকাই কোৱাডৰ ৰণনীতি সলনি কৰিব পাৰে। এইদৰেও আশংকা কৰা হৈছে যে কোৱাডত ভাৰতৰ স্থানত দক্ষিণ কোৰিয়াক ৰখা হ’ব পাৰে। সেয়েহে ভাৰত কোৱাডৰ পৰা বাহিৰ হ’ব নেকি বুলি এক প্ৰশ্ন উত্থাপিত হৈছে। দক্ষিণ কোৰিয়াৰ নতুন ৰাষ্ট্ৰপতি য়ুন নেয়ে অলপতে ঘোষণা কৰি কৈছিল যে তেওঁৰ দেশে কোৱাডৰ সদস্য হ’বলৈ প্ৰস্তুত আছে। অৱশ্যে আমেৰিকাই কোৱাডৰ সম্প্ৰসাৰণ আৰু ৰণনীতি সলনি কৰাৰ প্ৰসংগত এতিয়াও কোনো স্পষ্ট ইংগিত দিয়া নাই। কিন্তু কূটনৈতিক মহলৰ ধাৰণা অনুসৰি ভাৰতক হেঁচাত ৰখাৰ বাবে কোৱাডৰ বৈঠকত ৰণনীতি সলনি কৰাৰ সিদ্ধান্ত ল’ব পাৰে আমেৰিকাই।

# শ্ৰীলংকাত চৰকাৰ বিৰোধী প্ৰতিবাদকাৰীক আৰক্ষীৰ প্ৰহাৰ



**নিউজ ব্যুৰ’, কলম্বো, ৬ মে’ ঃ** চৰম বিত্তীয় সংকটৰ সন্মুখীন হোৱা শ্ৰীলংকাত হেজাৰ হেজাৰ লোকে চৰকাৰ বিৰোধী প্ৰতিবাদ অব্যাহত ৰাখিছে। বিগত এমাহৰো অধিক দিন ধৰি ৰাজধানী কলম্বোত ক্ষুব্ধ জনতাই প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। আজিও ৰাজপথত যথেষ্ট সংখ্যক লোক সমবেত হৈ চৰকাৰ বিৰোধী শ্ল’গান দিয়ে। আৰক্ষীয়ে প্ৰতিবাদকাৰীক বাধা দিবলৈ গৈ লাঠিচালনা কৰাৰ লগতে কন্দুৱা গেছ প্ৰয়োগ কৰে। সংসদৰ সমীপত প্ৰতিবাদকাৰীয়ে বেৰিকেড ভাঙি উত্তাল পৰিস্থিতিৰ সৃষ্টি কৰাত আৰক্ষীয়ে কন্দুৱা গেছ নিক্ষেপ কৰি প্ৰতিবাদকাৰীক আঁতৰি যাবলৈ বাধ্য কৰে। উল্লেখ্য যে বিত্তীয় সংকটত জৰ্জৰিত শ্ৰীলংকাত বিগত কে’বাসপ্তাহ ধৰি উত্তপ্ত পৰিস্থিতি অব্যাহত আছে।

# হিজবুল কমাণ্ডাৰক অৰ্পণ কৰা হৈছিল অমৰনাথ যাত্ৰাত আক্ৰমণৰ দায়িত্ব ঃ তিনি সন্ত্ৰাসবাদীক ধৰাশায়ী



**নিউজ ব্যুৰ’, শ্ৰীনগৰ, ৬ মে’ ঃ** জম্মু-কাশ্মীৰ আৰক্ষী, সেনা আৰু চি আৰ পি এফে কাশ্মীৰত সন্ত্ৰাসবাদীৰ এক ভয়াৱহ পৰিকল্পনা ব্যৰ্থ কৰিলে। পহলগামত অব্যাহত থকা এক সংঘৰ্ষত নিৰাপত্তা বাহিনীয়ে তিনিজন দুৰ্ধৰ্ষ সন্ত্ৰাসবাদীক আজি ধৰাশায়ী কৰে। মৃত সন্ত্ৰাসবাদীৰ পৰিচয় সেনাই প্ৰকাশ কৰা নাই যদিও জনোৱা অনুসৰি সন্ত্ৰাসবাদীকেইজনৰ মাজত হিজবুলৰ শীৰ্ষ কমাণ্ডাৰো আছে। সেনাৰ সূত্ৰই আজি এই কথা প্ৰকাশ কৰি দাবী কৰা অনুসৰি পাকিস্তানৰ সন্ত্ৰাসবাদী সংগঠন হিজবুল মুজাহিদিনে পহলগামত অমৰনাথ তীৰ্থযাত্ৰীক আক্ৰমণ কৰিবলৈ তিনিজন সন্ত্ৰাসবাদীক দায়িত্ব দিছিল আৰু এই খবৰ লাভৰ পাছতে নিৰাপত্তা বাহিনীয়ে অঞ্চলটোত অভিযান চলাই হিজবুলৰ তিনিজন সদস্যক হত্যা কৰিলে।

# চৰকাৰী পৰিসংখ্যাৰ তুলনাত কমেও ১০ গুণ অধিকৰ মৃত্যু, ক’ভিডত মৃত্যুৰ শীৰ্ষত ভাৰত ঃ দাবী ‘হু’ৰ



**নিউজ ব্যুৰ’, নতুন দিল্লী, ৬ মে’ ঃ** কৰ’না অতিমাৰীৰ সময়ত ভাৰতত এই মাৰণ ভাইৰাছত আক্ৰান্ত হৈ যিমানসংখ্যক লোকৰ মৃত্যু হ’ল বুলি চৰকাৰে পৰিসংখ্যা প্ৰকাশ কৰিছে, তাৰ তুলনাত প্ৰায় ১০ গুণ অধিক লোকৰ কৰ’নাত দেশত মৃত্যু হৈছিল। বিশ্ব স্বাস্থ্য সংস্থা (হু) সংস্থাই এইদৰে এক প্ৰতিবেদনত দাবী কৰিছে। ভাৰতৰ চৰকাৰী পৰিসংখ্যা অনুসৰি দেশত ক’ভিড সংক্ৰমণৰ ফলত কমেও পাঁচ লাখ ২০ হেজাৰ লোকৰ মৃত্যু হ’ল। কিন্তু ‘হু’ৰ পৰিসংখ্যা অনুসৰি ভাৰতত কৰ’না সংক্ৰমণৰ ফলত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে কমেও ৪৭ লাখ লোকৰ মৃত্যু হৈছে। ‘হু’ৰ প্ৰতিবেদনত উল্লেখ কৰা মতে, বিশ্বত বৰ্তমানলৈকে ১৪.৯ নিযুত লোকৰ ক’ভিডত মৃত্যু হ’ল। ‘হু’ৰ মতে ভাৰতত ২০২০ বৰ্ষৰ আগষ্টলৈকে তলাবন্ধ আছিল আৰু সেই সময়ত ক’ভিডত মৃতকৰ সংখ্যা সীমিত আছিল। কিন্তু ২০২০ৰ ছেপ্টেম্বৰৰ পৰা কৰ’নাত মৃত্যুৰ সংখ্যা ভাৰতত বৃদ্ধি পাবলৈ ধৰিছিল। একেখন প্ৰতিবেদনত কোৱা হৈছে যে ২০২০ বৰ্ষৰ পহিলা জানুৱাৰীৰ পৰা ২০২১ বৰ্ষৰ ৩১ ডিচেম্বৰলৈকে ভাৰতত সৰ্বাধিক সংখ্যক ক’ভিড ৰোগীৰ মৃত্যু হৈছিল। ভাৰত চৰকাৰে অৱশ্যে ‘হু’ৰ এই প্ৰতিবেদনক অস্বীকাৰ কৰিছে। ‘হু’ৰ এনে পৰিসংখ্যাৰ সন্দৰ্ভত গণনা প্ৰক্ৰিয়াক লৈ প্ৰশ্ন উত্থাপন কৰিলে ভাৰতে।

# আফগানিস্তানত পুনৰ সক্ৰিয় আইছিছ, আমেৰিকাত আক্ৰমণৰ শংকা মাৰ্কিন সেনা প্ৰধানৰ



**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ৬ মে’ ঃ** ছিৰিয়া আৰু ইৰাকত পৰাজিত হ’লেও সম্প্ৰতি আফগানিস্তানত পুনৰ শক্তিশালী হ’বলৈ ধৰিছে নিষিদ্ধ ঘোষিত সন্ত্ৰাসবাদী সংগঠন ইছলামিক ষ্টেট (আইছিছ)। আফগানিস্তানত আইছিছৰ পুনৰ উত্থান আমেৰিকাৰ বাবে বিপদৰ কাৰণত পৰিণত হ’ব পাৰে। এনে আশংকা প্ৰকাশ কৰিলে প্ৰেছিডেণ্ট ইউ এছ জয়েণ্ট চীফ অব্ ষ্টাফ জেনেৰেল মাৰ্ক মাইলিয়ে। আইছিছৰ উত্থান সন্দৰ্ভত আমেৰিকাৰ ছিনেটত এক বিবৃতিত মাইলিয়ে এইদৰে কয়, ‘আফগানিস্তানত শক্তি আহৰণ কৰিবলৈ উঠি পৰি লাগিছে আইছিছ আৰু অন্যান্য জেহাদী সংগঠনসমূহ। অৱশ্যে এই পৰ্যন্ত তেওঁলোক সম্পূৰ্ণ সফল হ’ব পৰা নাই। আমেৰিকাৰ মূল ভূখণ্ডৰ বাবে বিশেষ ভয়ৰ কাৰণত পৰিণত হোৱা নাই। কিন্তু যদিহে সন্ত্ৰাসবাদীসকলে আক্ৰমণৰ প্ৰস্তুতি চলায় তেন্তে আমি কঠোৰ প্ৰত্যুত্তৰ দিম। বৰ্তমানলৈকে সন্ত্ৰাসবাদীৰ বহু ঘাটি উৎখাত কৰিলো। একাধিক বিদ্যালয় আৰু মছজিদত আইছিছে আক্ৰমণ চলালেও এতিয়ালৈকে অধিক ক্ষতি কৰিব পৰা নাই। কিন্তু আইছিছৰ এই উত্থান ভৱিষ্যতে আমেৰিকাৰ লগতে বিশ্বৰ বাবে বিপদৰ কাৰণত পৰিণত হ’ব পাৰে।’

# বিজেপি নেতাৰ গ্ৰেপ্তাৰক লৈ চৰম নাটক ঃ পঞ্জাৱ আৰক্ষীৰ বিৰুদ্ধে অপহৰণৰ অভিযোগ দিল্লী আৰক্ষীৰ

**নিউজ ব্যুৰ’, নতুন দিল্লী, ৬ মে’ ঃ** বিজেপি নেতা তজিন্দৰ পাল সিং বাগ্গাৰ গ্ৰেপ্তাৰীক লৈ তিনি ৰাজ্যৰ আৰক্ষী বিতৰ্কৰ স’তে সাঙোৰ খালে। পঞ্জাৱ আৰক্ষীৰ বিৰুদ্ধে আজি গোচৰ ৰুজু কৰিলে দিল্লী আৰক্ষীয়ে। ইফালে, হাৰিয়ানা আৰক্ষীয়ে পঞ্জাৱ আৰক্ষীৰ গাড়ী মাজপথত আবদ্ধ কৰাক লৈও বিতৰ্ক অব্যাহত আছে। বাগ্গাৰ গ্ৰেপ্তাৰক লৈ চৰম নাটকীয় পৰিস্থিতিৰ সৃষ্টি হ’ল হাৰিয়ানাত। দিল্লীৰ পৰা বিজেপি নেতাজনক গ্ৰেপ্তাৰ কৰাৰ পাছতে দিল্লী আৰক্ষীয়ে অপহৰণৰ অভিযোগত পঞ্জাৱ আৰক্ষীৰ বিৰুদ্ধে



এক গোচৰ তৰিলে। ইফালে, যিখন গাড়ীত বাগ্গাক দিল্লীৰ পৰা পঞ্জাৱলৈ আৰক্ষীয়ে নিছিল, হাৰিয়ানা আৰক্ষীয়ে সেইখন গাড়ী আবদ্ধ কৰে। এই ঘটনাক লৈ আম আদমী পাৰ্টি (আপ)ৰ স’তে বিজেপিৰ সংঘাত তুংগত উঠিলে। সামাজিক মাধ্যমত বিজেপি নেতাই অভিযোগ কৰি কয় যে পঞ্জাৱ আৰক্ষীয়ে বিজেপি নেতা বাগ্গাৰ পিতৃকো অপদস্থ কৰিলে। বাগ্গাৰ গ্ৰেপ্তাৰৰ পাছতে পঞ্জাৱৰ এখন থানাৰ বাহিৰত উপস্থিত হৈ বিজেপি নেতা-কৰ্মীয়ে তীব্ৰ বিক্ষোভ প্ৰদৰ্শন কৰে। ইফালে, দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ বাসগৃহৰ সন্মুখতো বিজেপিৰ নেতা-কৰ্মীয়ে বিক্ষোভ অৱস্থান গ্ৰহণ কৰে। পঞ্জাৱ বিজেপিৰ নেতা মনজিন্দৰ সিং চিৰচাই পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানক কটাক্ষ কৰি টুইটাৰত কয়, ‘পঞ্জাৱত গুণ্ডা, মাফিয়াই প্ৰকাশ্যে হত্যা কৰিছে। মাদকৰ বাবে যুৱকৰ মৃত্যু হৈছে আৰু দিল্লীত প্ৰতিশোধৰ ৰাজনীতিত লিপ্ত হৈ পঞ্জাৱ আৰক্ষীক ব্যৱহাৰ কৰা হৈছে। শিখসকলক এইদৰে অপমান নকৰিব ভগৱন্ত মান।’ পঞ্জাৱ আৰক্ষীয়ে আজি এক বিবৃতিত কয় যে বাগ্গাক গ্ৰেপ্তাৰ কৰা হৈছে কিয়নো তেওঁৰ বিৰুদ্ধে পঞ্জাৱত থকা গোচৰৰ তদন্তত তেওঁ সহযোগিতা আগবঢ়োৱা নাছিল। পাঁচবাৰকৈ জাননী জাৰি কৰাৰ পাছতো গোচৰৰ তদন্ত অংশ নোলোৱাত আইনগতভাৱে বাগ্গাক দিল্লীৰ বাসগৃহৰ পৰা পঞ্জাৱ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে বুলি জানিবলৈ দিয়ে।

# বহু লোকৰ শৰীৰত অকাৰ্যকৰী প্ৰমাণিত হৈছে ক’ভিড প্ৰতিষেধক ঃ দাবী বিজ্ঞানীৰ



**নিউজ ব্যুৰ’, নিউ য়ৰ্ক, ৬ মে’ ঃ** কৰ’না প্ৰতিৰোধৰ ক্ষেত্ৰত বৰ্তমানলৈকে টিকা অৰ্থাৎ প্ৰতিষেধক সবাতোকৈ ফলপ্ৰসূ উপায় হিচাপে পৰিচিত হৈছিল। বিজ্ঞানীসকলেও ক’ভিড প্ৰতিৰোধত টিকা যথেষ্ট কাৰ্যকৰী বুলি দাবী কৰি আহিছে। কিন্তু নেডাৰলেণ্ডছৰ একাংশ বিজ্ঞানীয়ে দাবী কৰা অনুসৰি বহু লোকৰ শৰীৰত ক’ভিড প্ৰতিষেধকে কাৰ্যকৰিতাৰ প্ৰমাণ দিব পৰা নাই। একাংশ লোকৰ শৰীৰত ক’ভিড প্ৰতিষেধক গ্ৰহণ কৰাৰ পাছত কোনো ধৰণৰ ‘এণ্টিবডী’ৰ সৃষ্টি হোৱা নাই বুলি তথ্য লাভ কৰিলে নেডাৰলেণ্ডছৰ স্বাস্থ্য গৱেষকে। বিজ্ঞানীয়ে লাভ কৰা তথ্য অনুসৰি প্ৰতিষেধকৰ নিৰ্দিষ্ট পালি গ্ৰহণ কৰাৰ পাছতো একাংশ লোকৰ শৰীৰত ক’ভিড প্ৰতিৰোধ শক্তি গঢ় লৈ উঠা নাই। বিশেষকৈ যিসকল ব্যক্তিৰ চেহেৰা অধিক মেদবহুল, তেনে ব্যক্তিৰ শৰীৰত ক’ভিড প্ৰতিষেধক গ্ৰহণৰ পাছতো কৰ’না প্ৰতিৰোধ শক্তিৰ অভাৱ প্ৰত্যক্ষ হৈছে। নেডাৰলেণ্ডছৰ স্বাস্থ্য গৱেষকৰ দলটোৱে লগতে কয় যে মেদবহুলতাত আক্ৰান্ত নানা বয়সৰ লোকক সামৰি তেওঁলোকে অধ্যয়ন চলাইছিল আৰু এই অধ্যয়নত লাভ কৰা তথ্য অনুসৰি শকত চেহেৰাৰ সৰহ সংখ্যক লোকে প্ৰতিষেধক গ্ৰহণ কৰাৰ পাছতো শৰীৰত ক’ভিড প্ৰতিৰোধৰ বাবে পৰ্যাপ্ত ৰোগ প্ৰতিৰোধ ক্ষমতা সৃষ্টি হোৱা নাছিল। গৱেষকৰ অধ্যয়নৰ প্ৰতিবেদন ইউৰোপীয়ান কংগ্ৰেছ অন অবেছিটিত প্ৰকাশ পাইছে। ইফালে, তুৰস্কৰ বিজ্ঞানীয়েও দাবী কৰা অনুসৰি কেৱল কৰ’নাৰে নহয়, মেদবহুলতাত আক্ৰান্ত ব্যক্তিসকলৰ ক্ষেত্ৰত অন্যান্য ৰোগৰ প্ৰতিষেধকেও ভালদৰে কাম নকৰে।

## নিকাছিত ছহিদ মেজৰ দুৰ্গা মল্লৰ প্ৰতিমূৰ্তিৰ আধাৰশিলা স্থাপন

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ৬ মে’ ঃ** বাগ্‌সা জিলাৰ নিকাছিত কালি গোৰ্খাসকলৰ অন্যতম সেনানী মেজৰ দুৰ্গা মল্লৰ প্ৰতিমূৰ্তিৰ আধাৰশিলা স্থাপন কৰা হয়। গোৰ্খা উন্নয়ন পৰিষদৰ পুঁজিৰে নিৰ্মাণ কৰিব লগা এই প্ৰতিমূৰ্তিৰ আধাৰশিলা স্থাপন কৰে গোৰ্খা উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰেম তামাঙে। প্ৰতিমূৰ্তিৰ আধাৰশিলা স্থাপন কৰি পৰিষদৰ অধ্যক্ষ প্ৰেম তামাঙে কয় যে গোৰ্খাসকলৰ এজন অগ্ৰণী সৈনিক আছিল মেজৰ দুৰ্গা মল্ল। তেওঁ গোৰ্খাসকলৰ বাবে বহু ত্যাগ স্বীকাৰ কৰিছিল। গোৰ্খা উন্নয়ন পৰিষদে এনে ছহিদক যাতে উচিত সন্মান দিব পাৰে তাৰ বাবে এই প্ৰয়াস কৰা বুলি কয়। তেওঁ কয়, ‘গোৰ্খা ছাত্ৰ সন্থাৰ আহ্বান ক্ৰমে অসমৰ বিভিন্ন ঠাইত এনে ছহিদৰ প্ৰতিমূৰ্তি স্থাপন কৰা হ’ব। ইয়াৰ দ্বাৰা গোৰ্খাসকলৰ স্বাধীনতা সেনানীসকলক ৰাইজৰ স’তে চিনাকি কৰাই দিয়া হ’ব। ইতিমধ্যে তেজপুৰ আৰু কোকৰাঝাৰত ইয়াৰ কাম আৰম্ভ হৈছে। আমি আমাৰ পুঁজিৰে অসমৰ বিভিন্ন প্ৰান্তত গোৰ্খা গেষ্ট হাউছ নিৰ্মাণ কৰিম। অসমত ২৫ লাখ গোৰ্খা লোক আছে। সকলোৰে এক অসমীয়া, এক ভাৰতীয় হৈ আছে। পিছে আমি লাভ কৰা পুঁজিৰ পৰিমাণ যথেষ্ট কম। তথাপিও সেইখিনি পুঁজি আমি সদ্ব্যৱহাৰ কৰি আহিছো। গোৰ্খা উন্নয়ন পৰিষদলৈ পুঁজি বৃদ্ধি কৰিবলৈ আমি অসম চৰকাৰক দাবী জনাইছো। লগতে চেটেলাইট ভিত্তিত গোৰ্খা স্বায়ত্তশাসিত পৰিষদ গঠন কৰিবলৈ আমি দাবী জনাইছো। প্ৰতিমূৰ্তিৰ আধাৰশিলা স্থাপন অনুষ্ঠানত পৰিষদৰ উপাধ্যক্ষ ৰাম দাহাল আৰু গোৰ্খা জনগোষ্ঠীৰ বহু পুৰুষ-মহিলা উপস্থিত থাকে।

## কোচ ৰাজবংশীৰ জাতীয় পোছাক বিকৃত ৰূপত পৰিধান

### ■ কণ্ঠশিল্পী দেৱযানী শীলক ক্ষমা খোজাৰ দাবী

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ৬ মে’ ঃ** কোচ ৰাজবংশী জনগোষ্ঠীৰ জনগোষ্ঠীয় পোছাক পাতানীক বিকৃত ৰূপত পৰিধান কৰাৰ অভিযোগ তুলি গায়িকা এগৰাকীৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে বিভিন্ন সংগঠন। প্ৰাপ্ত তথ্য মতে, বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম অঞ্চলত অনুষ্ঠিত কোচ ৰাজবংশীৰ জাতীয় উৎসৱ বিষুৱাৰ সাংস্কৃতিক অনুষ্ঠানত আমন্ত্ৰিত শিল্পী হিচাপে দেৱযানী শীলে সংগীত পৰিবেশন কৰে। কিন্তু গায়িকাগৰাকীয়ে কোচ ৰাজবংশীৰ জাতীয় পোছাক পাতানীক বিকৃত ৰূপ দি পৰিধান কৰি গীত পৰিবেশন কৰাত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় সচেতন মহলত। ইয়াৰ বিৰুদ্ধে চিলাৰায় উন্নয়ন মঞ্চই আৰক্ষীৰ কাষ চপাৰ লগতে গায়িকাগৰাকীক ক্ষমা খোজাৰ দাবী উত্থাপন কৰে।

## মৰিগাঁৱৰ কানফলা মণ্ডল সমল কেন্দ্ৰত শিক্ষকৰ বিদায় সভা



অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ৬ মে’ ঃ** মৰিগাঁও জিলা ভূৰবন্ধা শিক্ষা খণ্ডৰ অন্তৰ্গত কানফলা মণ্ডল সমল কেন্দ্ৰৰ কানফলা প্ৰাথমিক বিদ্যালয়ত যোৱা চাৰি মে’ত কছাৰীবড়ী প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰবীণ মহন্তৰ অৱসৰ গ্ৰহণ কৰা উপলক্ষে এখন বিদায় সভা অনুষ্ঠিত হয়। ভৰালটুপ দয়া কাকতি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰফুল্ল চন্দ্ৰ কাকতিৰ সভাপতিত্বত আৰু কানফলা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অপূৰ্ব ৰয়ে আঁত ধৰা সভাত আদৰণি ভাষণ প্ৰদান কৰে কানফলা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক দুলুমণি দেৱীয়ে। মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদক ৰুবুল মেধি, মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক সঞ্জীৱ ৰাজখোৱা, মদন ফুকন, প্ৰধান শিক্ষক চানুৰাম পাতৰ, অপূৰ্ব বৰদলৈকে আদি কৰি কে’বাজনো শিক্ষকে অৱসৰ গ্ৰহণ কৰা শিক্ষক প্ৰবীণ মহন্তৰ কৰ্মৰাজিৰ ওপৰত আলোকপাত কৰে। সভাৰ মাজতেই অৱসৰ গ্ৰহণ কৰা শিক্ষক মহন্তক সকলো শিক্ষক শিক্ষয়িত্ৰীয়ে বিশেষভাৱে বিদায় সম্ভাষণ জনায়। বিদায় সম্ভাষণ গ্ৰহণ কৰি আৱেগিক হৈ পৰা মহন্তই শিক্ষক-শিক্ষয়িত্ৰীসকলে গ্ৰহণ কৰা পদক্ষেপক শলাগ লয়।

## ডিগবৈ পেইন-পেলিয়েটিভ কেয়াৰ ছ’চাইটিৰ সজাগতা সভা

**ডিগবৈ, ৬ মে’ ঃ** সাম্প্ৰতিক সময়ত পেলিয়েটিভ কেয়াৰ বিশেষকৈ কেঞ্চাৰ ৰোগীসকলক সহায়ৰ বাবে অতি আৱশ্যক হৈ পৰিছে। চিকিৎসক, নাৰ্ছ আৰু সমাজকৰ্মীসকলৰ বাদেও নাগৰিকসকলৰ ভূমিকা পেলিয়েটিভ সেৱাৰ বাবে অপৰিহাৰ্য হৈ পৰিছে। পেলিয়েটিভ কেয়াৰ সন্দৰ্ভত বিতংকৈ জনাবৰ বাবে যোৱা পাঁচ মে’ত ডুমডুমাৰ ফিল’বাৰীৰ উদয়পুৰ জয়শ্ৰী সংঘত এখন সজাগতা সভা আয়োজন কৰা হয়। ডিগবৈ পেইন এণ্ড পেলিয়েটিভ কেয়াৰ ছ’চাইটিৰ কাৰ্যকৰী সভাপতি গোপাল চন্দ্ৰ দাসে উদ্দেশ্য ব্যাখ্যা আগবঢ়োৱা সজাগতা সভাত ছ’চাইটিৰ সভাপতি ডাঃ ভবেন তালুকদাৰে পানীৰ উপকাৰিতা আৰু কেঞ্চাৰ ৰোগত আক্ৰান্ত ৰোগীক পৰিচাৰ্যৰ বিষয়ে পেলিয়েটিভ কেয়াৰ সন্দৰ্ভত চমু ব্যাখ্যা আগবঢ়ায়। সজাগতা সভাতেই লোহিত চন্দ্ৰ দাস আৰু সদানন্দ দাসক ডিগবৈ পেইন এণ্ড পেলিয়েটিভ কেয়াৰ ছ’চাইটিক সহায় আগবঢ়াবৰ বাবে সমন্বয়ক হিচাপে মনোনীত কৰা হয়। সভাৰ আৰম্ভণিতে অঞ্চলটোৰ দুগৰাকী কৰ্কট ৰোগীক অনুষ্ঠানটোৰ তৰফৰ পৰা পেলিয়েটিভ কেয়াৰ আগবঢ়োৱা হয়। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰৰ শুল্ক বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া, বিশিষ্ট সমাজকৰ্মী গোপাল চন্দ্ৰ দাসে ২০০১ৰ পৰা অহৰহভাৱে তিনিচুকীয়া জিলাৰ বিভিন্ন প্ৰান্তত কৰ্কট ৰোগীসকলক পেইন এণ্ড পেলিয়েটিভ কেয়াৰ ছ’চাইটিৰ সহযোগত পেলিয়েটিভ কেয়াৰ আগবঢ়াই আহিছে। অনুষ্ঠানত ছ’চাইটিৰ সম্পাদক কে ভি নাইডু, সাৰদা তালুকদাৰকে আদি কৰি অঞ্চলটোৰ বহু লোক উপস্থিত থাকে।

## ঢেকিয়াজুলিত জ্ঞানদীপ শিক্ষা মঞ্চৰ ই-আলোচনী উন্মোচন

অগ্ৰদূত বাৰ্তা

**শিঙৰী, ৬ মে’ ঃ** নতুনকৈ গঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ শৈক্ষিক সংস্থা জ্ঞানদীপ শিক্ষা মঞ্চই প্ৰকাশ কৰা ত্ৰৈমাসিক ই-আলোচনী ‘জ্ঞানদীপ পত্ৰিকা’ৰ প্ৰথম সংখ্যাটি চাৰি মে’ত উন্মোচন কৰা হয়। ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে ঢেকিয়াজুলিৰ মিজিবাৰীতো সিদিনা এই পত্ৰিকাখন উন্মোচন কৰা হয়। জ্ঞানদীপ শিক্ষা মঞ্চৰ ৰাজ্যিক সমন্বয়ক তথা ঢেকিয়াজুলি শিক্ষা খণ্ডৰ মিজিবাৰী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী মিতালী দাসৰ উদ্যোগত মিজিবাৰী প্ৰাথমিক বিদ্যালয়ত আয়োজিত এক অনুষ্ঠানত সৰ্বশিক্ষা অভিযানৰ ঢেকিয়াজুলি শিক্ষা খণ্ডৰ সমল ব্যক্তি দুলাল দাস, ক্ষীৰদা ডেকা, অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৰাজ্যিক সদস্য ভগৱান বৈশ্য, নাৰায়ণপুৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰবীণ শইকীয়া আৰু মিজিবাৰী প্ৰাথমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক তাৰচিউচ ডুংডুঙে এই পত্ৰিকাখন উন্মোচন কৰে। তাৰচিউচ ডুংডুঙৰ সভাপতিত্বত অনুষ্ঠিত সভাত মিজিবাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ভূপেন ভূএগ, ভোটপৰা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক নৱজ্যোতি সাহা আৰু বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ৰাজকুমাৰ মাহাতো উপস্থিত থাকি সহযোগ কৰে ।

# বিনাবেতনে সেৱা আগবঢ়াই আছে শিক্ষক-কৰ্মচাৰীয়ে

### ■ পদ প্ৰাদেশিকীকৰণৰ পৰা বঞ্চিত কামৰূপৰ পশ্চিম বড়িগোগ আঞ্চলিক মহাবিদ্যালয়



*লাহদৈগড় চাৰিগাঁও উচ্চ বালিকা বিদ্যালয়ত বহাগী উৎসৱ, শুকুৰবাৰে।*

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ৬ মে’ ঃ** কামৰূপ জিলাৰ হাজো বিধানসভা সমষ্টিৰ পশ্চিম বড়িগোগ আঞ্চলিক মহাবিদ্যালয়ত শিক্ষকতা কৰি থকা ১৭গৰাকী শিক্ষকৰ লগতে কে’বাগৰাকী তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ পদ আজিলৈ প্ৰাদেশিকীকৰণ নকৰতা এইসকলৰ পৰিয়াললৈ ঘোৰ অমানিশা নামি আহিছে। বছৰৰ পাছত বছৰ ধৰি চৰকাৰৰ মুখলৈ চাই সেৱা আগবঢ়াই অহা এইসকল শিক্ষক-কৰ্মচাৰীৰ প্ৰায় ভাগেই হতাশ হৈছে। নিজৰ জীৱিকা আৰু পৰিয়াল ভৰন-পোষণ দিয়াৰ ক্ষেত্ৰত চৰম আৰ্থিক দৈন্যই দেখা দিছে দুৰ্ভগীয়া এই শিক্ষক-কৰ্মচাৰীসকলৰ। শিক্ষা-দীক্ষাৰে পৰিপুষ্ট হৈ নিজক প্ৰতিষ্ঠা কৰাৰ সপোন একপ্ৰকাৰ চাৰখাৰ হোৱাৰ পথত অপ্ৰাদেশীকৃত শিক্ষক-কৰ্মচাৰী সকলৰ। ২০১৩ৰ তদানীন্তন ৰাজ্য চৰকাৰে অপ্ৰাদেশীকৃত শিক্ষানুষ্ঠানসমূহ প্ৰাদেশিকীকৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰে যদিও বিভিন্ন অজুহাতত মহাবিদ্যালয়খনৰ মুঠ ৩৩ গৰাকী শিক্ষকৰ ২২ গৰাকী শিক্ষক প্ৰাদেশিকীকৰণৰ আওতাৰ পৰা বাদ পৰে। তদুপৰি যোৱা বেলি অসম চৰকাৰৰ শিক্ষা বিভাগে প্ৰকাশ কৰা প্ৰাদেশীকৃত শিক্ষকৰ তালিকাত আশ্চাৰ্যজনকভাৱে পশ্চিম বড়িগোগ আঞ্চলিক মহাবিদ্যালয়ৰ মাত্ৰ পাঁচ গৰাকী শিক্ষকক টিউটৰ এচিষ্টেন্ট প্ৰফেচাৰ হিচাপে প্ৰাদেশিকীকৰণৰ কৰাত আন সোতৰগৰাকী পুনৰ বাদ পৰে। উল্লেখ্য যে মহাবিদ্যালয়খনৰ অৰ্থনীতি আৰু বুৰঞ্জী বিভাগত সৰহ সংখ্যক শিক্ষাৰ্থীয়ে অধ্যয়ন কৰি থকাৰ পাছতো এগৰাকী শিক্ষকৰ পদো প্ৰাদেশিকীকৰণ নকৰাৰ লগতে সংস্কৃত বিভাগৰ শিক্ষকগৰাকী ভাৰপ্ৰাপ্ত অধ্যক্ষৰূপে পদোন্নতি লাভ কৰাত বৰ্তমান বিভাগটো শিক্ষক বিহীনভাৱে চলি আছে। স্মৰ্তব্য যে মহাবিদ্যালয়খনত কে’বাটাও বিভাগত কনিষ্ঠ শিক্ষকৰ পদ প্ৰাদেশিকীকৰণ হোৱাত বহুদিন পূৰ্বে যোগদান কৰা জ্যেষ্ঠ শিক্ষকসকলৰ পদ প্ৰাদেশীকৰণত ভয়াবহ দুৰ্যোগ নামি আহিছে। এইসকল শিক্ষক কৰ্মচাৰীৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষামন্ত্ৰী যে মহাবিদ্যালয়খনত কৰ্মৰত আতাইকেইগৰাকীৰে পদ সমূহ প্ৰাদেশিকীকৰণ কৰাৰ দাবী জনাইছে পশ্চিম বড়িগোগ আঞ্চলিক ছাত্ৰ সন্থাই ইতিমধ্যে মন্ত্ৰীক এখন স্মাৰকপত্ৰ দিছিল। আনহাতে, আঞ্চলিক আছুই স্মাৰকপত্ৰ দিয়াৰ আগতে বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তথা মংগলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াৰ জন্ম গাঁৱৰ গাতে লাগি থকা মহাবিদ্যালয়খনৰ এই সমস্যা সমাধান কৰি অবিভক্ত পশ্চিম বড়িগোগত মৌজাৰ শিক্ষাৰ্থীসকলৰ লগতে অবৈতনিক শিক্ষক-কৰ্মচাৰীসকলৰ অনাগত ভৱিষ্যৎ উজ্জ্বল কৰিবলৈ মহাবিদ্যালয় কৰ্তৃপক্ষই সাংসদজনক হাতত এখন স্মাৰকপত্ৰ অৰ্পণ কৰিছিল। অঞ্চলবাসী ৰাইজ তথা বৰ্তমান মহাবিদ্যালয়খনত অধ্যয়নৰত শিক্ষাৰ্থীসকলৰ বৰ্তমানৰ চৰকাৰলৈ কাতৰে আহ্বান জনাই কয় যে এই দুৰ্ভগীয়া শিক্ষক-কৰ্মচাৰীসকলৰ পদসমূহ প্ৰাদেশীকৃত কৰি পৰম উপকাৰ কৰাৰ লগতে মহাবিদ্যালয়খনৰ শৈক্ষিক বাতাবৰণ সুস্থ কৰি তোলক। উল্লেখ্য যে কামৰূপ আৰু নলবাৰী জিলাৰ বৃহৎ অঞ্চল এটাক সামৰি উক্ত মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিছিল। অঞ্চলটোৰ অৰ্থনৈতিক অনগ্ৰসৰ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত গঢ়াৰ সপোনৰ থলি উক্ত মহাবিদ্যালয়ৰ শৈক্ষিক বাতাবৰণ সুস্থ কৰাৰ স্বাৰ্থত এই দুৰ্ভগীয়া শিক্ষক-কৰ্মচাৰীসকলৰ পদসমূহ নিয়মীয়া কৰাটো অতিপাত জৰুৰী। সেয়েহে অসম চৰকাৰক মহাবিদ্যালয়খনৰ উত্তৰণৰ স্বাৰ্থত এইসকল শিক্ষক-কৰ্মচাৰীৰ পদ প্ৰাদেশিকীকৰণ কৰাৰ বাবে শিক্ষাৰ্থীসকলৰ অভিভাৱক তথা সচেতন ৰাইজে দাবী জনাইছে।

## নগাঁৱত স্বাস্থ্য সম্পৰ্কীয় আলোচনা

বিশেষ সংবাদদাতা

**নগাঁও, ৬ মে’ ঃ** আয়ুৰসুন্দ্ৰা ছুপাৰ স্পেচিয়েলিটি হাস্পতালৰ উদ্যোগত আৰু আইএমএ নগাঁও শাখাৰ সহযোগত যোৱা চাৰি মে’ত নগাঁৱত চিকিৎসকসকলৰ মাজত এক ‘নিয়মীয়া স্বাস্থ্য শিক্ষা’ চমুকৈ চিএমই অনুষ্ঠিত হয়। নগাঁও চহৰৰ হোটেল নগাঁও পইণ্টত নগাঁৱৰ বিশিষ্ট চিকিৎসক ডাঃ বিৰিঞ্চি কুমাৰ বৰা আৰু ডাঃ বি এম আৰ খেদেৱীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত নিয়মীয়া স্বাস্থ্য শিক্ষা অনুষ্ঠানত হৃদ শল্য চিকিৎসক ডাঃ বিকাশ ৰায় দাস আৰু স্বায়ু শল্য চিকিৎসক ডাঃ চিমৰণজিৎ সিঙে বক্তব্য আগবঢ়ায়। অনুষ্ঠানত নগাঁৱৰ ২০ৰো অধিক জ্যেষ্ঠ আৰু কনিষ্ঠ চিকিৎসকে অংশগ্ৰহণ কৰে।

## এলেঙী সত্ৰত বিনামূলীয়া চিকিৎসা শিবিৰ

অগ্ৰদূত বাৰ্তা

**মেলামাটি, ৬ মে’ ঃ** মেলামাটি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত এলেঙী সত্ৰত প্ৰগতিশীল যুৱক সংঘৰ আতিথ্যত অলপতে এটা বিনামূলীয়া চিকিৎসা শিবিৰ সুকলমে সম্পন্ন হয়। তিতাবৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ ৰূপাঞ্জলী ফুকন আৰু বৰবাম চুঙী হাস্পতালৰ চিকিৎসক ডাঃ ঋষভ শৰ্মাই মেলেৰিয়া, ডেংগী আৰু এনকেফেলাইটিছ ৰোগৰ সজাগতাৰ বিষয়ে সমবেত ৰাইজক সজাগ হ’বলৈ আহ্বান জনায়। এই ক্ষেত্ৰত ল’বলগা সাৱধানতাৰ প্ৰসংগতো ব্যাখ্যা দাঙি ধৰে। এলেঙী সত্ৰৰ ৰাইজৰ উপৰি দাঁতি কাষৰীয়া গাঁৱৰ ৰাইজৰ উপস্থিতিত স্বাস্থ্য পৰীক্ষাৰ লগতে চিকিৎসা সেৱা আগবঢ়ায়। ৰোগীসকলক বিনামূলীয়া ঔষধ যোগান ধৰে। চিকিৎসকৰ লগত সহযোগ কৰে স্বাস্থ্যকৰ্মী শান্তনু দত্ত, মনোজ গগৈ, চন্দন শইকীয়া, পলাশ সন্দিকৈ , শিখা দুৱৰা, এএনএম পুণ্য সোণোৱাল, ৰূপা বৰা, মেলামাটি স্বাস্থ্য কেন্দ্ৰৰ পংকজ কুমাৰ শইকীয়া, বৰবাম চুঙী স্বাস্থ্য কেন্দ্ৰৰ সৌমেন্দ্ৰ বৰা, প্ৰশান্ত নেওগ প্ৰমুখ্যে কৰ্মীসকলে আন্তৰিক সহযোগ কৰে। প্ৰায়বিলাক ৰোগীৰে জ্বৰ-কাহ, ডিঙিৰ বিষ আদি ধৰা পৰে।

## খুমটাইত ৰেল দুৰ্ঘটনাত এজন নিহত

**খুমটাই, ৬ মে’ ঃ** গোলাঘাট জিলাৰ খুমটাই আৰক্ষী চকীৰ অন্তৰ্গত সেন্দূৰীটিং বাগিচা অঞ্চলত যোৱা নিশা সংঘটিত ৰেল দুৰ্ঘটনাত এজন লোকৰ মৃত্যু হয়। গুৱাহাটীৰ পৰা মৰিয়নিলৈ অহা এখন যাত্ৰীবাহী ৰেলৰ খুন্দাত খুমটাইৰ সেন্দূৰিটিঙৰ লেঙেৰা ভূমিজ নামৰ (৫৫) লোকজনে বজাৰ কৰি ঘৰলৈ আহোতে ৰেল পথ পাৰ হওঁতে ৰেলৰ খুন্দাত মৃত্যু হয় । উল্লেখ যে নিশা ৰেলৰ খুন্দাত চাইকেলসহ ব্যক্তিগৰাকী বহু দূৰত উফৰি পৰাৰ ফলত মৃত্যু হয় বুলি স্থানীয় লোকে সদৰী কৰিছে। পুৱা ৰাইজে ভূমিজৰ মৃতদেহ প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। ইফালে, ঘটনাস্থলীত খুমটাই আৰক্ষী আৰু ৰেল আৰক্ষী উপস্থিত হৈ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে গোলাঘাটলৈ প্ৰেৰণ কৰে ।

## মাজুলীত ১৪ মে’ত লোক আদালতৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ৬ মে’ ঃ** ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ নিৰ্দেশ মৰ্মে অন্য জিলাৰ লগতে মাজুলী জিলাতো জিলা আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত অহা ১৪ মে’ত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত কৰাৰ লগতে ১৩ মে’লৈ প্ৰাক্ ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ’ব। যিসকল লোকে প্ৰাক্ লোক আদালতত অংশগ্ৰহণ কৰা নাই, তেওঁলোকক প্ৰাক্ লোক আদালতত ভাগ ল’বলৈ আহ্বান জনাইছে। উক্ত আদালতত বিভিন্ন আপোচ যোগ্য ফৌজদাৰী গোচৰ, বিবাহজনিত গোচৰ, চেক বাউন্সৰ গোচৰ, যানবাহন আইন-১৯৮৮ অধীনৰ গোচৰসমূহ নিস্পত্তিৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰি বেংকৰ ঋণ আদায় সম্বন্ধীয়, বিজুলী বিল আদায় সম্বন্ধীয়, বিএছএনএল ফোনৰ বিল আদায় সম্বন্ধীয় প্ৰাক মোকৰ্দমা গোচৰসমূহো মীমাংসাৰ বাবে লোৱা হ’ব। ইতিমধ্যে মহকুমা ন্যায়িক দণ্ডাধীশ, মাজুলীৰ আদালতত চলি থকা গোচৰৰ বাদী-বিবাদীলৈ জাননী প্ৰেৰণ কৰা হৈছে। জাননীপ্ৰাপ্ত বাদী-বিবাদিসকল আদালতলৈ আহি প্ৰাক লোক আদালতত ভাগ লৈ নিজৰ গোচৰ মীমাংসা কৰিব পাৰিব। প্ৰাক লোক আদালত মীমাংসা হোৱা গোচৰৰ বাদী-বিবাদীক অহা ১৪ মে’ত অনুষ্ঠিত হ’বলগা ৰাষ্ট্ৰীয় লোক আদালতৰ দিনা দুয়ো পক্ষৰ সন্মতি লৈ গোচৰ নিষ্পত্তি কৰা হ’ব। লগতে প্ৰাক্ মোকৰ্দমা গোচৰৰ গ্ৰাহকসকলে উক্ত দিনৰ ভিতৰত নিজৰ বেংক, বিএছএনএল, এপিডিচিএলৰ শাখালৈ গৈ কৰ্তৃপক্ষৰ লগত মীমাংসাৰ আলোচনা কৰিব পাৰিব। আদালতৰ জাননী গ্ৰহণ নকৰা লোকে যদি আদালতৰ গোচৰ আৰু প্ৰাক মোকৰ্দমা গোচৰ নিষ্পত্তি কৰিব বিচাৰে তেনেহ’লে তলত উল্লেখ কৰা ফোন নম্বৰ অথবা মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ কাৰ্যালয়লৈ আহি যোগাযোগ কৰিব পাৰিব আৰু অনলাইন যোগাযোগ মাধ্যম হোৱাটছ এপ, ভিডিঅ’ কল আৰু গুগল মিট লিংক https://meetgoogle.com/wwu-mdit-gki ব্যৱহাৰ কৰি গোচৰ নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে। লোক আদালতৰ জৰিয়তে নিশ্‌পত্তি হোৱা গোচৰসমূহৰ ক্ষেত্ৰত পৰৱৰ্তী কোনো আপীল আদিৰ ব্যৱস্থা নাই। সেয়ে ৰাষ্ট্ৰীয় লোক আদালতত অংশগ্ৰহণ কৰি ন্যায় ব্যৱস্থা ত্বৰান্বিত কৰি তুলিবলৈ মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ অধ্যক্ষ মৃদুল কুমাৰ কলিতা (এ জে এছ) আৰু সচিব দেৱজ্যোতি ভূএগ (এ জে এছ)ই সকলোৰে প্ৰতি আহ্বান জনাইছে। সবিশেষ জানিবলৈ মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ ফ্ৰণ্ট অফিচ সমন্বয়কৰ ফোন নম্বৰ ৭০০২৭১৭১৪৩ অথবা ইমেইন ঐইডি disamajuli@gmail.comত যোগাযোগ কৰিব পাৰিব।

## দেৰগাঁৱৰ নাহৰণিত নাবালিকা ধৰ্ষণৰ গোচৰত গ্ৰেপ্তাৰ

**দেৰগাঁও, ৬ মে’ ঃ** ৰাজ্যত দৈনিক বৃদ্ধি পাবলৈ ধৰিছে যৌন নিৰ্যাতনৰ ঘটনা। তেনে এক ঘটনা সংঘটিত হৈছে দেৰগাঁৱত। নাবালিকা ধৰ্ষণৰ অভিযোগত দেৰগাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে এজন ৫০ৰ ঊৰ্দ্ধৰ ব্যক্তিক। অভিযুক্ত লোকজনৰ নাম বাবুল আলি খান। দেৰগাঁৱৰ নাহৰণিৰ মাজগাঁৱৰ উক্ত ব্যক্তিজনে ঘৰৰ সমীপৰ এগৰাকী নাবালিকাক বিভিন্ন প্ৰলোভন দি ধৰ্ষণ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। লোকজনৰ কৰ্মকাণ্ডৰ বিষয়ে নাবালিকাগৰাকীয়ে পৰিয়ালৰ লোকক অৱগত কৰাত লোকজনৰ বিৰুদ্ধে পিতৃ-মাতৃয়ে চোমণি আৰক্ষীয়ে চকীত এক গোচৰ তৰে। এই গোচৰৰ ভিত্তিত দেৰগাঁও আৰক্ষীয়ে এক গোচৰ ৰুজু কৰি কালি জেললৈ প্ৰেৰণ কৰে।



*তামুলপুৰত যোগমন্থন কেন্দ্ৰ মুকলি, শুকুৰবাৰে।*

### সামৰণি পৰিল টংলাৰ পলাহগড়ত ব’হাগী উৎসৱ

## ডেকা-গাভৰুৰ মাজতে জাতিৰ ভৱিষ্যৎ

অগ্ৰদূত বাৰ্তা

**টংলা, ৬ মে’ ঃ** ওদালগুৰি জিলাৰ টংলা চহৰৰ নিকটৱৰ্তী পলাহগড়ত সামৰণি পৰিল ব’হাগী উৎসৱৰ উদ্‌যাপন। পৰহিৰে পৰা আৰম্ভ হোৱা ব’হাগী উৎসৱৰ প্ৰথমদিনা পূব টংলা আঞ্চলিক সাংস্কৃতিক যুৱ মঞ্চৰ পতাকা উত্তোলন কৰে সভাপতি ৰাজীৱ শৰ্মাই। বিহু পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি হিমাংশু ৰাভাই। স্মৃতি তৰ্পণ কৰে জ্যোতিষী গোপাল দেৱ শৰ্মাই। কবিতা আবৃত্তি প্ৰতিযোগিতাত ‘ক’ শাখাৰ প্ৰথম কৃষ্ণাজ্যোতি শইকীয়া, দ্বিতীয় দিব্যজ্যোতি শইকীয়া, তৃতীয় ধনজিতা ডেকা, নিচুকনি তন্ময়ী শৰ্মা আৰু ‘খ’ শাখাত প্ৰথম দীপান্বিতা ডেকা, দ্বিতীয় ধনশ্ৰী ডেকা আৰু তৃতীয় স্থান লাভ কৰে দৰ্শন শৰ্মাই। আনহাতে, চিত্ৰশিল্পী অৰূপ বড়ো আৰু ৰঞ্জুল সূত্ৰধৰৰ দ্বাৰা পৰিচালিত চিত্ৰাংকণ প্ৰতিযোগিতাৰ ‘ক’ শাখাত প্ৰথম দাৰ্শনা সূত্ৰধৰ, দ্বিতীয় পাৰ্থপ্ৰতীম বৰুৱা আৰু তৃতীয় স্থান লাভ কৰে ভিতালী ডেকাই। নিচুকনি বঁটা লাভ কৰে নয়নতৰা ডেকা, নিলাঞ্জনা ডেকা আৰু যুৱৰাজ ডেকাই। ‘খ’ শাখাত প্ৰথম স্থান লাভ কৰে ধ্ৰুৱৰাজ কলিতা, দ্বিতীয় দাৰ্শনা শৰ্মা আৰু তৃতীয় স্থান লাভ কৰে অনন্নিতা শৰ্মাই, নিচুকনি বঁটা লাভ কৰে ৰাজদ্বীপ চহৰীয়া আৰু মধুমিতা বৰুৱাই। আনহাতে, ‘গ’ শাখাত প্ৰথম প্ৰিয়ম কল্পনা দাস আৰু দ্বিতীয় স্থান লাভ কৰে সঞ্জনা নোৱাৰে। আবেলি দাঁতাসকলৰ



সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানতে মুখপত্ৰ নিতু শৰ্মাৰ দ্বাৰা সম্পাদিত ‘কুলশী’ উন্মোচন কৰে বিশিষ্ট গল্পকাৰ তথা টংলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক জয়ন্ত কুমাৰ চক্ৰৱৰ্তীয়ে। উন্মোচনী ভাষণৰ প্ৰসংগত তেওঁ কয় যে নতুন চামৰ মাজত দেশ জাতিৰ ভৱিষ্যৎ নিৰ্ভৰ হৈ আছে আৰু এই ডেকা-গাভৰুৰ মাজতে ভৱিষ্যত লুকাই আছে। নতুন চামক নিষ্ঠা-সততাৰে জাতীয়তাবোধ বজাই ৰাখি সাহিত্য চৰ্চা কৰি জাতিটোক উচ্চস্তৰলৈ নিবলৈ আহ্বান জনায়। সন্ধিয়া মুকলি বিহু প্ৰতিযোগিতা উদ্বোধন কৰে ওদালগুৰি জিলা বিজেপিৰ সাধাৰণ সম্পাদক জয়কান্ত শৰ্মাই। মুকলি বিহুৰ ফলাফল অনুসৰি প্ৰথম শ্ৰেষ্ঠ বিহুৱা দল হিচাপে মঙলদৈৰ দৰঙী বিহুৱা দল, দ্বিতীয় শ্ৰেষ্ঠ বিহুৱা দল হিচাপে মঙলদৈৰ প্ৰগতি বিহুৱা দল, শ্ৰেষ্ঠ বিহুৱা দল হিচাপে মঙলদৈৰ দৰংগী বিহুৱা দল, দ্বিতীয় শ্ৰেষ্ঠ বিহুৱাতী মঙলদৈৰ প্ৰগতি বিহুৱা দল, শ্ৰেষ্ঠ তালবাদক হিচাপে কলাইগাঁৱৰ বিৰিণা বিহুৱা দলে স্থান লাভ কৰে।

আনহাতে, অন্তিম দিনাৰ কাৰ্যসূচী অনুসৰি সমূহীয়া চাফাই আৰু দিনৰ দুই বজাৰ পৰা অনুষ্ঠিত হয় শিশু আৰু চেমনীয়াৰ বিহু নৃত্য প্ৰতিযোগিতা। সন্ধিয়া সাত বজাৰ পৰা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।

## ডাউন টাউন বিশ্ববিদ্যালয়ৰ ছাত্ৰী শেৱালি সোণোৱালৰ দুৰ্ঘটনাত মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা

**চিলাপথাৰ, ৬ মে’ ঃ** ধেমাজি জিলাৰ চিমেন চাপৰি আৰক্ষী থানাৰ অন্তৰ্গত ডেপাপাম উদয়পুৰ গাঁৱৰ প্ৰয়াত দুলেশ্বৰ সোণোৱাল আৰু গোপালী সোণোৱালৰ কন্যা তথা গুৱাহাটীৰ ডাউন টাউন বিশ্ববিদ্যালয়ৰ দুৰ্যোগ প্ৰশমন বিভাগৰ ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰী শেৱালি সোণোৱালৰ কালি দুৰ্ঘটনাত পতিত হৈ মৃত্যু হয়। গুৱাহাটীৰ পানীখাইটি অঞ্চলৰ এটা ভাড়াঘৰত থাকি ডাউন টাউন বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি থকা মেধাৱী ছাত্ৰীগৰাকীয়ে পুৱা ১০-৩০ মান বজাত এখন দোকানৰ পৰা ৰন্ধন গেছ চিলিণ্ডাৰ আনিবলৈ ৰেল পথ পাৰ হ’বলৈ লওঁতে ৰেল খুন্দিওৱাৰ ফলত খিতাতে ছাত্ৰীগৰাকীৰ মৃত্যু হয়। জি এম চি হাস্পতালত মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰি ছাত্ৰীগৰাকীৰ মৃতদেহ নিজা বাসগৃহ জোনাই মহকুমাৰ ডেকাপাম উদয়পুৰ গাঁৱলৈ আনে। ২০১৭ত ডেকাপাম হাইস্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত ২০১৯ত পশ্চিম জোনাই কনিষ্ঠ মহাবিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটীৰ ডাউন-টাউন বিশ্ববিদ্যালয়ৰ দুৰ্যোগ প্ৰশমন বিভাগত নামভৰ্তি কৰিছিল। অকাল মৃত্যুক সাৱটি লোৱা শেৱালিৰ মৃত্যুত সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ উপ-মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱাল, সোণোৱাল কছাৰী জাতীয় পৰিষদৰ সচিব প্ৰধান চন্দন সোণোৱাল, সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ সভাপতি দেৱানন্দ চেলেং, সাধাৰণ সম্পাদক ৰাজু সোণোৱাল, ধেমাজি জিলা সমিতিৰ সভাপতি পৰীক্ষিত সোণোৱাল, সাধাৰণ সম্পাদক চন্দন কছাৰী, সাংঠনিক সম্পাদক ধৰ্মেন্দ্ৰ সোণোৱাল, ধেমাজি জিলা সোণোৱাল কছাৰী জাতীয় পৰিষদৰ সভাপতি ক্ষীৰোদ সোণোৱাল, সচিব দিব্যজ্যোতি ডেকাবৰুৱা, উপদেষ্টা তোলন সোণোৱালে গভীৰ শোক প্ৰকাশ কৰিছে।

## পাঁচ বছৰে মুকলি নহ’ল কলাকুছি উপ-স্বাস্থ্য কেন্দ্ৰ

### ■ স্বাস্থ্য বিভাগৰ অদূৰদৰ্শিতাৰ বাবে নৱনিৰ্মিত এখন স্বাস্থ্য কেন্দ্ৰ পৰিত্যক্ত অৱস্থাত পৰিণত

অগ্ৰদূত বাৰ্তা

**ঠেলামৰা, ৬ মে’ ঃ** ঢেকিয়াজুলি নৱনিৰ্মিত এটা উপ-স্বাস্থ্য কেন্দ্ৰ সম্প্ৰতি পৰিত্যক্ত অৱস্থাত পৰিণতি হৈছে বিভাগীয় অবহেলাৰ বাবে। শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি বিধানসভা সমষ্টিৰ অন্তৰ্গত কলাকুছিৰ নৱ নিৰ্মিত কলাকুছি উপ-স্বাস্থ্য কেন্দ্ৰটো একমাত্ৰ বিভাগীয় কৰ্তৃপক্ষৰ হেমাহিৰ ফলত বিগত পাঁচ বছৰে বছৰে নহ’ল কাৰ্যক্ষম। কলাকুছি স্বাস্থ্য কেন্দ্ৰ বিগত পাঁচ বছৰে কাৰ্যক্ষম হৈ নুঠাত ইয়াৰ আচবাব সমূহ এপদ-দুপদকৈ জৰাজীৰ্ণ হোৱাৰ লগতে পৰিত্যক্ত অৱস্থাত পৰিণত হৈছে। উল্লেখ্য বিগত ২০১৮ত স্বাস্থ্য বিভাগে কে’বালাখ



টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা নৱ নিৰ্মিত কলাকুছি উপ-স্বাস্থ্য কেন্দ্ৰটিত এতিয়া কেৱল তলা ওলমিছে। অঞ্চলটোৰ লোকসকলৰ স্বাস্থ্য সেৱা প্ৰদান কৰাৰ বাবে ২০১৮তে নিৰ্মাণ সম্পূৰ্ণ হোৱা নৱনিৰ্মিত উপ-স্বাস্থ্য কেন্দ্ৰটোৰ অৱস্থাৰ খবৰ লবলৈ আহৰি নাই স্বাস্থ্য বিভাগৰ বিষয়াৰ। ফলত গৰু-ছাগলীৰ চৰণীয়া পথাৰত পৰিণত হৈছে স্বাস্থ্য কেন্দ্ৰটিৰ চৌহদ। ইপিনে, স্বাস্থ্য কেন্দ্ৰটোৰ দৰ্জা খিৰিকী, আদিও ভাঙি যোৱা উপক্ৰম হৈছে। এই ক্ষেত্ৰত অঞ্চলটোৰ স্থানীয় ব্যক্তি আব্দুল ৰৌফ, এম আব্বাছ আলীয়ে বিভাগীয় কৰ্তৃপক্ষৰ তীব্ৰ ক্ষোভ উজাৰি শীঘ্ৰে স্বাস্থ্য কেন্দ্ৰটি কাৰ্যক্ষম কৰাৰ দাবী জনাছে।

### ■ আজিও অৰ্ধনিৰ্মিত হৈ আছে ডিমৌ চাৰিআলিৰ নিৰ্মীয়মাণ উৰণীয়া সেতু

# ৰাষ্ট্ৰীয় পথ নিৰ্মাণ কামৰ লেহেমীয়া গতি

অগ্ৰদূত বাৰ্তা, ডিমৌ, ৬ মে' ঃ কেন্দ্ৰীয় চৰকাৰৰ আঁচনিয়ে ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথ চাৰিলেনযুক্ত পথলৈ সম্প্ৰসাৰণৰ অভিলাষী প্ৰকল্পৰ কাম এতিয়া ৰাজ্যত প্ৰহসনলৈ পৰিণত হৈছে। শিৱসাগৰ জিলাৰ সীমামূৰীয়া জাঁজীৰ পৰা ডিমৌ লৈ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় পথ নিৰ্মাণৰ নামত যোৱা পাঁচটা বছৰত নিৰ্মাণকাৰী প্ৰতিষ্ঠানবোৰৰ কামৰ নমুনা আৰু শামুকীয়া গতিয়ে চকু কপালত তুলিছে জনসাধাৰণৰ। উজনিৰ বিভিন্ন স্থানত ৩৭নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথটোৰ দুৰৱস্থা আৰু চাৰিলেন পথ নিৰ্মাণৰ শামুকীয়া গতিৰ সমান্তৰাল লৈ পথটোৰ ওপৰত হোৱা দ দ পুখুৰী সদৃশ গাঁতে যাতায়াত ব্যৱস্থাক দুৰ্বিষহ কৰি তুলিছে। শিৱসাগৰৰ পৰা জাঁজীলৈকে ৩৭নম্বৰ ৰাষ্ট্ৰীয় পথছোৱাত ১০ শতাংশ চাৰিলেনৰ কাম নোহোৱাৰ সময়তে ৰাষ্ট্ৰীয় পথ প্ৰাধিকৰণৰ অধীনত পথ নিৰ্মাণ কৰিবলৈ অহা নিৰ্মাণকাৰী প্ৰতিষ্ঠানৰ কোনো এটাৰো কামক লৈ তিলমানো সন্তোষ্ট নহয় ৰাষ্ট্ৰীয় পথটোৰ দুয়োপাৰে বসবাস কৰা জনসাধাৰণ। বিগত সময়ত বিভিন্ন স্থানত মাটি ভৰোৱা, কালভৰ্ট নিৰ্মাণ কৰা আদি কামৰ অধিকাংশই অসম্পূৰ্ণ কৰি ৰখা ঠিকাদাৰী প্ৰতিষ্ঠানবোৰে চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় পথৰ নামত কাৰ্যত যাতায়ত আৰু যোগাযোগৰ ক্ষেত্ৰত অভাৱনীয় বিপদ আৰু দুৰ্যোগৰ মাজলৈ থেলি দিছে যান-বাহনৰ চালক আৰু যাত্ৰীসকলক ।এনে দুৰ্যোগ আৰু বিপদজনক যাতায়ত ব্যৱস্থাই বিশেষকৈ ৰাষ্ট্ৰীয় পথটোত যান-বাহনৰ চালকসকলক ভীষণ হাৰাশাস্তি প্ৰদান কৰি অহাৰ সময়তে দিছাং ৰজাবাৰীৰ পৰা ডিমৌলৈকে পথ নিৰ্মাণকাৰী জি ডি চি এল নামৰ প্ৰতিষ্ঠানটোৰ কৃপাত সম্প্ৰতি চকুৰে ধোঁৱলি-কুঁৱলি দেখিছে গাড়ী চালক আৰু যাত্ৰীসকলে। জি ডি চি এল প্ৰতিষ্ঠানটোৱে ডিমৌত ৰাষ্ট্ৰীয় পথ সম্প্ৰসাৰণৰ ডিমৌ মধুপুৰ, মছকৰা পথছোৱাই অতি জঘন্য ৰূপ ধাৰণ কৰিছে। নিৰ্মাণকাৰী প্ৰতিষ্ঠানটোৱে ডিমৌ চাৰিআলিৰ মাজমজিয়াত নিতাই আৰু কলেজৰোডক সংযোগ কৰিবলৈ চূড়ান্ত দায়িত্বহীনতাৰ পৰিচয় দি উৰণীয়া সেতু নিৰ্মাণৰ নামত অবিজ্ঞানসন্মতভাৱে নিমাৰ্ণ কৰাত ভীষণ হাৰাশাস্তিৰ সন্মুখীন হৈছে পথচাৰীসকল। আজিৰ পৰা চাৰিটা বছৰৰ পূৰ্বে উক্ত স্থানত উৰণীয়া সেতুখন নিৰ্মাণকাৰ্য আধৰুৱা কৰি থোৱাৰ পাছতো নিৰ্মাণ কাৰী প্ৰতিষ্ঠানটোৱে আজি পৰ্যন্ত কোনো কামৰ অগগ্ৰতি নোহোৱাত স্বাভাৱিকতে ৰাইজৰ মাজত বিভিন্ন প্ৰশ্নৰ অৱতাৰণা হৈছে। ব্যস্ততাপূৰ্ণ ৰাষ্ট্ৰীয় পথটোৰ ডিমৌ চাৰিআলিৰ অংশছোৱা পাৰ হওঁতে গাড়ী চালকসকলে বহুতো পৰিস্থিতিৰ মাজেৰে অতিক্ৰম কৰিব লগা হৈছে। ৰাষ্ট্ৰীয় পথ উন্নীতকৰণৰ নামত যাতায়তী দুৰ্যোগ জাপি দিয়া জি ডি চি এল প্ৰতিষ্ঠানটোৰ কামৰ বিসংগতি আৰু নিম্নমানৰ কামৰ বাবেই যোৱা দিনবোৰত বিশেষকৈ দিছাং ৰজাবাৰীৰ পৰা ডিমৌৰ দিহাজানলৈকে ঘাইপথেদি যাতায়ত কৰা যাত্ৰীসকলে যমৰ যান্ত্ৰনা ভোগ কৰিবলগীয়া হৈছে।



## কমাৰবন্ধা বিদ্যুৎ উপ-কেন্দ্ৰৰ বিদ্যুতৰ লুকা-ভাকু

অগ্ৰদূত বাৰ্তা

**আঠখেলীয়া, ৬ মে' ঃ** গোলাঘাট জিলা বিদ্যুৎ বিভাগৰ অন্তৰ্গত কমাৰবন্ধা বিদ্যুৎ উপ-কেন্দ্ৰৰ কৰ্মচাৰীসকলৰ অবহেলা অঞ্চলটোত সৃষ্টি হোৱা বিদ্যুতৰ লুকা-ভাকুত অতিষ্ঠ হৈছে। বিদ্যুৎ উপ-কেন্দ্ৰটোৰ পৰাই পূব গোলাঘাটৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীআঠখেলীয়া নামঘৰৰ লগতে বৃহত্তৰ আঠখেলীয়া অঞ্চল, কমাৰবন্ধা, চিকিটিং, বৰজান, গটঙা, কছাৰীহাট ইত্যাদি এক বৃহৎ অঞ্চলত বিদ্যুতৰ যোগান ধৰা হয়। যোৱা ফেব্ৰুৱাৰীৰ পৰা অদ্যপৰিমিত এই বৃহৎ অঞ্চলটোত উপ-কেন্দ্ৰটোৱে প্ৰয়োজন অনুপাতে সময় মতে বিদ্যুতৰ যোগান নধৰি জনতাক বিপদত পেলোৱাৰ অভিযোগ উঠিছে। ৰাইজে জনোৱা মতে, এই বৃহৎ অঞ্চলটোত সন্ধিয়া পাছৰ পৰা বিগত দুই-তিনি মাহ ধৰি বিদ্যুতৰ লুকা-ভাকু আৰম্ভ হয় আৰু ৰাতি প্ৰায় ১০-১১ বজাৰ পৰা বিদ্যুৎ যোগান নিয়মীয়া হয়। আনকি, সাধাৰণ এজাক বৰষুণ হ'লেও বিদ্যুতৰ অভাৱত বিদ্যালয়ত পঢ়ি থকা ছাত্ৰ-ছাত্ৰী, চকুৰ ৰান্ধনীয়ে বিদ্যুৎ আহক লাইট জ্বলক কৈ অপেক্ষা কৰি কৰি ভাগৰি পৰাৰ সদৃশ অৱস্থা হৈছে। সাধাৰণ জনতাই প্ৰকাশ কৰা মতে বিদ্যুৎ উপ-কেন্দ্ৰটোৰ লগত সংযুক্ত ক্ষুদ্ৰৰ পৰা বৃহৎ বৃহৎ চাহপাত ফেক্টৰীসমূহত বিভাগটোৱে সন্ধিয়াৰ পৰাই বিদ্যুৎ যোগান ধৰাৰ ফলতে কেন্দ্ৰটোৰ অধীনস্থ অন্যান্য অঞ্চলত বিদ্যুতৰ লুকা-ভাকু আৰম্ভ হয় আৰু যাৰ ফলত বৰ্ধিত মূল্যত বিদ্যুৎ মাচুল ভৰাৰ পাছতো জনতাই বিদ্যুতৰ বাবে জীয়াতু ভুগিবলগীয়া হৈছে।

## যোৰহাট প্ৰেছ ক্লাবত অসম ৰাজ্যিক সাংবাদিক সন্থাৰ প্ৰতিষ্ঠা দিৱসৰ আয়োজন

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ৬ মে' ঃ** অসম ৰাজ্যিক সাংবাদিক সন্থাৰ নৱম প্ৰতিষ্ঠা দিৱস যোৰহাট প্ৰেছ ক্লাবত অহা ১০ মে'ত দিনজোৰা কাৰ্যসূচীৰে যোৰহাট জিলা সাংবাদিক সন্থাৰ সহযোগত আয়োজন কৰা হৈছে। পুৱা পতাকা উত্তোলন কৰিব অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সভাপতি জিতু শৰ্মা ৰাজখোৱাই। স্মৃতিতৰ্পণ কৰিব যোৰহাট জিলা সাংবাদিক সন্থাৰ সভাপতি ৰামপ্ৰসাদ ফুকনে। যোৰহাট জিলা উপায়ুক্ত অশোক কুমাৰ বৰ্মনে মুকলি সভা উদ্বোধন কৰা সভাত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিব শিৱসাগৰৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমাৰজ্যোতি মহন্ত আৰু জ্যেষ্ঠ সাংবাদিক শাংকৰ কৌশিক বৰুৱাই। বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব যোৰহাট জিলাৰ অতিৰিক্ত উপায়ুক্ত দামোদৰ বৰ্মন আৰু যোৰহাট জিলা তথ্য আৰু জনসংযোগ বিষয়া শৰাদী গগৈয়ে। কাৰ্যসূচীত অসমৰ প্ৰতিখন জিলাৰ ৰাজ্যিক সাংবাদিক সন্থাৰ অন্তৰ্ভুক্ত সদস্য-সদস্যাসকলক সকলো কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনোৱাৰ লগতে সভাৰ বিষয়ে বিশেষ জানিবলৈ সন্থাৰ সাধাৰণ সম্পাদক ৰাতুল বৰাৰ ম'বাইল নম্বৰ ৯৯৫৪৫৫২৯১১ত যোগাযোগ কৰিব পাৰিব বুলি প্ৰকাশ কৰিছে।



*খুমটাইৰ ভোলাগুৰি গাঁৱৰ বিধ্বস্ত পথ।*

## তিনিচুকীয়া জিলা উন্নয়ন আয়োগৰ বৈঠক সম্পন্ন

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ৬ মে' ঃ** তিনিচুকীয়া জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি জিলা উন্নয়ন আয়োগৰ মে'ৰ বৈঠক সম্পন্ন হয়। উপায়ুক্ত নৰসিং পৰাৰৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত জিলাখনৰ সকলো উন্নয়নী বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে। বৈঠকত জিলা উপায়ুক্ত পৰাৰে জিলাখনৰ কেইটা উন্নয়ন খণ্ডৰ অধীনত প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)ৰ অগ্ৰগতিৰ বুজ লয়।

### বিভিন্ন বিভাগৰ উন্নয়নমূলক আঁচনিৰ অগ্ৰগতিৰ সবিশেষ পৰ্যালোচনা

প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ ধন অপব্যয় কৰা হিতাধিকাৰিসকলৰ বিৰুদ্ধে তাৎক্ষণিতভাৱে কঠোৰ আইনী ব্যৱস্থা ল'বলৈ সংশ্লিষ্ট বিভাগসমূহক নিৰ্দেশ দিয়ে। আনহাতে, এম জি এনৰেগাৰ অধীনত জিলাখনৰ উন্নয়ন খণ্ডসমূহত চলি থকা কাম-কাজৰো খতিয়ান লয়। আজিৰ বৈঠকত জিলা উপায়ুক্তই শিক্ষা বিভাগৰ স'তে জিলাখনৰ বিদ্যালয় তথা অংগনৱাড়ী কেন্দ্ৰসমূহত খোৱাপানী যোগান, বিজুলী সংযোগ তথা শৌচাগাৰৰ সুবিধা আদিৰ বিষয়ে বিতংভাৱে আলোচনা কৰে। বিদ্যালয়সমূহত বিজুলী সংযোগ তথা খোৱাপানীৰ ব্যৱস্থা সুনিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে। বৈঠকত উপায়ুক্ত নৰসিং পৰাৰে কৃষি, মীনপালন, পশুপালন, হস্ততাঁত-বস্ত্ৰশিল্প, ৰেচম, জলসিঞ্চন, জনস্বাস্থ্য-কাৰিকৰী, জলসম্পদ, লোকনিৰ্মাণ পথ তথা গৃহ আদি বিভাগৰ বিভাগীয় আঁচনিৰ কাম-কাজৰো অগ্ৰগতিৰ বুজ লয়। আজিৰ বৈঠকত জিলা উন্নয়ন আয়ুক্ত নয়নজ্যোতি ভাগৱতী, অতিৰিক্ত উপায়ুক্ত ক্ৰমান্বয়ে মনজিৎ বৰকাকতি, ছৰফ্ৰাজ হক প্ৰমুখ্যে জিলাখনৰ কেউটা ৰাজহ চক্ৰৰ চক্ৰ বিষয়াসকল উপস্থিত থাকে।

## কামপুৰত মৃতকৰ পৰিয়ালৰ খবৰ ল'লে বিধায়কে

অগ্ৰদূত বাৰ্তা

**কামপুৰ, ৬ মে' ঃ** কামপুৰ ৰাজহ চক্ৰৰ কাৰ্যালয়ৰ চৌহদত যোৱা ২৫ এপ্ৰিলত ভূ-মাফিয়া যুগল ৰাজবংশী ওৰফে ভকুৱে কামপুৰ মাজৰআটী গাঁৱৰ নিৰোদ বৰা নামৰ লোকজনৰ আক্ৰমণ কৰাৰ পাছত মৃত্যু হোৱা ঘটনাটোৱে বৰ্তমানেও অঞ্চলটোত এক চেপা উত্তেজনাৰ সৃষ্টি হৈ আছে। ভূমিকেন্দ্ৰিক সংঘাতৰ বাবেই সংঘটিত হৈছিল উক্ত ঘটনাটো। আজি বৰাৰ পৰিয়ালত উপস্থিত হয় বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী। বিধায়কজনে সমগ্ৰ ঘটনাৰ বুজ লৈ যুগল ৰাজবংশীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'ব বুলি পৰিয়ালটোক আশ্বাস প্ৰদান কৰে। স্থানীয় একাংশ লোকে ভূ-মাফিয়াজন কোনো কাৰণত আইনৰ সুৰুঙা লৈ মুকলি আকাশৰ তললৈ ওলাই আহিব নোৱাৰে তাৰ ব্যৱস্থা কৰিবলৈ বিধায়কজনে আহ্বান জনায়।

## কলিতা জনগোষ্ঠী সন্মিলন অসমৰ শপত গ্ৰহণ অনুষ্ঠান, কাৰ্যনিৰ্বাহক সভা আহ্বান

অগ্ৰদূত বাৰ্তা

**যোৰহাট, ৬ মে' ঃ** কলিতা জনগোষ্ঠী সন্মিলন অসমৰ ২০২২-২৪ৰ বাবে নৱগঠিত কাৰ্যনিৰ্বাহক সমিতিৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা আৰু শপত গ্ৰহণ অনুষ্ঠান অহা ১৫ মে'ত পুৱা ১১ বজাৰ পৰা কামৰূপ জিলাৰ শুৱালকুছিৰ বালিচৰৰ 'শুৱালকুছি কলিতা মন্দিৰ' প্ৰংগণত অনুষ্ঠিত হ'ব। কলিতা জনগোষ্ঠী সন্মিলন অসমৰ কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন সম্পাদক মৃণাল দত্তই এই কথা সদৰী কৰিছে। সভাত কলিতা জনগোষ্ঠী সন্মিলন অসমৰ কেন্দ্ৰীয় সমিতিৰ পুৰণি আৰু নৱনিৰ্বাচিত সকলো বিষয়ববীয়া আৰু কাৰ্যনিৰ্বাহক সদস্য-সদস্যাৰ লগতে জিলা সমিতিৰ সভাপতি, সম্পাদকসকলৰ সহায়-সহযোগিতা তথা উপস্থিতি কামনা কৰিছে কলিতা জনগোষ্ঠী সন্মিলন অসমৰ কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন সম্পাদক দত্তই।

## চিলাপথাৰত জব্দ বৃহৎ পৰিমাণৰ চোৰাং পেট্ৰ'ল ঃ এজনক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**চিলাপথাৰ, ৬ মে' ঃ** ধেমাজি জিলাৰ চিলাপথাৰৰ আৰক্ষী থানাৰ সমীপৰ বামগাঁৱত কালি আবেলি আৰক্ষীয়ে এক বিশেষ খবৰৰ ভিত্তিত অভিযান চলাই প্ৰায় ১৪শ লিটাৰ চোৰাং পেট্ৰ'লসহ এ এছ ২০/চিচি-৬০৬২ নম্বৰ এখন বলেৰ' পিকআপ জব্দ কৰে। লগতে পেট্ৰ'লিয়াম এক্ট ১৯০৪ৰ অধীনত ভাৰতীয় দণ্ড বিধিৰ ৩৭৯/৪১১ আৰ/এন ২০ ধাৰাত চিলাপথাৰ আৰক্ষী থানাৰ ৮৭/২০২২ নম্বৰত গোচৰ পঞ্জীয়ন কৰি বামগাঁৱৰ দিলীপ বৰগোহাঁইৰ পুত্ৰ হেম বৰগোহাঁই (৩৪)ক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰাৰ লগতে আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে। উল্লেখ্য যে চিলাপথাৰ অঞ্চলৰ বিভিন্ন প্ৰান্তত এনে বহু চোৰাং পেট্ৰ'লৰ ব্যৱসায় চলি আছে যাৰ কোনো উপযুক্ত নথিপত্ৰ নাই। আৰক্ষীয়ে উচিত তদন্ত কৰি এই চোৰাং পেট্ৰ'ল ব্যৱসায়ীচক্ৰক উৎখাত কৰিবলৈ স্থানীয় ৰাইজে আহ্বান জনাইছে।

## মেলামাটিত ঈদ পালন বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**মেলামাটি, ৬ মে' ঃ** তিতাবৰ সমষ্টিৰ মেলামাটিত ইছলাম ধৰ্মাৱলম্বী লোকসকলে ৰমজানৰ ৰোজাৰ শেষত মেলামাটিৰ ঈদগাহ ময়দানত উলহ-মালহেৰে ঈদ পালন কৰে। উল্লেখ্য যে অঞ্চটোৰ ১০ জন বিশিষ্ট ব্যক্তিক ঈদৰ পৱিত্ৰ দিৱটোত তেওঁলোকে সম্বৰ্ধনা জনায়। ঈদৰ দিনটোত মেলামাটিৰ তিনিআলিত ইছলাম ধৰ্মৰ লোকসকলে ঈদ উপলক্ষে পথচাৰী সকলো লোককে চৰবত আৰু বিভিন্ন তৰহৰ মিঠাই খুৱাই ঈদৰ সম্ভাষণ জনায়। প্ৰেম আৰু ভ্ৰাতৃত্ববোধৰ নিদৰ্শন হবিবুৰ ৰহমান আৰু সম্পাদক মকচুদ আলমে ঈদৰ সমূহীয়া ব্যাখ্যা আগবঢ়ায়। দুই হেজাৰৰ অধিক ইছলাম ধৰ্মৰ লোকে মেলামাটিৰ সমূহীয়া নামাজত অংশগ্ৰহণ কৰে। সমূহীয়া দোৱা কৰে হাফিজ মৌলানা ইনামূল হুদা নদবীয়ে।

## কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুনগাঁও, ৬ মে' ঃ** দশম বাৰ্ষিক এলেংমুৰীয়া কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱ কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে গোলাঘাট ঢেকীয়ালৰ এলেংমুৰীয়া সাংস্কৃতিক মঞ্চত অনুষ্ঠিত হব। তদুপলক্ষে বিহু পতাকা উত্তোলন, স্মৃতি তৰ্পন, আদি কাৰ্যসূচীৰ লগতে সৰু বিহুৱতী, সৃষ্টিশীল নৃত্য, জেংবিহু, চিত্ৰাংকন, বিয়ানাম এক প্ৰতিযোগিতা অনুষ্ঠিত হব। উদ্‌যাপন সমিতিৰ সভাপতি ৰন্তু দত্ত, কাৰ্যকৰী সভাপতি আদিত্য দত্ত, সম্পাদকদ্বয় অংকুৰজ্যোতি হাজৰিকা আৰু প্ৰাণ কৃষ্ণ দত্তই ৰাইজৰ উপস্থিতি কামনা কৰিছে।

## এন আৰ এলৰ নগৰাঞ্চলত নাহৰফুটুকীৰ মুক্ত বিচৰণ

অগ্ৰদূত বাৰ্তা

**নুমলীগড়, ৬ মে' ঃ** নুমলীগড় শোধনাগাৰৰ নগৰাঞ্চলত বনৰীয়া হাতীৰ পাছত এতিয়া এটা নাহৰফুটুকীৰ মুক্ত বিচৰণে আতংকিত কৰিথে ৰাইজক। নগৰাঞ্চলৰ গাতে লাগি থকা দেওপাহাৰৰ পৰা ওলাই আহি নগৰাঞ্চলৰ সেউজ অঞ্চলত প্ৰৱেশ কৰে। আজি কিছুদিনৰ পূৰ্বে বনৰীয়া হাতীয়ে প্ৰৱেশ কৰি উপদ্ৰৱ চলোৱাৰ পাছত আজি পুনৰ এটা নাহৰফুটুকী প্ৰত্যক্ষ কৰে ৰাইজে।

## মিৰ্জাৰ এলআইচি কাৰ্যালয় সোণতলা বৰকুছিলৈ স্থানান্তৰ

অগ্ৰদূত বাৰ্তা

**পলাশবাৰী, ৬ মে' ঃ** দক্ষিণ কামৰূপৰ মিৰ্জাস্থিত লাইফ ইঞ্চুৰেঞ্চ কৰ্পৰেছন অফ ইণ্ডিয়া কাৰ্যালয়টো মিৰ্জাৰ সমীপৰ সোণতলা বৰকুছিলৈ কালি স্থানান্তৰ কৰা হয়। নতুনকৈ সজাই পৰাই তোলা এলআইচি কাৰ্যালয়টো উদ্বোধন কৰে ছাব ডিভিছনেল পৰিচালক টিএন ভুটিয়াই। ভুটিয়া উদ্বোধন কৰি কয় যে, মিৰ্জাত থকা কাৰ্যালটো সৰু হোৱা বাবে কৰ্মচাৰীসকলৰ লগতে গ্ৰাহকসকলৰো বিভিন্ন অসুবিধাৰ সৃষ্টি হয়। সেয়েহে এই কাৰ্যালয়টো মিৰ্জাৰ পৰা সোণতলালৈ স্থানান্তৰ কৰা হৈছে। এই নতুন কাৰ্যালয়টো ডাঙৰ আৰু কৰ্মচাৰীৰ লগতে গ্ৰাহকসকলে প্ৰিমিয়াম দিয়াত সহায়ক হ'ব। যিহেতু বিগত বৰ্ষবোৰৰ তুলনাত গ্ৰাহক লগতে কৰ্মচাৰীৰ সংখ্যাও বৃদ্ধি হৈছে। সেয়েহে নতুন কাৰ্যালয়ত নতুন উদ্যমেৰে কাম কৰি গ্ৰাহকসকলক সহায় কৰাত সুবিধা হ'ব বুলি কয় পৰিচালন সঞ্চালক ভুটিয়াই। উক্ত কাৰ্যসূচীত মাৰ্কেটিং পৰিচালক নিলাদ্ৰী মজুমদাৰ, কাৰ্যালয় সেৱা গুৱাহাটীৰ মণ্ডলৰ বাবুল কুমাৰ নাগ, মিৰ্জাৰ জ্যেষ্ঠ শাখা প্ৰৱন্ধক শ্যামল কুমাৰ পাল, কাৰ্যালয়টোৰ কৰ্মচাৰীসকল লগতে এলআইচিৰ বহু সংখ্যক এজেণ্ট উপস্থিত থাকে।

## ভেৰভেৰী আঞ্চলিক লক্ষ্মী মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা

বিশেষ সংবাদদাতা

**নগাঁও, ৬ মে' ঃ** নগাঁও জিলাৰ ভেৰভেৰী অঞ্চলৰ বিশ্বৰ সৰ্ববৃহৎ লিংগাকাৰ মহামৃত্যুঞ্জয় মন্দিৰৰ নিচেই কাষতে কালি নৱনিৰ্মিত লক্ষ্মী মন্দিৰত প্ৰাণ প্ৰতিষ্ঠা কৰা হয়। সেই উপলক্ষে পুৱাৰ পৰা হৰিনামৰ ধ্বনিৰে মুখৰ হৈ পৰে সমগ্ৰ ভেৰভেৰী অঞ্চল। কাৰ্যসূচী অনুসৰি, পুৱা পতাকা উত্তোলন কৰে মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি মুকুল শইকীয়াই। ইয়াৰ পাছতেই অঞ্চলৰ আয়তীসকলৰ দ্বাৰা গোমোঠা গাঁৱৰ কলঙৰ পাৰৰ পৰা জলাৰোহণ কৰা হয়। দিনৰ ১১ বজাত দেৱীৰ প্ৰতিমা প্ৰতিষ্ঠাৰ লগতে পূজা ও হোম-যজ্ঞ অনুষ্ঠিত হয়। প্ৰসাদ ভোগ বিতৰণৰ পাছত বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীৰ উপস্থিতিত এখন সভা অনুষ্ঠিত হয়। বিধায়কজনে নৱনিৰ্মিত মন্দিৰটোলৈ আৰ্থিক সাহায্যৰ প্ৰদান কৰাৰ কথা ঘোষণা কৰে। সভাত হালোৱাগাঁও পঞ্চায়তৰ সভাপতি, আঞ্চলিক পঞ্চায়তৰ সদস্যসকল উপস্থিত থাকে। সন্ধিয়ালৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পাছত আমন্ত্ৰণ কৰা দিহানামৰ দলে দিহানাম পৰিৱেশন কৰে। উল্লেখ্য যে অঞ্চলৰ উদীয়মান যুৱকসকলৰ লগতে সমগ্ৰ ভেৰভেৰী অঞ্চলৰ সকলো ৰাইজৰ দান-বৰঙণিৰে আটকধুনীয়াকৈ মন্দিৰ ভাগ সজাই তোলা হৈছে।

## ৰাণী বনাঞ্চলিক কাৰ্যালয়ৰ উদ্যোগত শতাধিক গছপুলি ৰোপণ



অগ্ৰদূত বাৰ্তা

**আজাৰা, ৬ মে' ঃ** পূব কামৰূপ বন সংমণ্ডলৰ অন্তৰ্গত সেউজীয়া ৰাণীৰূপে পৰিচিত প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপুৰ ৰাণী বনাঞ্চলক আৰু অধিক সেউজীয়াকৰণ লক্ষ্যৰে তথা পৰিৱেশ ভাৰসাম্যতা ৰক্ষা কৰাৰ উদ্দেশ্যৰে ৰাণী বনাঞ্চলিক কাৰ্যালয়ৰ উদ্যোগত আজি এক বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পূ ব কামৰূপ বন সংমণ্ডলৰ ডি এফ অ' ৰোহণী বল্লৱ শইকীয়া , সহকাৰী বন সংৰক্ষক গোলাপ কুমাৰ বণিয়া, ৰাণী বন বিষয়া জয়ন্ত গোস্বামী , পলাশবাৰী বন বিষয়া বব খ্ৰীষ্টি কুটিম, লখৰা বন বিষয়া বিৰ্তি ইংটিপি, স্থানীয় সমাজ সেৱক অপূৰ্ব গোস্বামী, বনকৰ্মীৰ দল, ব্যৱসায়ী ক্ৰমে অনিল গোস্বামী , সুভাষ দাস , পুলিন দাস, অভিজিৎ গোস্বামীৰ উপস্থিতিত বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৰাণী বনাঞ্চলিক কাৰ্যালয় অঞ্চলৰ কাঁহাৰপাৰা-ধৰমপুৰ গাঁওৰ সংযোগী পথছোৱাৰ দুয়োকাষে বিভিন্ন প্ৰজাতিৰ প্ৰায় শতাধিক গছপুলি ৰোপণ কৰা হয়। কাৰ্যসূচীত অংশগ্ৰহণ কৰি ডি এফ অ' ৰোহণী বল্লৱ শইকীয়াই কয় যে পৃথিৱীৰ সুস্থিৰ পৰিবেশ গঢ়ি তুলিবলৈ মানৱ জাতিয়ে প্ৰতিদিনে গছ-গছনি ৰোপণ কৰিহে গঢ়িব পাৰিব এই পৰিৱেশ, গছ থাকিলেহে মানুহ থাকিব, গছ-পুলি ৰোপণেৰে পৰিৱেশৰ ভাৰসাম্যতা ৰক্ষা কৰি চলিহে মানৱ জাতিয়ে অধিক শক্তি আৰোহণ কৰিব পাৰিব।

## দুৰাৰোগ্য ৰোগত আক্ৰান্ত নয়াছাৰা গাঁৱৰ ছানছোনা সহায়ৰ আহ্বান

অগ্ৰদূত বাৰ্তা

**দোতমা ৬ মে' ঃ** চিকিৎসাৰ অভাবত বিছনাতে ছট-ফটাই আছে এগৰাকী মহিলাগৰাকী। কোকৰাঝাৰ জিলাৰ চিথিলা ভিচিডিচিৰ অন্তৰ্গত নয়াছাৰা গাঁৱৰ বাসিন্দা শেখ ফৰিদৰ পত্নী ছানছোনা বিবি দীৰ্ঘদিনৰ পৰা এক দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ যুঁজি আছে মৃত্যুৰে। পৰিয়ালটোৱে ঘৰ, মাটি, ভেটি বিক্ৰী কৰি অসম, পশ্চিমবংগ আদিৰ বিভিন্ন হাস্পতালত চিকিৎসা কৰিছিল যদিও কোনো সুফল লাভ কৰা নাই। গাঁৱৰ ৰাইজেও পৰিয়ালটোক আৰ্থিকভাবে সহায় কৰিছিল যদিও আজিলৈকে ৰোগীজন সুস্থ হৈ নুঠিল। এতিয়া ধনৰ অভাৱত ছানছোনা বিবিয়ে উন্নত চিকিৎসাৰ পৰা বঞ্চিত হৈ থাকিবলগীয়া হৈছে। আজি ছানছোনা স্বামীয়ে অসমৰ মূখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক চিকিৎসাৰ বাবে আৰ্থিক সাহায্য প্ৰদান কৰিবলৈ অনুৰোধ জনায়। ইপিনে, গাঁওবাসীয়ে ছানছোনা উন্নত চিকিৎসাৰ বাবে বিটিআৰৰ মুখ্য কাৰ্যকৰী সদস্য প্ৰমোদ বড়ো আৰু বিটিআৰৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দেক সহায় কৰিবলৈ আহ্বান জনাইছে।

## পথৰ মাজত পকী বৈদ্যুতিক খুঁটাত একেদিনাই আমগুৰিত দুখন বাহন ক্ষতিগ্ৰস্ত

অগ্ৰদূত বাৰ্তা

**আমগুৰি, ৬ মে' ঃ** আমগুৰিৰ সমীপৰ এখন গাঁৱৰ এটা বৈদ্যুতিক খুঁটাই ৰাইজক জ্বলা-কলা খুৱাইছে। আমগুৰিৰ ধুনীয়া গাঁৱৰ নামঘৰৰ সন্মুখত এটা তিনি আলিত পথৰ ওপৰত থকা এই বৈদ্যুতিক পকী খুঁটাটোত সঘনাই দুৰ্ঘটনা সংঘটিত হৈ আহিছে। পূৰ্বে খুঁটাটো পথৰ কাষত আছিল যদিও পথটো পকী কৰাৰ পাছত ই পথৰ মাজত পৰে। পাছত স্থানীয় ৰাইজে খুঁটাটো পথৰ কাষলৈ নিবলৈ আহ্বান জনাইছিল যদিও বিদ্যুত বিভাগৰ গাফিলতিৰ বাবে এই পৰ্যন্ত কাণসাৰ নকৰিলে। ফলত আজি দুখনকৈ গাড়ীয়ে পথৰ মাজত থকা খুঁটাটোত খুন্দিওৱাৰ ফলত দুয়োখন গাড়ীৰে ক্ষতি হয় । সৌভাগ্য ক্ৰমে কোনো লোক হতাহত হোৱা নাই। ৰাইজে শীঘ্ৰেই পথৰ মাজৰ পৰা খুঁটাটো আতৰ কৰিবলৈ দাবী জনাইছে।

## তিতাবৰত যুৱক সংঘৰ নামত আবণ্টিত ভূমি দখলৰ চেষ্টা

### ■ অসাধু লোকৰ পৰিকল্পনা বন্ধৰ দাবীত ৰাজহ চক্ৰ বিষয়াক অভিযোগ

**তিতাবৰ, ৬ মে' ঃ** তিতাবৰ ৰাজহ চক্ৰৰ অন্তৰ্গত আৰু আমগুৰি খৰিকটীয়া মৌজাৰ অধীনত থকা উত্তৰ-পূব বিবিজান যুৱক সংঘৰ নামত থকা ভূমিত এটা দুষ্ট চক্ৰই দখল কৰি পথ নিৰ্মাণ কৰিব খোজা বিষয়ক লৈ তিতাবৰত পুনৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ৰাজহুৱা অনুষ্ঠান এটাৰ নামত চৰকাৰীভাৱে আৱণ্টিত ভূমি গাঁও জোৰেৰে দখল কৰিবলৈ অপচেষ্টাত লিপ্ত হোৱাসকলৰ বিৰুদ্ধে তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আজি তিতাবৰ ৰাজহ চক্ৰ বিষয়াক অভিযোগ পত্ৰ দাখিল কৰিছে। সংঘৰ সভাপতি হেমেন দাস আৰু সম্পাদক পংকজ তামুলীয়ে অভিযোগ পত্ৰখনত ৰাজহুৱা অনুষ্ঠান এটাক সাঙুৰি বাৰে বাৰে বিতৰ্কলৈ নানিবলৈও উল্লেখ কৰিছে। উল্লেখ্য যে তিতাবৰ ৰাজহ চক্ৰৰ কাৰ্যালয়ৰ চিঠা বহীত যুৱক সংঘটোৰ নামত দাগ নম্বৰ আৰু পট্টা নম্বৰৰ সহিতে প্ৰমাণ পত্ৰ থকাৰ পাছতো এটা প্ৰতিক্ৰিয়াশীল চক্ৰৰ প্ৰৰোচনাত অসাধু চক্ৰটোৱে সংঘৰ নামত ভূমি আৰু তাৰ লগতে লাগি থকা পানী পৰিবাহী নলাতো বন্ধ কৰি এটি পথ নিৰ্মাণ কৰা বিষয়টোক লৈ গৰজি উঠিছে তিতাবৰ নগৰৰ বাসিন্দাসকল। যুৱক সংঘটোৰ লগত জড়িত থকা কোনো বিষয়ববীয়া অথবা সদস্যৰ আনুষ্ঠানিক অনুমতি নোলোৱাকৈ অসাধু চক্ৰটোৱে অকৰ্তৃত্বশীলভাৱে আৰু অবিজ্ঞানসন্মতভাৱে নিজৰ সুবিধাৰ বাবে পথ নিৰ্মাণ কৰিবলৈ লোৱাত স্থানীয় সচেতন ৰাইজে প্ৰতিবাদ কৰি স্থানীয় প্ৰশাসনক ব্যৱস্থা গ্ৰহণৰ দাবী জনাই আহিছে। কিন্তু স্থানীয় ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ নীৰৱ দৃষ্টিভংগীৰ দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰি প্ৰতিক্ৰিয়াশীল চক্ৰটোৰ উচটনিত মুষ্টিমেয় দুই-এজন অসাধু মনোবৃত্তিৰ লোকে সময়ে সময়ে সংঘৰ নামত আৱণ্টিত ভূমিত কৰ্তৃত্ব প্ৰদৰ্শন কৰি অপ্ৰীতিকৰ পৰিৱেশ সৃষ্টি কৰি আহিছে। উত্তৰ-পূব বিবিজান যুৱক সংঘ আৰু মইনা পাৰিজাতৰ নামত তিতাবৰৰ ভূমি উপদেষ্টা সমিতিয়ে আৱণ্টন দিয়া ভূমিত মুষ্টিমেয় দুষ্টচক্ৰটোৱে নিজৰ ব্যক্তিগত সুবিধা পূৰণ কৰিবলৈকে পথ নিৰ্মাণৰ পৰিকল্পনা কৰি সংঘৰ ভূমিডোখৰ বিবাদিত অঞ্চল বুলি প্ৰতীয়মান কৰিবলৈ বাৰে বাৰে অপচেষ্টাত লিপ্ত হৈ আহিছে। পূৰ্বতে উক্ত পথ নিৰ্মাণক কেন্দ্ৰ কৰিয়ই যুৱক সংঘৰ সমিতি আৰু পথ নিৰ্মাণ কৰা অপচেষ্টাৰ লগত জড়িত কেইজনমান লোকৰ মাজত তৰ্কাতৰ্কি আৰু কাজিয়াত পথ নিৰ্মাণ কৰাত সফল হ'ব পৰা নাছিল। সেই সময়ত বিষয়টোক কেন্দ্ৰ কৰি সৃষ্টি হোৱা অপ্ৰীতিকৰ পৰিস্থিতিৰ পাছতেই তদানীন্তন ৰাজহ চক্ৰ বিষয়া মনোজ বৰুৱাই বিষয়টো বিবদমান ৰূপে চিহ্নিত কৰে। ফলত সংঘৰ তৰফৰ পৰা যোৰহাটৰ ন্যায়িক দণ্ডাধীশৰ অদালতত গোচৰ ৰুজু কৰে। গোচৰৰ অন্তত আদালতে সংঘৰ বিষয়ববীয়াসকলে আদালতক দাখিল কৰা তথ্যপাতি শুদ্ধ বুলি মানি লৈ ৰায়দান কৰি পথ নিৰ্মাণত স্থগিতাদেশ জাৰি কৰিছিল। পুনৰ এতিয়া প্ৰতিক্ৰিয়াশীল চক্ৰটোৱে আদালতৰ নিৰ্দেশ অৱমাননা কৰি সেই ভূমিৰ ওপৰেদিয়েই পথ নিৰ্মাণ কৰিবলৈ লোৱাত পুনৰ নতুন সংঘাত আৰম্ভ হৈছে। এটা চক্ৰই সেই পথছোৱা নিৰ্মাণৰ বাবে তিতাবৰৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱাৰ পৰা দুইলাখ টকাৰ অনুদান সৰকাবলৈ চেষ্টা কৰিছিল যদিও বিষয়টো বিবাদ মান বুলি অৱগত হোৱাত বিধায়কজনেও তেওঁৰ আৱণ্টিত পুঁজি কৰ্তন কৰে। যি স্থানৰে পথ নিৰ্মাণৰ পৰিকল্পনা কৰিছে সেই স্থানত থকা অতিৰিক্ত বৰ্জনীয় পানী কঢ়িয়াই নিয়া জলনিষ্কাসনৰ নলাতো চিৰদিনৰ বাবে বন্ধ হৈ পৰাৰ লগতে তিতাবৰ টাউন হাইস্কুল, লাচিত নগৰ, জ্যোতি নগৰ, মিলন নগৰ, ইছলামপট্টি অঞ্চলত বাৰিষা আবদ্ধ বাঢ়নী পানীয়ে ভয়াবহ জলমগ্ন পৰিৱেশ সৃষ্টি কৰাৰো পূৰ্ণ সম্ভাৱনা আছে বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। সেয়ে কেৱল ব্যক্তিগত লাভ-লোকচানৰ দাবীক আওকাণ কৰি অবিজ্ঞানসন্মতভাৱে পথ নিৰ্মাণৰ কাম ততালিকে বন্ধ কৰি স্থানীয় ৰাইজৰ হ'ব পৰা বিপদ, ক্ষয়-ক্ষতিৰ প্ৰতি লক্ষ্য ৰাখিবলৈ তিতাবৰ ৰাজহ চক্ৰ বিষয়াক সংঘৰ সমিতিয়ে অভিযোগপত্ৰ দাখিল কৰিছে। অন্যথা ৰাইজৰ মত অনুসৰি যিকোনো গণতান্ত্ৰিক প্ৰতিবাদী সিদ্ধান্ত ল'বলৈ ৰাইজ বাধ্য হ'ব বুলি সকীয়নি প্ৰদান কৰিছে। উল্লেখ্য যে প্ৰতিক্ৰিয়াশীল এটা চক্ৰৰ আশীৰ্বাদ পুষ্ট মুষ্টিমেয় কেইজনমান লোকে জনস্বাৰ্থ বিৰোধী কাৰ্যত লিপ্ত হৈ বাৰে বাৰে ৰাজহুৱা অনুষ্ঠান এটাক বাৰে বাৰে বিতৰ্কত সাঙুৰি থকাৰ পাছতো কি কাৰণত তিতাবৰৰ ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ দায়িত্বশীল বিষয়াৰ পদক্ষেপ শূন্য সেই বিষয়ক লৈ ৰাইজৰ মাজত ব্যাপক সমালোচনা আৰম্ভ হৈছে।

## ঠিকনাবিহীন তিতাবৰৰ জলসিঞ্চন বিভাগৰ কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয়

# ডেৰ দশকে হামদৈ পথাৰত অসম্পূৰ্ণ প্ৰকল্প



**তিতাবৰ, ৬ মে', :** ২০২২ তিতাবৰে আনুষ্ঠানিকভাৱে মহকুমা মৰ্যাদালৈ উন্নীত হোৱাৰ পাছত জলসিঞ্চন বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয়তো কাৰ্যবাহী অভিযন্তাৰ নিয়োগেৰে সংমণ্ডল পৰ্যায়লৈ উন্নীত কৰা হ'ল। কিন্তু আজিলৈকে তিতাবৰত জলসিঞ্চন বিভাগৰ কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয়তো তিতাবৰৰ কোন ঠাইত আছে কৃষকসকলে বিচাৰি উলিয়াব পৰা নাই। জলসিঞ্চন বিভাগৰ কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয় পৰিচালনা কৰিবলৈ তিতাবৰত উপযুক্ত কাৰ্যালয় গৃহ নথকাৰ অজুহাত লৈ বিষয়া-কৰ্মচাৰীসকলেও যোৰহাটৰ কাৰ্যালয়ত বহিয়েই দিন অতিবাহিত কৰিছে। তিতাবৰত শিক্ষা বিভাগৰ ডি আই কাৰ্যালয়ৰ নিৰ্মাণ কৰা ভৱনটোত জলসিঞ্চন বিভাগৰ কাৰ্যবাহী অভিযন্তাৰ নামফলকখন ওলমি থকাৰ বাহিৰে উক্ত কাৰ্যালয়টোৰ অন্য কোনো অস্তিত্ব নাই। তিতাবৰ মহকুমাৰ মহকুমাধিপতিৰো এই ক্ষেত্ৰত কোনো দায়বদ্ধতা নাই। তিতাবৰীয়া কৃষক ৰাইজৰ মহকুমাধিপতিক উদ্দেশি প্ৰশ্ন তিতাবৰৰ জলসিঞ্চন বিভাগৰ কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয়ৰ ঠিকনা ক'ত। চৰকাৰী বিষয়া-কৰ্মচাৰীৰ এনে স্থিতিৰ বিপৰীতে ৰাজ্য চৰকাৰখনৰো কৃষকৰ প্ৰতি কোনো দায়বদ্ধতা নথকাৰ বাবেই আজিও কেৱল কৃষিৰ জৰিয়তে স্বাচ্ছন্দ্য জীৱন-যাপন কৰিব পৰাকৈ ৰাজ্যখনৰ কৃষকসকল সক্ষম হৈ উঠা নাই। প্ৰতিযোগিতামুখী বজাৰত ফেৰ মৰাৰ উপৰি সময়োপযোগী ফচল উৎপাদনেৰে অৰ্থনৈতিকভাৱে তিষ্ঠি থাকিবলৈ ৰাজ্যখনৰ কৃষকসকলক যি দৰে চৰকাৰী সা-সুবিধাৰ প্ৰয়োজন সেই সুবিধাসমূহ পূৰণ কৰাত নিৰ্বাচিত চৰকাৰসমূহৰ অমনোযোগিতাই এতিয়াও ঈপ্সিত লক্ষ্যত উপনীত কৰাত সামগ্ৰিকভাৱে ১৩ পৃষ্ঠাত চাওক

## ডিমৌৰ শুকানপুখুৰী পাৰত ৰাম জানকী ঠাকুৰবাৰীত পৰশুৰামৰ জন্ম জয়ন্তী

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ৬ মে' :** সমগ্ৰ দেশৰ লগতে ঐতিহাসিক ডিমৌ শুকানপুখুৰী পাৰত ১৯১৫ত প্ৰতিষ্ঠিত অলৌকিক মহিমাৰে মহিমামণ্ডিত শ্ৰীশ্ৰীৰাম জানকী ঠাকুৰবাৰীত দিনজোৰা কাৰ্যসূচীৰে অঞ্চলটোৰ ধৰ্মপ্ৰাণ ৰাইজৰ সহযোগত ভগৱান পৰশুৰামৰ জন্ম জয়ন্তী মাংগলিক পূজা-অৰ্চনাৰে কালি উদ্‌যাপন কৰা হয়। পুৱা ধৰ্মধ্বজা উত্তোলন কৰে ঠাকুৰবাৰী পৰিচালনা সমিতিৰ সভাপতি ৰাম সিংহ চৌহানে। পৰশুৰাম জয়ন্তী উদ্‌যাপনৰ তাৎপৰ্য ব্যাখ্যা কৰি ঠাকুৰবাৰী পৰিচালনা সমিতিৰ সম্পাদক গোপাল পাণ্ডেই। তেওঁ কয় যে এনেধৰণৰ অনুষ্ঠানে সদ্ভাৱ-সম্প্ৰীতিৰ এনাজৰী সুদৃঢ় কৰে। কাৰ্যসূচীৰ লগত সংগতি ৰাখি দিনৰ ভাগত সত্যনাৰায়ণ পূজা কৰা হয়। হিন্দু বিশ্বাস অনুসৰি ভগৱান পৰশুৰাম এজন আৰু আজিৰ সময়তো কলিযুগত পৃথিৱীত বিদ্যমান।

## ডবকাৰ দৈনিক বজাৰত অগ্নিকাণ্ড

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ৬ মে' :** হোজাই জিলাৰ ডবকা চহৰৰ দৈনিক বজাৰত কালি অগ্নিকাণ্ড সংঘটিত হয়। পদপথৰ এখন ফাষ্টফুড দোকানৰ গেছ চিলিণ্ডাৰ বিস্ফোৰণ ঘটি এই অগ্নিকাণ্ডৰ সূত্ৰপাত হয়। অগ্নিকাণ্ডৰ ফলত ফাষ্টফুডৰ দোকানখন ভস্মীভূত হয়। অৱশ্যে দোকানীজনৰ কথমপি প্ৰাণ ৰক্ষা পৰে। ঘটনাস্থলীত আদি উপস্থিত হোৱা অগ্নিনিৰ্বাপক বাহিনীয়ে জুই নিৰ্বাপণ কৰে।

## ডিমৌ পৌৰসভাৰ আৱৰ্জনাই জনজীৱনলৈ কঢ়িয়াইছে ভাবুকি

### চক্ৰ বিষয়াক স্মাৰকপত্ৰ

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ৬ মে' :** ডিমৌ পৌৰসভাই কেঁচুসাৰ প্ৰস্তুত কৰা পৰিকল্পনাৰে ডিমৌ অঞ্চলৰ বিভিন্ন ঠাইৰ পৰা সংগ্ৰহ কৰা জাবৰ-জোঁথৰ আদি আৱৰ্জনাসমূহ খৰাহাট চাহ বাগিচাৰ দেউৰী টিং ঘাটৰ কাষৰ এটা স্থানত জমা কৰিছিল। বিগত তিনি-চাৰি বছৰ ধৰি ডিমৌ অঞ্চলৰ পৰা সংগ্ৰহ কৰা আৱৰ্জনাসমূহ ডিমৌ পৌৰসভাই পেলাই আহিছে যদিও আজি পৰ্যন্ত কেঁচু সাৰ প্ৰস্তুত নকৰাত আৱৰ্জনাসমূহ দিনক দিনে বৃদ্ধি হৈ অহাৰ ফলত দুৰ্গন্ধময় পৰিৱেশে অঞ্চলটোৰ জনজীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে। শেহতীয়াকৈ দিখৌ নদীৰ পৰা অহা বাঢ়নী পানীত সেই আৱৰ্জনাসমূহ উটি গৈ খৰাহাট চাহ বাগিচাৰ বিভিন্ন লাইন, গাঁৱৰ ফালে সোমাই অহাত কদৰ্যময় আৰু অস্বাস্থ্যকৰ পৰিৱেশৰ সৃষ্টি কৰিছে। উল্লেখ্য যে ডিমৌ নগৰৰ আৱৰ্জনাসমূহ পেলাবলৈ খৰাহাট বাগিচাৰ দেউৰী টিঙৰ যিমান পৰিসৰ ভূমি অধিগ্ৰহণ কৰিছিল, উক্ত আৱৰ্জনাসমূহ বাহিৰত পেলাই অহাৰ লগে লগে উক্ত আৱৰ্জনাৰ বিকট দুৰ্গন্ধ ওলোৱাত স্থানীয় ৰাইজৰ সমস্যাৰ সৃষ্টি হৈছে। এই ক্ষেত্ৰত ডিমৌ পৌৰসভাই কোনো গুৰুত্ব প্ৰদান নকৰাত আজি খৰাহাট -মাঁছে অঞ্চলৰ ৰাইজে বৃহত্তৰ খৰাহাট অঞ্চলৰ জনজীৱন বিপৰ্যস্ত হৈ পৰাত ডিমৌ পৌৰসভাই বিশৃংখলভাৱে আৱৰ্জনা পেলোৱা কাৰ্য শীঘ্ৰে বন্ধ কৰিবলৈ ৰাইজে দাবী জনোৱাৰ লগতে চৌদিশে সিঁচৰতি কৰি পেলোৱা আৱৰ্জনাসমূহ উক্ত স্থানৰ পৰা উঠাই আনি অঞ্চলটো প্ৰদূষণমুক্ত কৰি তোলাৰ লগতে আৱৰ্জনাসমূহৰ পৰা নিৰ্গত হোৱা দুৰ্গন্ধৰ ১৩ পৃষ্ঠাত চাওক

## ঢেকিয়াজুলিত অবিৰত ভাগৱত পাঠ আৰম্ভ



অগ্ৰদূত বাৰ্তা

**চিনামৰা, ৬ মে' :** নগৰৰ উপকণ্ঠ ঢেকিয়াজুলি অঞ্চলৰ বাৰভাগ নামঘৰ সামৰি, আঞ্চলিক ভাগৱত চৰ্চা কেন্দ্ৰৰ সৌজন্যত স্থানীয় ভৰালী নামঘৰত কালিৰে পৰা অবিৰত ভাগৱত পাঠ আৰম্ভ হৈছে। তদুপলক্ষে কালি পুৱা উষা কীৰ্তন, উদ্‌যাপন সমিতিৰ সভাপতি গহীন চন্দ্ৰ বৰদলৈয়ে ধৰ্মধ্বজা উত্তোলন কৰাৰ পাছতেই ভক্তি প্ৰদীপ প্ৰজ্বলন, নাম-প্ৰসংগ পৰিচালনা কৰে ডেকা সত্ৰাধিকাৰ যতীন মহন্তই। ইয়াৰ পাছতেই অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অতুল চন্দ্ৰ বৰদলৈয়ে আঁত ধৰা অনুষ্ঠানত প্ৰাক্তন অধ্যক্ষ ৰাজেন্দ্ৰ নাথ শইকীয়া, পুলিন ভূঞাক মূল পাঠকৰূপে লৈ অবিৰত ভাগৱত পাঠ আৰম্ভ হয়। অহা আঠ মে'লৈ চলিব ভাগৱত পাঠ।

## এক সুনিৰ্দিষ্ট পৰিকল্পনাৰে পৰীক্ষা অনুষ্ঠিত কৰিবলৈ স্মাৰকপত্ৰ

### ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগত অসম কলেজ শিক্ষক সন্থাৰ আলোচনা

অগ্ৰদূত বাৰ্তা

**টেঙাখাত, ৬ মে' :** অসম কলেজ শিক্ষক সন্থাৰ এক সঁজাতী দলে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আগন্তুক স্নাতক পৰীক্ষাৰ সন্দৰ্ভত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগত যোৱা চাৰি মে'ত এক আলোচনাত মিলিত হয়। অসম কলেজ শিক্ষক সন্থাৰ সাধাৰণ সম্পাদক ড° জয়ন্ত বৰুৱাৰ নেতৃত্বত যোৱা সঁজাতী দলটোৱে আগন্তুক স্নাতক পৰীক্ষাসমূহ ছাত্ৰ-ছাত্ৰীৰ সহায়ক হোৱাকৈ সুনিৰ্দিষ্ট পৰিকল্পনেৰে পৰীক্ষা অনুষ্ঠিত কৰিবলৈ এখন স্মাৰকপত্ৰও প্ৰদান কৰে। আলোচনাত অতি কম সময়ৰ ভিতৰতে পৰীক্ষা অনুষ্ঠিত কৰাত ছাত্ৰ-ছাত্ৰীৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি কিছু পৰিমাণে পাঠ্যক্ৰম হ্ৰাস কৰিবলৈ সন্থাই বিশ্ববিদ্যালয় কৰ্তৃপক্ষক অনুৰোধ জনায় যদিও বিশ্ববিদ্যালয় কৰ্তৃপক্ষই বিশ্ববিদ্যালয় অনুদান আয়োগে (ইউজিচি)ৰ স্পষ্ট নিৰ্দেশনা অবিহনে পাঠ্যক্ৰম হ্ৰাস কৰিবলৈ অপাৰগতা প্ৰকাশ কৰে। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, পঞ্জীয়ক, পৰীক্ষা নিয়ন্ত্ৰক আৰু অন্যান্য বিষয়াসকলে ভাগ লোৱা বৈঠকত বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই ছাত্ৰ-ছাত্ৰীৰ সহায়ক হোৱাকৈ এক নতুন পৰীক্ষাসূচী নিৰ্ধাৰণ কৰাৰ আশ্বাস প্ৰদান কৰে। বৈঠকত অসম কলেজ শিক্ষক সন্থাৰ হৈ সাধাৰণ সম্পাদক ড° জয়ন্ত বৰুৱা, উপ-সভাপতি ড° অমিয় পাতৰ, শৈক্ষিক সম্পাদক প্ৰাঞ্জল গগৈ, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ড° অনুপজ্যোতি ভড়ালী, ড° ৰাজীৱ কোঁৱৰ, ড° জিতু শইকীয়া, ক্ষীৰোদ শইকীয়া, ড° মনচুন হাতীবৰুৱা, ডিব্ৰুগড় মণ্ডলৰ সভাপতি যতীন্দ্ৰনাথ গগৈ, সম্পাদক অশ্বিনী মাছে, সদস্য ড° প্ৰাঞ্জল ভূঞা, বিমল টাইড, দীপাংকৰ শৰ্মা, ড° জ্যোতিপ্ৰসাদ ফুকন আৰু যোৰহাট মণ্ডল সম্পাদক অনন্ত বৰাই অংশগ্ৰহণ কৰে।

## ৰেডক্ৰছ ছ'চাইটী, ছয়গাঁও শাখাৰ উদ্যোগত সজাগতা সভা



**ছয়গাঁও, ৬ মে' :** কামৰূপ জিলাৰ বকোৰ আৰোহণ ন্যাস আৰু ৰেডক্ৰছ ছ'চাইটি, ছয়গাঁও শাখাৰ উদ্যোগত আজি ছয়গাঁৱৰ গোৱৰ্ধনাস্থিত ছয়গাঁও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত মাতৃ দুগ্ধদান আৰু সংৰক্ষণ বিষয়ক এখন সজাগতা সভা অনুষ্ঠিত হয়। সভা উদ্বোধন কৰে মহকুমা স্বাস্থ্য বিষয়া ডাঃ ৰাধাচৰণ দাসে। সভাত সমল ব্যক্তিৰূপে উপস্থিত থাকে আৰোহণ ন্যাসৰ উত্তৰ-পূৰ্বাঞ্চলৰ মহাসচিব তথা ৰেডক্ৰছ ছ'চাইটিৰ কামৰূপ জিলা সমিতিৰ সঞ্চালক এছআৰএম মৃদুল, আৰোহণ ন্যাসৰ কাৰ্যবাহী সঞ্চালিকা তথা ৰেডক্ৰছ, বকো শাখাৰ সম্পাদিকা ৰিম্পী শৰ্মা। সভাত ৰেডক্ৰছ ছয়গাঁও শাখাৰ সম্পাদক তথা ছয়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক উপেন ডেকাই অংশ লৈ বক্তব্য ৰাখে। উল্লেখ্য যে বহুসংখ্যক এএনএম, জিএনএম আৰু আশাকৰ্মীৰ উপস্থিতিত অনুষ্ঠিত সভাত মাতৃ দুগ্ধ দানৰ মহানতা, অতিৰিক্ত মাতৃ দুগ্ধ থকাৰ ফলত হ'ব পৰা ক্ষতি সম্পৰ্কত বিশদভাৱে আলোচনা কৰা হয়।

## নকাৰী মজলীয়া বিদ্যালয়ৰ শতবাৰ্ষিকী উদ্‌যাপনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**টেঙাখাত, ৬ মে' :** টেঙাখাত নকাৰী অঞ্চলৰ ঐতিহ্যপূৰ্ণ নকাৰী মজলীয়া বিদ্যালয়খনে অহা ২০২৩ত এশ বছৰত ভৰি দিব। এই উপলক্ষে বিদ্যালয়খনৰ শতবাৰ্ষিকী উদ্‌যাপনৰ উদ্দেশ্যৰে যোৱা এক মে'ত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰা হয়। বিদ্যালয়খনৰ প্ৰাংগণত অনুষ্ঠিত ৰাজহুৱা সভাৰ সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত শিক্ষক বিদ্যাধৰ ফুকনে। অৱসৰপ্ৰাপ্ত শিক্ষক মুনীন গগৈয়ে বন্তি প্ৰজ্বলন কৰি আৰম্ভ কৰা সভাৰ আৰম্ভণিতে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে সমবেত গীত পৰিৱেশন কৰে। সভাত উদ্দেশ্য ব্যাখ্যা কৰে দ্বিপনজ্যোতি ফুকনে। সভাত ৰাইজৰ সৰ্বসন্মতিক্ৰমে বিদ্যাধৰ ফুকনক সভাপতি, দুৰ্গপ্ৰসাদ উপাধ্যায়ক কাৰ্যকৰী সভাপতি, দ্বিপনজ্যোতি ফুকন আৰু ভূপেন বৰুৱাক যুটীয়া সম্পাদক আৰু তিলক ফুকনক স্মৃতিগ্ৰন্থৰ সম্পাদক হিচাপে লৈ উদ্‌যাপন সমিতিখন গঠন কৰা হয়। বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ তিলক ফুকন, অচ্যুৎ ফুকন, বন্তি ফুকন চেতিয়া, অনন্ত চেতিয়া, অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰদীপ বৰুৱা, পূৰণ চেতিয়া, গোপীনাথ ফুকন আৰু বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি সুভাষ চেতিয়াই অংশগ্ৰহণ কৰি বিদ্যালয়খনৰ শতবাৰ্ষিকী উদ্‌যাপনৰ ওপৰত বক্তব্য দাঙি ধৰি দিহা-পৰামৰ্শ আগবঢ়ায়। সভাই ৰাইজৰ সৰ্বসন্মতিক্ৰমে কে'বাটাও সিদ্ধান্ত গ্ৰহণ কৰে। সভাৰ সিদ্ধান্ত মতে পৰৱৰ্তী বৈঠক অহা ১৬ মে'ত অনুষ্ঠিত কৰা হ'ব।

## ৰজা-মহাৰজাৰ দিনতো পৰিৱেশ সুৰক্ষাৰ গুৰুত্ব দিছিল

### ■ টিহুত জলবায়ু পৰিৱৰ্তন-সামাজিক দায়ৱদ্ধতা শীৰ্ষক মুকলি কুইজ সম্পন্ন

অগ্ৰদূত বাৰ্তা

**টিহু, ৬ মে' :** টিহু নগৰখন পৰিষ্কাৰ আৰু প্ৰদূষণ মুক্ত কৰি গঢ়ি তুলিবলৈ সজাগতা সৃষ্টিৰ উদ্দেশ্যে অসম বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা পৰিষদৰ উদ্যোগত, টিহু মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান সমাজ আৰু শিক্ষক গোটৰ সহযোগত আজি টিহু নগৰত এখন মুকলি কুইজ অনুষ্ঠান সম্পন্ন কৰা হয়। মুকলি কুইজ অনুষ্ঠান উদ্বোধন কৰি



টিহু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কিশোৰ কুমাৰ তালুকদাৰে কয় যে আমি চৰকাৰলৈ বাট নাচাই নিজেই কিছু কাম কৰা বা দায়বদ্ধতা পালন কৰা উচিত। ৰজা-মহাৰজাৰ দিনতো গছ ১৩ পৃষ্ঠাত চাওক

## খুমটাইত পশুধনৰ চবকা ৰোগৰ টিকাকৰণ

**খুমটাই, ৬ মে' :** গোলাঘাট জিলাৰ খুমটাইত আজি খুমটাই আঞ্চলিক কৃষক শ্ৰমিক সন্থাৰ উদ্যোগত চংকলা ৰাজ্যিক পশু চিকিৎসালয়ৰ সহযোগত পশুধনৰ চবকা ৰোগৰ টিকাকৰণ কৰা হয়। খুমটাই গাঁৱৰ মেধি তথা আদৰ্শ কৃষক তোযেশ্বৰ গগৈয়ে আনুষ্ঠানিকভাৱে উদ্বোধন কৰা পশুধনৰ টিকাকৰণ কাৰ্যসূচীত অঞ্চলটোৰ দুই শতাধিক পশুধনক টিকাকৰণ কৰে চংকলা ৰাজ্যিক পশু চিকিৎসালয়ৰ ক্ষেত্ৰ সহায়ক ৰাতুল বৰবৰা আৰু স্থানীয় যুৱক জয়ন্ত গগৈয়ে। কৃষক শ্ৰমিক সন্থাৰ সভাপতি নিৰ্মল গগৈয়ে আঁত ধৰা টিকাকৰণ কাৰ্যসূচীত অঞ্চলটোৰ কে'বাজন আদৰ্শ কৃষক, গোপালকসকলক উপস্থিত থাকে।

## মাৰ্ঘেৰিটাত ব্যৱসায়ী সন্থাৰ উদ্যোগত ব'হাগী উৎসৱৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**মাৰ্ঘেৰিটা, ৬ মে' :** তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা টাউন হাইস্কুল খেলপথাৰত মাৰ্ঘেৰিটা ব্যৱসায়ী সন্থাৰ উদ্যোগত অহা ১১, ১২ আৰু ১৩ মে'ত ব'হাগী উৎসৱৰ আয়োজন কৰা হৈছে। তিনিদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া বিহুৰ প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি পুৱা বিহুৰ পতাকা উত্তোলন কৰিব স্থানীয় বিধায়ক তথা বিহু উদ্‌যাপন সমিতিৰ সভাপতি ভাস্কৰ শৰ্মাই। উদ্‌যাপন সমিতিৰ মুখ্য উপদেষ্টা নৰেশ্বৰ হাজৰিকাই ছহিদ তৰ্পণ কৰাৰ পাছতে অনুষ্ঠিত হ'ব শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব অসম চৰকাৰৰ ৰাজহমন্ত্ৰী যোগেন মহনে। বিয়লি সাংস্কৃতিক আৰু ক্ৰীড়া প্ৰতিযোগিতা। মিউজিক চেয়াৰ, টেকেলি ভঙা প্ৰতিযোগিতা, কণী যুঁজ, গামোচা প্ৰতিযোগিতা, পিঠাপনা ১৩ পৃষ্ঠাত চাওক

## অসম কলেজ অধ্যক্ষ পৰিষদৰ শিৱসাগৰ-চৰাইদেউ মণ্ডলৰ সভা সম্পন্ন

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ৬ মে' :** অসম কলেজ অধ্যক্ষ পৰিষদৰ শিৱসাগৰ আৰু চৰাইদেউ মণ্ডলৰ এখন সভা যোৱা চাৰি মে'ত শিৱসাগৰ বাণিজ্য মহাবিদ্যালত মণ্ডলৰ সভাপতি ড° বিমল গগৈৰ সভাপতিত্বত অনুষ্ঠিত হয়। ড° ৰঞ্জিত কুমাৰ বৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত অসম কলেজ অধ্যক্ষ পৰিষদৰ ৩৭ সংখ্যক দ্বি-বাৰ্ষিক অধিবেশন শিৱসাগৰ আৰু চৰাইদেউ মণ্ডলৰ উদ্যোগত দিখৌমুখ মহাবিদ্যালয়ত অহা তিনি আৰু চাৰি জুনত অনুষ্ঠিত কৰা বিষয়ৰ সন্দৰ্ভত সবিস্তাৰে আলোচনা কৰা হয়। ড° সৌমাৰজ্যোতি মহন্তই অধ্যক্ষ পৰিষদৰ অধিবেশন সাফল্য মণ্ডিত কৰাৰ ক্ষেত্ৰত দিখৌমুখ মহাবিদ্যালয় পৰিয়াল আৰু অঞ্চলটোৰ শুভাকাংক্ষী ৰাইজৰ সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি বক্তব্য প্ৰদান কৰে। দুয়োটা মণ্ডলৰ অধ্যক্ষসকলে পূৰ্ণ সহযোগৰ প্ৰতিশ্ৰুতি প্ৰদান কৰাৰ লগতে অহা ন মে'ত অভ্যৰ্থনা সমিতি গঠনৰ বাবে দিখৌমুখ মহাবিদ্যালয়ত এখন ৰাজহুৱা সভা আহ্বানৰ পোষকতা কৰে। অধ্যক্ষ পৰিষদৰ অধিবেশনত যাতে পৰিৱৰ্তিত প্ৰেক্ষাপটত উচ্চ শিক্ষাৰ গতি-প্ৰগতিৰ ওপৰত আলোচনাৰ জৰিয়তে এক বাৰ্তা প্ৰেৰণ হয় তাৰ ওপৰত গুৰুত্ব প্ৰদানৰ চিন্তা সভাত চৰ্চা হয়। আৰম্ভণিতে বাণিজ্য মহাবিদ্যালয়ৰ পৰিয়ালে অধ্যক্ষ মণ্ডলীক গামোচাৰে আদৰণি জনায়। উল্লেখনীয় যে সভাৰ প্ৰাকক্ষণত ড° সব্যসাচী মহন্তই নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ সন্দৰ্ভত এক মনোজ্ঞ বক্তব্য প্ৰদান কৰে।

## নলবাৰীত শিক্ষাবিদ গিৰিধৰ শৰ্মাৰ ৪৫ সংখ্যক স্মৃতিদিৱসৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৬ মে' :** নলবাৰী জিলা সাহিত্য সভাৰ উদ্যোগত অহা ১০ মে'ত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট শিক্ষাবিদ গিৰিধৰ শৰ্মাৰ ৪৫ সংখ্যক স্মৃতিদিৱস বিভিন্ন কাৰ্যসূচীৰে পালন কৰাৰ আয়োজন কৰা হৈছে। নলবাৰী মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে আয়োজিত দিৱস সন্দৰ্ভত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক আৰু নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক পংকজ বেজবৰুৱাৰ দ্বাৰা প্ৰচাৰিত কাৰ্যসূচী অনুসৰি সিদিনা পুৱা নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাই অসম সাহিত্য সভাৰ পতাকা উত্তোলনেৰে দিৱস পালনৰ কাৰ্যসূচীৰ আৰম্ভ কৰিব। ইয়াৰ পাছতে গিৰিধৰ শৰ্মালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰিব মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° কৃষ্ণ চন্দ্ৰ গৌড় আৰু জনপ্ৰিয় অভিনেতা দিলীপ কুমাৰ দাসে। স্মৃতি তৰ্পণ কৰিব গিৰিধৰ শৰ্মাৰ জ্যেষ্ঠ পুত্ৰ প্ৰশান্ত কুমাৰ শৰ্মাই। আবেলি অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াৰ পৌৰোহিত্যত হ'বলগীয়া স্মৃতিসভাত স্মৃতিচৰাৰক হিচাপে অংশ ল'ব অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱীয়ে। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱা আৰু অসম সাহিত্য সভাৰ কৰ্ণধাৰ সমিতিৰ সদস্য থানেশ্বৰ মালাকাৰে অংশগ্ৰহণ কৰিব। অনুষ্ঠানত সন্মানীয় অতিথিৰূপে ভাগ ল'ব গুৱাহাটীৰ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ কুমাৰ মহন্তই। অসম সাহিত্য সভাৰ এই কেন্দ্ৰীয় অনুষ্ঠানত সকলোৰে উপস্থিতি আৰু সহায়-সহযোগিতা উদ্যোক্তাসকলে কামনা কৰিছে।

## অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**গৰুভাষা, ৬ মে' :** চিৰাং জিলাৰ শ্যামথাইবাৰী মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত ২৭৯ নম্বৰ মোজাবাৰী প্ৰাথমিক প্ৰাক্তন অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মিৰ মহম্মদ আলোখান (৭১)ৰ যোৱা চাৰি মে'ৰ সন্ধিয়া মোজাবাৰীস্থিত নিজ বাসগৃহত মৃত্যু হয়। পৰিয়াল সূত্ৰই জনোৱা মতে, তেওঁ দীৰ্ঘদিনৰ পৰা মধুমেহ ৰোগত আক্ৰান্ত হৈ আছিল। আদৰ্শ শিক্ষকৰূপে শিক্ষকতা জীৱন অতিবাহিত কৰা আলেখান বিভিন্ন সংগঠনৰ লগতে সামাজিক কাৰ্যত ওতঃপ্ৰোতভাৱে জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুই পুত্ৰ আৰু এগৰাকী কন্যাক ইহসংসাৰত এৰি যায়। তেওঁৰ মৃত্যুত মোজাবৰী অঞ্চলৰ শোকৰ ছাঁ পৰে। ইফালে, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আলেখানৰ মৃত্যুত ২৭৯ নম্বৰ মোজাবাৰী প্ৰাথমিক বিদ্যালয় পৰিচালনা সমিতি, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, মোজাবাৰী গাঁও সমাজৰ লগতে গৰুভাষা প্ৰাথমিক শিক্ষক সমাজে গভীৰ শোক প্ৰকাশ কৰি বিদেহী আত্মাৰ শান্তি কামনা কৰে।

## নামঘৰ-মছজিদ-উপাসনাস্থলীলৈ গ'লে ধৰ্ম কৰা নহয় ঃ পদাধিকাৰ গগৈ

### টীয়ক চন্দ্ৰ কমল বেজবৰুৱা মহাবিদ্যালয়ত বিশেষ বক্তৃতা অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**জাঁজী, ৬ মে' :** টীয়কৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান টীয়ক চন্দ্ৰ কমল বেজবৰুৱা মহাবিদ্যালয়ৰ উদ্যোগত আজি মহাবিদ্যায়ৰ প্ৰেক্ষাগৃহত এক বিশেষ বক্তৃতা অনুষ্ঠান অনুষ্ঠিত হয়। 'ছাত্ৰ-ছাত্ৰীৰ প্ৰমূল্যবোধ আৰু সামাজিক দায়ৱদ্ধতা সৃষ্টিত শ্ৰীমন্ত শংকৰদেৱৰ দৰ্শনৰ ভূমিকা' শীৰ্ষক নিৰ্ধাৰিত বিষয়ত সাৰুৱা বক্তব্য আগবঢ়াই শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈয়ে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিজয় কৃষ্ণ পাচনিৰ সঞ্চালনাত আয়োজিত বক্তৃতা অনুষ্ঠানত যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড°




বিমল বৰা আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলাৰ সভাপতি মুকুল গগৈ নিমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকে। পদাধিকাৰ গগৈয়ে কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক কেৱল অসমতে সীমাৱদ্ধ নাৰাখি বিশ্ব দৰবাৰত তেওঁৰ অমৰ সৃষ্টিৰাজি বিয়পাই নিবলৈ আমি চেষ্টা কৰিব লাগে, কিয়নো মহাপুৰুষগৰাকীয়ে সমগ্ৰ বিশ্বৰ জীৱকুলৰ বাবে অৱদান আগবঢ়াই থৈ গৈছে। লগতে ধৰ্ম এক আধ্যাত্মিক পৰিৱৰ্তন বুলি কৈ কেৱল নামঘৰ, মছজিদ অথবা উপাসনাস্থলীলৈ গ'লেই যে ধৰ্ম কৰা হয় তাক নুবুজায়। ১৩ পৃষ্ঠাত চাওক

## অভিনেতা, নাট পৰিচালক প্ৰতাপ কলিতাৰ বিয়োগ



**খুমটাই, ৬ মে' :** ৰাজ্যৰ নাট্য জগতত এক বিশেষ স্থান অধিকাৰ কৰা বিশিষ্ট নাট্য সাধক, নাট পৰিচালক, ভ্ৰাম্যমাণ জগতৰ বলিষ্ঠ অভিনেতা প্ৰতাপ কলিতা (৫৬) আৰু নাই। ৰাজ্যৰ নাট্য জগতত এক অপূৰণীয় শূন্যৰ সৃষ্টি কৰি আজি নিৰলে বিদায় ল'লে গোলাঘাট জিলাৰ মহুৰামুখ হাঁহচৰা গাঁৱৰ নিবাসী শিল্পী প্ৰতাপ কলিতাই। মহুৰামুখৰ প্ৰতিটো অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে সাংস্কৃতিক ক্ষেত্ৰখনৰ অগ্ৰণী ভূমিকা গ্ৰহণ কৰা মহুৰামুখ হাঁহচৰাৰ নিবাসী কলিতাৰ আজি যোৰহাট চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ১৯৮৯-৯০ৰ সাধাৰণ সম্পাদক পদত অধিষ্ঠিত হোৱা কলিতাই সেই সময়ৰ পৰাই ক্ৰীড়া আৰু নাটকৰ প্ৰতি আকৃষ্ট হৈ পৰৱৰ্তী সময়ত মহুৰামুখ যুৱ নাট্য সংঘই প্ৰতি বছৰে প্ৰদৰ্শন কৰি অহা পূৰ্ণাংগ নাটৰ পৰিচালনা কৰাৰ লগতে বলিষ্ঠ অভিনয়েৰে দৰ্শকৰ মন মুহিছিল। উল্লেখ্য যে বিগত প্ৰায় ২০ টাতকৈ অধিক বছৰ আশীৰ্বাদ, কাঞ্চনজংঘা, মন্দাকিনীকে আদি কৰি কে'বাটাও আগশাৰী নাট্যদলৰ ব্যৱস্থাপক আৰু অভিনেতা হিচাপে নিৰলে নাটক কৰিয়েই অসমৰ লাখ লাখ দৰ্শকক হাঁহি-কান্দোনেৰে আপ্লুত কৰি অহা বলিষ্ঠ অভিনেতা কলিতাৰ জীৱন শেষ হ'ল নাটকৰ মাজতেই। আজি বালিষ্ঠ অভিনেতাজনৰ নশ্বৰদেহ যোৰহাটৰ পৰা পোনে পোনে মহুৰামুখ হাইস্কুললৈ নিয়া হয় আৰু স্কুলৰ কৰ্তৃপক্ষই শ্ৰদ্ধাঞ্জলি জনোৱাৰ পাছত মহুৰামুখ নাট্য মন্দিৰত যুৱক সংঘই শ্ৰদ্ধাঞ্জলি জনোৱাৰ পাছতে নাট্যমন্দিৰৰ পৰা হাঁহচৰাস্থিত বাসগৃহলৈ অনুৰাগী শুভাকাংক্ষী ৰাইজে পদযাত্ৰাৰে আগবঢ়াই নিয়ে। শিল্পীজনৰ মৃত্যুত মহুৰামুখ যুৱ নাট্য সংঘ, মহুৰামুখ আঞ্চলিক ছাত্ৰ সন্থা, মহুৰামুখ ব্যৱসায়ী সন্থা, মহুৰামুখ আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ লগতে ২০ টাতকৈও অধিক দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জনায়। শিল্পী কলিতাই মৃত্যুৰ সময়ত এগৰাকী কন্যা আৰু পত্নীক ইহসংসাৰত এৰি গৈছে।






# নিশা ১১ বজালৈ গুৱাহাটীত চলিব ফেৰী

## ■ গুৱাহাটীৰ পৰা ১১ বজাত উত্তৰ গুৱাহাটীলৈ যাত্ৰা

**অগ্ৰদূত বাৰ্তা**

**উত্তৰ গুৱাহাটী, ৬ মে' ঃ** ফেৰী যাত্ৰাৰ বাবে সুখবৰ কঢ়িয়াই আনিছে আভ্যন্তৰীণ জলপৰিবহণ বিভাগে। আজিৰে পৰা গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজত নিশা ১১ বজালৈ চলিছে ফেৰী। ইয়াৰ পূৰ্বে উত্তৰ গুৱাহাটী মাজগাঁও ঘাটত নিশা ৯-৪৫ বজালৈ ফেৰীসেৱা বৃদ্ধি কৰা হৈছিল। এমভি সুদৰ্শন নামৰ চাৰিশ হৰ্ছ পাৱাৰযুক্ত ডাবল ইঞ্জিনৰ নতুন ফেৰীখন নিশা ১১ বজাত গুৱাহাটীৰ পৰা উত্তৰ গুৱাহাটী মাজগাঁৱলৈ যাত্ৰা কৰিব।



পুনৰ উত্তৰ গুৱাহাটীৰ পৰা গুৱাহাটীলৈ ঘূৰিব নিশা ১১-১৫ বজাত। ফেৰীখনত এশজন যাত্ৰী আৰু ৬০খন দুচকীয়া বাহন পাৰাপাৰ কৰাৰ সুবিধাৰ লগতে আছে যাৱতীয় সা-সুবিধা। আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ নতুন পদক্ষেপক সৰ্বসাধাৰণ লোকে আদৰণি জনাইছে যদিও শংকা আঁতৰা নাই। কিয়নো বিগত বৰ্ষতো নিশা ন বজালৈ ফেৰী সেৱা আছিল যদিও জনতাৰ দুৰ্দশাৰ কথা নাভাবি জল পৰিবহণ বিভাগে সাত বজাৰ পাছত বন্ধ কৰা হৈছিল আৰু দুমাহ পূৰ্বে ন বজালৈ সেৱা আৰম্ভ কৰিছিল।

# নগাঁৱত শোকাৱহ পথ দুৰ্ঘটনাত ছাত্ৰীৰ মৃত্যু

**বিশেষ সংবাদদাতা**

**নগাঁও , ৬ মে' ঃ** নগাঁও চহৰৰ পাৰ্শ্বৱৰ্তী শিয়ালমাৰীত এক শোকাৱহ পথ দুৰ্ঘটনাত এগৰাকী দশম শ্ৰেণীৰ ছাত্ৰীৰ মৃত্যু হয়। প্ৰাপ্ত তথ্য মতে কালি এ এছ জে-০৭৯৪ নম্বৰৰ মটৰ চাইকেল এখনৰ খুন্দাত পথৰ দাঁতিত বৈ থকা নাৰ্গিছ চুলতানা নামৰ ছাত্ৰীগৰাকীৰ থিতাতে মৃত্যু হয়। পাছত ছাত্ৰীগৰাকীৰ মৃত্যুক কেন্দ্ৰ কৰি অঞ্চলটোত এক উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হয়। ঘটনাৰ খবৰ পোৱাৰ লগে লগে ঘটনাস্থলীত যান-বাহন আৰক্ষীৰ উপস্থিতিত হৈ ছাত্ৰীগৰাকীৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। মৰণোত্তৰ পৰীক্ষাৰগ অন্তত ছাত্ৰীগৰাকী মৃতদেহ পৰিয়ালৰ লোকক চমজাই দিয়া হয়। ছাত্ৰীগৰাকীৰ মৃতদেহ ঘৰ আহি পোৱাৰ লগে লগে এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। উল্লেখ্য যে নগাঁৱত একাংশ উদণ্ড মটৰ চাইকেল চালকৰ অতপালি ভয়ংকৰ ৰূপত ধাৰণ কৰিছে। এই ক্ষেত্ৰত সচেতন মহলে আৰক্ষীক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

# লখিমপুৰ একাদশ বাৰ্ষিক কেন্দ্ৰীয় ৰঙালী উৎসৱৰ সামৰণি

## স্মৃতিগ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ৬ মে' ঃ** যোৱা চাৰি মে'ৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত লখিমপুৰ একাদশ বাৰ্ষিক কেন্দ্ৰীয় ৰঙালী উৎসৱৰ আজি সামৰণি পৰিল। ঢোল-পেঁপাৰ মাত, বিহুৱা-বিহুৱতীৰ টাকুৰী-ঘূৰাদি নচা নাচোন তথা নৱ প্ৰজন্মৰ হাৰ্টথ্ৰব জুবিন গাৰ্গৰ সাংস্কৃতিক অনুষ্ঠানেৰে ঢোলে-দগৰে ৰজনজনাই থকা বিহুতলী নিজম পৰিল। উল্লেখ্য যে



সাহিত্য সংস্কৃতি তথা বিভিন্ন ক্ষেত্ৰত বিশেষ বৰঙণি আগবঢ়োৱা বয়োজ্যেষ্ঠক সম্বৰ্ধনা জ্ঞাপন কৰে। পদ্মশ্ৰী যাদৱ পায়েঙৰ দ্বাৰা গছপুলি ৰোপণ, জনগোষ্ঠীয় কৃষ্টি প্ৰদৰ্শন বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাৰ মুখ্য আকৰ্ষণৰ লগতে ৰঙালী উৎসৱত হুঁচৰি, মুকলি বিহু, পিঠা-পনা সৰু বিহুৱতী, বৰবিহুৱতী, টকা বিহু আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। অনুষ্ঠানটোত আজি স্মৃতিগ্ৰন্থ 'বহনা' উন্মোচন কৰে উৎসৱৰ মুখ্য উপদেষ্টা জয়ন্ত খাউণ্ডে। কেন্দ্ৰীয় ৰঙালী উৎসৱৰ সভাপতি সঞ্জীৱ লুকু কোঁৱৰৰ পতাকা উত্তোলনেৰে আৰম্ভ হোৱা অনুষ্ঠানটোৰ আজিৰ সাংস্কৃতিক সন্ধিয়া আৰু বঁটা বিতৰণী অনুষ্ঠানৰ আৰম্ভ কৰে কৃষি সীমান্ত উন্নয়ন বিভাগৰ মন্ত্ৰী অতুল বৰাই।

# উত্তৰ প্ৰদেশৰ মথুৰা নগৰৰ উপকণ্ঠৰ নাউগাঁও গাঁৱত 'শ্ৰীমন্ত শংকৰদেৱ নামঘৰ'ৰ আধাৰশিলা স্থাপন

**বিশেষ সংবাদদাতা**

**বৰপেটা, ৬ মে' ঃ** শ্ৰীশ্ৰীশংকৰদেৱ-মাধৱদেৱ আৰু বিকাশ কেন্দ্ৰৰ উদ্যোগত উত্তৰ প্ৰদেশৰ মথুৰা নগৰৰ উপকণ্ঠৰ নাউগাঁও গাঁৱত আজি শ্ৰীমন্ত শংকৰদেৱ নামঘৰ আধাৰশিলা স্থাপন কৰা হয়। আধাৰশিলা স্থাপন অনুষ্ঠানত ন্যাসৰ কৰ্মকৰ্তাৰ লগতে বহুকেইজন বৈষ্ণৱ ভকতৰ উপস্থিতিত হৰিনামৰ ধ্বনিৰ মাজত আধাৰশিলা স্থাপন কৰা হয়। ইয়াৰ পাছত নাম কীৰ্তন কৰা হয়। আধাৰশিলা স্থাপনৰ পূৰ্বে আদৰণি ভাষণ আগবঢ়াই ন্যাসৰ সাধাৰণ সম্পাদক জ্যোতিৰ্ময় শৰ্মাই। আনহাতে, নাম-প্ৰসংগৰ আঁত ধৰে ৰবীন্দ্ৰনাথ দাসে। আধাৰশিলা স্থাপন কৰে ন্যাসৰ সভাপতি অৰোৱা ফাইন আৰ্টছৰ অন্যতম স্বত্বাধিকাৰী উদ্ধৱ পাঠকে। অনুষ্ঠানত কুশান চৌধুৰী কুলদানন্দ চৌধুৰী, ৰাকেশ সিং, ধনজিৎ দাস দিল্লীৰ নয়দা নিবাসী প্ৰদীপ কুমাৰ শৰ্মা, অনিতা শৰ্মাৰ উপৰি স্থানীয় শতাধিক পুৰুষ-মহিলাই অংশগ্ৰহণ কৰে।

# ৰঙিয়া ৰেল ষ্টেছনত অচিনাক্ত মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**ৰঙিয়া, ৬ মে' ঃ** ৰঙিয়া ৰেলৱে ষ্টেছনৰ দুই নম্ব প্লেটফৰ্মত কালি এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ হয়। কৰ্তব্যৰ ৰেল আৰক্ষীয়ে মৃতদেহটো প্ৰত্যক্ষ কৰে। প্ৰায় ৪৫ বছৰ বয়সৰ লোকজনৰ বেমাৰত মৃত্যু হোৱা বুলি সন্দেহ কৰা হৈছে। মিঠা বৰণীয়া লোকজনৰ পিন্ধনত হালধীয়া নীলা চেক ছাৰ্ট আৰু নীলা জিনস পেন্ট আছিল। মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ অন্তত চিনাক্তকৰণৰ বাবে ৰঙিয়া ৰেল আৰক্ষীৰ মৰ্গত ৭২ ঘন্টাৰ বাবে ৰখা হৈছে।

# ভাওৰাগুৰিত শিৱ মন্দিৰ উদ্বোধন-শিৱ লিংগ স্থাপন



**অগ্ৰদূত বাৰ্তা**

**দোতমা, ৬ মে' ঃ** গোসাঁইগাঁও মহকুমাৰ ভাওৰাগুৰিৰ পাগলা বাবা ধামত নতুন শিৱ মন্দিৰ উদ্বোধন কৰি মন্দিৰত শিৱ লিংগ স্থাপন কৰা হয়। কাৰ্যসূচী মতে পুৱা ন বজাত কলহ যাত্ৰা উলিয়াই সমগ্ৰ ভাওৰাগুৰী বজাৰ পৰিভ্ৰমণ কৰে। তাৰ পাছত মন্দিৰ উদ্বোধন কৰে মন্দিৰৰ পূজাৰী নিৰ্মল চক্ৰৱৰ্তীয়ে। বৃক্ষৰোপণৰ অন্তত গৌৰীপুৰৰ পৰা অহা পুৰোহিতৰ দ্বাৰা বাস্তুযজ্ঞ আৰু পূজা-অৰ্চনা কৰা হয়। পূজাৰ অন্তত প্ৰসাদ বিতৰণ কৰা হয় আৰু সন্ধিয়া ভোজন কীৰ্তনৰ আয়োজন কৰে।

# অ'এনজিচিৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ মৃত্যু

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ৬ মে' ঃ** শিৱসাগৰ নগৰৰ সমীপৰ মৰনৈকিনাৰ অঞ্চলৰ বয়োজ্যেষ্ঠ নাগৰিক, সমাজকৰ্মী তথা তেল গেছ নিগমৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী আলহাজ আব্দুল চুভান ওৰফে নেকজান (৭৭)ৰ কালি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ স'তে জড়িত লোকজনে মৃত্যুৰ সময়ত পত্নীৰ লগতে দুজন পুত্ৰ আৰু চাৰিগৰাকী কন্যাসহিতে এটা বৃহৎ পৰিয়ালক ইহসংসাৰত এৰি যায়। আজি পুৱা বহু গুণমুগ্ধৰ উপস্থিতিত শিৱসাগৰৰ দৰবাৰ ফিল্ড কবৰস্থানত তেওঁৰ জানাজা সম্পন্ন কৰা হয়।

# পঞ্জাৱ লুধিয়ানা- অসম দুই ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ডিজিটেল মাধ্যমত মত বিনিময়

**বৰমা, ৬ মে' ঃ** ডিজিটেল মাধ্যমৰ অভুতপূৰ্ব সাফল্যৰ ফলত সম্ভৱ হৈ উঠিছে সকলো কাম। আনকি বহিঃৰাজ্যৰ ছাত্ৰ-ছাত্ৰীৰ মাজতো যোগসুত্ৰ সম্ভৱ হৈ উঠিছে এই মাধ্যমৰ যোগেদি। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোন ডিজিটেল ইণ্ডিয়াৰ ফলত আজি দুখন ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীৰ মাজত মতবিনিময় অনুষ্ঠান সম্পন্ন হয় বাগ্সা জিলাৰ বৰমাত। বাগ্সা জিলাৰ কে'বাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে আজি বৰমাৰ ছেণ্ট মিছন হায়াৰ ছেকেণ্ডাৰী বিদ্যালয়ত পঞ্জাৱ লুধিয়ানাৰ এভিপি পাব্লিক স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মত বিনিময় হয়। পাঞ্জাৱ আৰু অসমৰ শিক্ষা , সংস্কৃতিৰ ডিজিটেল মাধ্যমৰ জৰিয়তে প্ৰদৰ্শন হয় । বাগ্সা জিলাৰ ছাত্ৰ-ছাত্ৰীয় বিহু, বাগুৰুমবা, বৈশাগু, নৃত্য প্ৰদৰ্শনৰ উপৰি নৃত্যত ব্যৱহৃত সঁজুলিৰ বিষয়ে ছাত্ৰ- ছাত্ৰীয়ে ডিজিটেল মাধ্যমৰ যোগেদি লুধিয়ানাৰ ছাত্ৰ-ছাত্ৰীক বৰ্ণনা কৰে। এই অনুষ্ঠানৰ দ্বাৰা বাগ্সা জিলাৰ ভিতৰুৱা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে সহজে ভাৰতৰ আগশাৰীৰ বিদ্যালয় লুধিয়ানাৰ ডিএভি পাব্লিক স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ মাজত মতবিনিময় কৰি যথেষ্টখিনি শিকিব পাৰিছে বুলি মন্তব্য কৰে বাগ্সা জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক ভৱেন দেউৰীয়ে। বাগ্সা জিলাৰ বিদ্যালয়সমূহৰ আন্তঃগাঁথনি আৰু শিক্ষকৰ সমস্যা থকাৰ কথা উল্লেখ কৰি বিদ্যালয়সমূহৰ পৰিদৰ্শকে আজিৰ মত বিনিময়ৰ জৰিয়তে বাগ্সা জিলাৰ ছাত্ৰ-ছাত্ৰীয়ে বহু কথা শিকিব পাৰিছে বুলি মন্তব্য কৰে । উক্ত অনুষ্ঠানত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলে বিহু আৰু বৈশাগু, বাগুৰুমবা নৃত্য প্ৰদৰ্শন কৰি নিজৰ মন্তব্য দাঙি ধৰে। অনুষ্ঠানত বাগ্সা জিলা উপায়ুক্ত আয়ুষ গাৰ্গ, অতিৰিক্ত উপায়ুক্ত, নিৰ্বাচনী বিষয়া মানবেন্দ্ৰ ভৰালীৰ উপৰি বহু ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক উপস্থিত থাকে।

# নামঘৰ-মছজিদ-উপাসনাস্থলীলৈ গ'লে

১২ পৃষ্ঠাৰ পৰা কৰ্মই ধৰ্ম বুলি সদৰী কৰি অহিংসাৰ বাটেৰে সকলোকে আগুৱাই যাবলৈ তেওঁ আহ্বান জনায়। ইপিনে, বৰ্তমান সমাজে বৈজ্ঞানিক দৃষ্টিভংগীৰে সমাজ পৰিচালনাৰ ক্ষেত্ৰত যিবোৰ নীতি আদৰ্শ অৱলম্বন কৰিছে সেয়া মহাপুৰুষগৰাকীয়ে তেতিয়াই আৰম্ভ কৰিছিল বুলি মন্তব্য কৰে। পদাধিকাৰজনে লগতে নৃত্য, গীত, নাটবাদ্যৰ ক্ষেত্ৰতো মহাপুৰুষজনাৰ অমূল্য অৱদানৰ কথা সোঁৱৰণ কৰি মহাপুৰুষজনাৰ কৰ্মৰাজিৰ দৰ্শনেৰে বিশেষকৈ উঠি অহা প্ৰজন্মক আগুৱাই যাবলৈ তেওঁ আহ্বান জনায়। উক্ত সভাত বিশিষ্ট সংস্কৃত পণ্ডিত ড° অকণ চন্দ্ৰ শইকীয়া, জ্যেষ্ঠ শিক্ষক দেবেন দত্ত, টীয়ক জ্যেষ্ঠ নাগৰিক সন্থাৰ সভাপতি সুৰেন্দ্ৰ নাথ শইকীয়া, বিশিষ্ট ব্যৱসায়ী ৰবীন ভূঞা, প্ৰদীপ চুতীয়া, টীয়ক উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ অধ্যক্ষ ৰাজু কুমাৰ শইকীয়া, ৰেণু বড়া মেম'ৰিয়েল একাডেমীৰ অধ্যক্ষ ড° ধীৰেন কলিতা, সঞ্চালক প্ৰাণ কমল বৰা প্ৰমুখ্যে সংঘৰ জিলা শাখাৰ কে'বাগৰাকীও বিষয়ববীয়া, মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী আৰু বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অনুষ্ঠানত অংশগ্ৰহণ কৰে।

# আজি নগাঁৱৰ নেহৰুবালিত বসন্ত উৎসৱ

## ■ কণ্ঠশিল্পী দিগেন মহন্তক প্ৰদান কৰা হ'ব কলংপৰীয়া শিল্পী বঁটা

**বিশেষ সংবাদদাতা**

**নগাঁও, ৬ মে' ঃ** নগাঁৱৰ সামাজিক, সাংস্কৃতিক অনুষ্ঠান 'সৃষ্টি'ৰ উদ্যোগত অনুষ্ঠিত 'বসন্ত উৎসৱে' চলিত বৰ্ষত ১৯ সংখ্যক বৰ্ষত ভৰি দিলে। এই উপলক্ষে কাইলৈ সন্ধিয়া সাত বজাৰ পৰা নগাঁও চহৰৰ ঐতিহ্যমণ্ডিত নেহৰুবালিৰ বাকৰিত অনুষ্ঠিত হ'ব 'বসন্ত উৎসৱ'ৰ সাংস্কৃতিক অনুষ্ঠান। বসন্ত উৎসৱৰ সাংস্কৃতিক অনুষ্ঠানত উপস্থিত থাকিব জুবিন গাৰ্গৰ লগতে সুকণ্ঠী গায়িকা জুবলী বৰুৱাকে ধৰি বহু ন-পুৰণি শিল্পী। আনহাতে, অনুষ্ঠানত দৰ্শকক হাঁহিৰ খোৰাক যোগোৱাৰ উদ্দেশ্যে উপস্থিত থাকিব বেহৰবাৰী আউটপ'ষ্টখ্যাত কেকে আৰু মোহন। ইপিনে, বসন্ত উৎসৱৰ স'তে সংগতি ৰাখি প্ৰতি বছৰে এগৰাকী প্ৰচাৰবিমুখ চহা শিল্পীক কলংপৰীয়া শিল্পী বঁটাৰে সন্মানিত কৰা হয়। এইবাৰ বিশিষ্ট কণ্ঠশিল্পী সুৰকাৰ দিগেন মহন্তক এই বঁটা প্ৰদান কৰা হ'ব বুলি উদ্যোক্তাসকলে সদৰী কৰিছে। উল্লেখ্য যে মধ্য অসমৰ অন্যতম আকৰ্ষণীয় বিহু উৎসৱ নগাঁৱৰ নেহৰুবালিৰ বসন্ত উৎসৱ ক'ভিডসৃষ্ট পৰিৱেশৰ বাবে বিগত দুটা বৰ্ষত অনুষ্ঠিত হোৱা নাছিল।

# তিতাবৰ প্ৰেছ ক্লাবৰ সদস্যৰ বিয়োগ



**তিতাবৰ, ৬ মে' ঃ** তিতাবৰ প্ৰেছ ক্লাবৰ সদস্য ৰাজু হৰিজন (৫২)ৰ আজি বিয়লি পাঁচ বজাত গুৱাহাটীৰ এখন চিকিৎসালয়ত মৃত্যু হয়। তেওঁ দীৰ্ঘদিন ধৰি মধুমেহ আৰু বৃক্কজনিত ৰোগত ভুগি আছিল। ১৫ দিনৰ পূৰ্বে তেওঁৰ স্বাস্থ্যৰ অধিক অৱনতি ঘটাত পৰিয়ালৰ লোকে চিকিৎসালয়ত ভৰ্তি কৰে যদিও আজি বিয়লি তেওঁৰ মৃত্যু হয়। তেওঁ তিতাবৰ প্ৰেছ ক্লাবৰ সদস্য হোৱাৰ উপৰি অসম গণ পৰিষদৰ তিতাবৰ নগৰ মণ্ডলৰ কাৰ্যনিৰ্বাহক সদস্য, তিতাবৰ পূবালী নগৰ সাৰ্বজনীন দুৰ্গা পূজা সমিতিৰ স'তে ওতপ্ৰোতভাৱে জড়িত আছিল। তেওঁৰ মৃত্যুত তিতাবৰ প্ৰেছ ক্লাবৰ লগতে, অসম গণ পৰিষদ, জীৱন বীমা নিগমৰ কৰ্মচাৰী সন্থাই শোক প্ৰকাশ কৰিছে। কাইলৈ দিনৰ ১০ বজাত তিতাবৰ চাৰিআলিত হৰিজনৰ নিজা বাসগৃহতে ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰো আয়োজন কৰা হৈছে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে দুগৰাকী কন্যা আৰু এজন পুত্ৰক এৰি যায়।

# ডিমৌ পৌৰসভাৰ আৱৰ্জনাই

১২ পৃষ্ঠাৰ পৰা বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ এখন স্মাৰকপত্ৰ প্ৰদান কৰে। ইফালে, এই আৱৰ্জনাসমূহে দুৰ্গন্ধময় আৰু অস্বাস্থ্যকৰ পৰিৱেশে অঞ্চলটোৰ ৰাইজক জীয়াতু ভোগাই অহাত আঠাবাৰী শাখা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি যতীন চেতিয়া আৰু সাধাৰণ সম্পাদক তন্ময় ভৰালীয়ে ডিমৌ ৰাজহ চক্ৰ বিষয়াগৰাকীক এখন স্মাৰকপত্ৰ প্ৰদান কৰি ডিমৌ পৌৰসভাই পেলোৱা কাৰ্যৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। দিঁৰৈ নদীৰ কাষত ডিমৌ পৌৰসভাই বিশৃংখলভাৱে পেলাই থোৱা আৱৰ্জনাসমূহ বাঢ়নী পানীয়ে অঞ্চলটোৰ লাইন, গাঁও-ভূঁই আৰু শস্য পথাৰলৈ বিয়পি পৰাত অঞ্চলটোত দুৰ্গন্ধময় পৰিৱেশৰ সূচনা কৰাত শীঘ্ৰে উক্ত স্থানৰ পৰা আৱৰ্জনাসমূহ উঠাই খৰাহাটবাসী ৰাইজক প্ৰদূষণমুক্ত কৰিবলৈ দাবী জনাইছে।

# উন্মুক্ত ট্ৰেন্সফৰ্মাৰৰ পৰিবাহী তাঁৰত লাগি মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, 6 মে' ঃ** ডিমৌ নিতাই বৰবৰুৱাপথস্থিত উন্মুক্ত ট্ৰেন্সফৰ্মাৰ বিদ্যুৎ পৰিবাহী তাঁৰত লাগি এজন লোকৰ মৃত্যু হোৱাৰ পাছত সৰৱ হৈ পৰিছে বৃহত্তৰ অসমীয়া যুৱ মঞ্চ ডিমৌ নগৰ সমিতি। ডিমৌ বিদ্যুৎ উপ-সংমণ্ডল কাৰ্যালয়ৰ অৱহেলাৰ ফলত কিছুদিনৰ পূৰ্বে এজন বিদ্যুৎ বিভাগৰ অস্থায়ী কৰ্মচাৰী বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু হোৱাৰ ঘটনাৰ প্ৰতিক্ৰিয়া মাৰ নাযাওঁতেই ডিমৌ বিদ্যুৎ উপ-সংমণ্ডল কাৰ্যালয়ে এজন পুঁজিপতি ব্যৱসায়ীক বিদ্যুৎ যোগান ধৰাৰ স্বাৰ্থত উন্মুক্তভাৱে সংস্থাপন কৰা ট্ৰেন্সফৰ্মাৰ পৰিবাহী তাঁৰত বিদ্যুৎপৃষ্ট হৈ এজন লোকে মৃত্যুক আঁকোৱালি ল'ব লগা হ'ল বুলি স্মাৰকপত্ৰত উল্লেখ কৰিছে সংগঠনটোৱে। বৃহত্তৰ অসমীয়া যুৱ মঞ্চ ডিমৌ নগৰ সমিতিৰ সভাপতি যদুমণি কলিতা আৰু সচিব প্ৰধান জান বৰুৱাই পুঁজিপতিগৰাকীক সন্তুষ্ট কৰাৰ স্বাৰ্থতে ডিমৌ চাৰিআলিৰ অতি ব্যস্ততাপূৰ্ণ ডিমৌ নিতাই পথৰ কাষতে উন্মুক্তভাৱে বিদ্যুৎ বিভাগে স্থাপন কৰা ট্ৰেন্সফৰ্মাৰটো উক্ত স্থানৰ পৰা স্থানান্তৰ কৰাৰ লগতে এই ঘটনাৰ উচিত তদন্ত কৰি দোষীক কঠোৰ শাস্তি প্ৰদানৰ দাবী উত্থাপন কৰিছে।

# অসম বহুভাষিক কবি সন্মিলনৰ স্বৰচিত কবিতা প্ৰতিযোগিতাৰ ফলাফল

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ৬ মে' ঃ** অসম বহুভাষিক কবি সন্মিলনৰ অহা ১৫ আৰু ১৬ মে'ত অনুষ্ঠিত হ'বলগীয়া বাৰ্ষিক অধিবেশন উপলক্ষে অনুষ্ঠিত অসম ভিত্তিক বহুভাষিক স্বৰচিত কবিতা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হৈছে। ঘোষিত ফলাফল অনুযায়ী বৰপেটাৰ মেটুৰাকুছিৰ গুণজিৎ শইকীয়াই (পুনৰ্জন্ম) কবিতাটিৰ বাবে প্ৰথম স্থান, গোলাঘাটৰ বৰুৱাগাঁৱৰ দিব্যজ্যোতি বৰুৱাই (জীৱন) নামৰ কবিতাটিৰ বাবে দ্বিতীয় স্থান, বঙাইগাঁৱৰ প্ৰিয়া কুমাৰী সাহে 'মৰা সাথ দেনা, হিন্দী কবিতাটিৰ বাবে তৃতীয় স্থান, যোৰহাটৰ যোগদুৱাৰৰ ৰীতা বৰুৱাই (হাফ দ্যা স্কাই) ইংৰাজী কবিতাটিৰ বাবে চতুৰ্থ স্থান, মৰিয়নিৰ নাগাজাংকা নগাঁৱৰ তৰুণ গগৈয়ে (আখৰা) কবিতাটিৰ বাবে পঞ্চম স্থান আৰু তেজপুৰৰ বালিপুখুৰী তিনিআলিৰ মনোজ বৰাই (চাকৰিৰ বিজ্ঞাপন ওলাইছে) নামৰ কবিতাটিৰ বাবে ষষ্ঠ স্থান লাভ কৰিছে। উল্লেখ্য যে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা বিজয়ী প্ৰতিযোগীক হেমচন্দ্ৰ দত্ত আৰু দীপেশ্বৰী দত্ত সোঁৱৰণী বঁটা আৰু চতুৰ্থ, পঞ্চম আৰু ষষ্ঠ স্থানপ্ৰাপ্ত বিজয়ী প্ৰতিযোগীক মুকুন্দ শৰ্মা সোঁৱৰণী বঁটা অহা ১৬ মে'ত অনুষ্ঠিত হ'বলগীয়া অধিবেশনৰ মুকলি সভাত প্ৰদান কৰা হ'ব।

# ৰজা-মহাৰজাৰ দিনতো পৰিৱেশ

১২ পৃষ্ঠাৰ পৰা ৰুই, পুখুৰী খান্দি পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত গুৰুত্ব দিছিল। এতিয়া আমি নিজকে আধুনিক বুলি বা শিক্ষিত বুলি কওঁ, কিন্তু পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত হাতে-কামে একো নকৰো। অলপতে অসম চৰকাৰে ৰাজ্যৰ ২৯৮৫ টা জলাশয় সংৰক্ষণ কৰাৰ সিদ্ধান্ত লোৱাটো সকলোৰে বাবে শুভ বতৰা। ভাষণ প্ৰসংগত অধ্যক্ষজনে পুনৰ কয় যে পৃথিৱীত ১৯.৩০ কোটি মানুহে খাবলৈ নাপায়, অথচ আমাৰ উৎসৱ-পাৰ্বণ আদিতে বৈ যোৱা বহু খাদ্য পেলাই দিয়া দেখা যায়। ই অতি দুখৰ কথা, অপব্যয় হোৱাটো অনুচিত। টিহু মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° সুৰেশ ভড়ালীয়ে আঁতধৰা আৰু শলাগ জ্ঞাপন কৰাৰ লগতে মাধুৰ্য ডেকা আৰু গুঞ্জন ডেকাই পৰিচালনা কৰা মুকলি কুইজ অনুষ্ঠানটোত সমাজকৰ্মী প্ৰফুল্ল কলিতাকে ধৰি ৩১ গৰাকীয়ে পুৰস্কাৰ লাভ কৰে। ইয়াৰ ভিতৰত প্ৰথম শ্ৰেষ্ঠ উত্তৰ দিওতাৰ বঁটা লাভ কৰে টিহু মহাবিদ্যালয়ৰ ছাত্ৰ বিকাশ ডেকাই আৰু দ্বিতীয় শ্ৰেষ্ঠ উত্তৰ দিওতাৰ বঁটা লাভ কৰে আৰ্যভট্ট একাডেমীৰ ছাত্ৰ ধৃতিৰাজ মিশ্ৰই। টিহু মহাবিদ্যালয়ৰ কে'বাগৰাকী অধ্যাপক-অধ্যাপিকাই অংশগ্ৰহণ কৰা অনুষ্ঠানটোৰ সামৰণিত 'আৱৰ্জনামুক্ত আৰু প্ৰদূষণমুক্ত টিহু গঢ়ো আহক' শীৰ্ষক প্ৰচাৰপত্ৰ এখন উপস্থিত ছাত্ৰ-ছাত্ৰী, ৰাইজৰ উপৰি দোকান-পোহাৰ আদিত বিতৰণ কৰা হয়।

# মাৰ্ঘেৰিটাত 'ব্যৱসায়ী 'সন্থাৰ উদ্যোগত

১২ পৃষ্ঠাৰ পৰা প্ৰতিযোগিতাৰ পাছতে সন্ধিয়া অনুষ্ঠিত হ'ব সদৌ অসম ভিত্তিত দিহিং শ্ৰেষ্ঠ হুঁচৰি, বৰবিহুৱতী আৰু বিহুৱতী প্ৰতিযোগিতা। দিহিং শ্ৰেষ্ঠ হুঁচৰি প্ৰতিযোগিতাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় শ্ৰেষ্ঠ দলটোক ক্ৰমে এক লাখ ২১ হেজাৰ, ৬১ হেজাৰ আৰু ৩১ হেজাৰ টকাৰ মাননিৰে পুৰস্কৃত কৰা হ'ব। আনহাতে, বৰবিহুৱতী প্ৰতিযোগিতাৰ প্ৰথম আৰু দ্বিতীয় শ্ৰেষ্ঠ দুগৰাকীক ক্ৰমে ৫১ হেজাৰ আৰু ৩১ হেজাৰ নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। তদ্ৰুপ প্ৰথম-দ্বিতীয় আৰু তৃতীয় শ্ৰেষ্ঠা বিহুৱতী তিনিগৰাকীকো ক্ৰমে নগদ ২১ হেজাৰ, ১৫ হেজাৰ আৰু ১১ হেজাৰ টকাৰে সন্মানিত কৰা হ'ব। নিশা অসমৰ জনপ্ৰিয় গায়িকা তথা ভগ্নীদ্বয় অলংকিতা আৰু ৰূপাংকিতা কলিতাৰ দ্বাৰা পৰিৱেশিত গীতৰ শৰাই। দ্বিতীয় দিনাৰ কাৰ্যসূচী অনুসৰি বিয়লি দলীয় বিহু নৃত্য, মৌ বিহুৱতী আৰু জেং বিহু প্ৰতিযোগিতা। নিশা স্থানীয় শিল্পীৰ দ্বাৰা পৰিৱেশিত সাংস্কৃতিক অনুষ্ঠান। শেষৰ দিনা কাৰ্যসূচী অনুসৰি সন্ধিয়া অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত বঁটা বিতৰণী সভাত উপস্থিত থাকিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° সুৰজিৎ বৰকটকী। সন্ধিয়া আমন্ত্ৰিত শিল্পীৰ দ্বাৰা পৰিৱেশিত বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰিব অসমৰ অন্যতম জনপ্ৰিয় লোক সাংস্কৃতিক অনুষ্ঠান 'সমন্বয় ক্ষেত্ৰ' গুৱাহাটীৰ অনুষ্ঠানত ধেমাজিৰ কেন্দ্ৰীয় হৰি নামৰ দলে গীত পৰিৱেশন কৰিব। ব'হাগী উৎসৱৰ অনুষ্ঠানত ভাৰতৰ সংগীত জগতৰ অন্যতম জনপ্ৰিয় টিভি ৰিয়েলিটী শ্ব' ইণ্ডিয়ান আইডলৰ চূড়ান্ত বিজয়ী পৱনদ্বীপ ৰাজন, জি টি ভিৰ বাংলাৰ সাৰেগামাপা খ্যাত শ্বয়ম পাল আৰু জনপ্ৰিয় গায়িকা গীতালি কাকতিয়ে অংশগ্ৰহণ কৰিব।

# ডেৰ দশকে হামদৈ পথাৰত অসম্পূৰ্ণ

১২ পৃষ্ঠাৰ পৰা ব্যৰ্থতা প্ৰদৰ্শন কৰিছে। বতৰৰ লগতে প্ৰতিকূল পৰিৱেশৰ লগত ৰজিতা খুৱাই উৎপাদন চাহিদা বৃদ্ধি কৰিবলৈ ৰাজ্যৰ কৃষকসকল সক্ষম যদিও প্ৰকল্প ৰূপায়ণৰ অবাধ দুৰ্নীতিয়ে কৃষকসকলক প্ৰকৃত শ্ৰমৰ মৰ্যদাৰ পৰা বঞ্চিত কৰাৰ লগতে এতিয়াও দ্বৈত খেতি ব্যৱস্থাক ৰূপায়িত কৰিব নোৱাৰিলে। ৰাজ্যৰ অন্য প্ৰান্তৰ কথা বাদ দি যোৰহাট জিলাৰ তিতাবৰ মহকুমাৰ জলসিঞ্চন বিভাগৰ কাম-কাজৰ ধৰণ প্ৰত্যক্ষ কৰিলে সততে এই বিভাগটোৰ সততা আৰু প্ৰয়োজনীয়তাৰ ওপৰতে সন্দেহ জাগে। উল্লেখ্য যে ৰাজ্যৰ জলসিঞ্চন বিভাগে জিলাখনৰ তিতাবৰ মহকুমাৰ তিতাবৰ আৰু মৰিয়নি বিধানসভা সমষ্টিক সামৰি ২০০৭তে মুঠতে ছটা বিয়াগোম ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্পৰ ৰূপায়ণৰ কাম আৰম্ভ কৰিছিল যদিও ১৩ বছৰ উকলি যোৱাৰ পাছতো এটাও প্ৰকল্প সম্পূৰ্ণ কৰিব নোৱাৰিলে। প্ৰতিটো প্ৰকল্পৰ নিৰ্মাণ সমাপ্তিৰ কাল এটা দশক উকলি যোৱাৰ পাছতো এটাও প্ৰকল্প আজিলৈকে কাৰ্যক্ষম কৰিব নোৱাৰিলে। তদানীন্তন প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈৰ পাৰ্যমানত তিতাবৰ মহকুমাত কে'বাটাও ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্পৰ কাম আৰম্ভ কৰিছিল। আশ্চৰ্য্যজনকভাৱে কংগ্ৰেছ চৰকাৰৰ শাসনকালত উন্নয়ন আৰু দুৰ্নীতিয়ে সমান্তৰালভাৱে সহাৱস্থান কৰাত এটাও প্ৰকল্পই পূৰ্ণতা নাপালে। উল্লেখ্য ২০০৭-০৮ বৰ্ষতে আৰম্ভ কৰা তিতাবৰৰ কাচজান নদীৰ এক কোটি আঠত্ৰিশ লাখ টকাৰ ব্যয়ৰে নিৰ্মাণ কৰিবলৈ লোৱা জলসিঞ্চন প্ৰকল্পও ২০১৩-১৪তে নিৰ্মাণ সমাপ্ত হ'ব লাগিছিল নিৰ্মাণ কাৰ্যৰ বিসংগতি যদিও আৰু অবাধ দুৰ্নীতিৰ বাবে প্ৰকল্পটোৱে আজিও পূৰ্ণতা নাপালে। তিতাবৰ মহকুমাৰ প্ৰায় ১৫ খন গাঁৱৰ ২৫০ হেক্টৰ মাটিকালিৰে আগুৱা বিশাল হামদৈ পথাৰত পানী যোগান ধৰিবলৈ আঁচনি গ্ৰহণ কৰা প্ৰকল্পটোৱে চৰকাৰী ব্যৱস্থাটোকে হাঁহিয়াতৰ পাত্ৰ কৰিলে। প্ৰকল্পটোৱে পূৰ্ণতা পোৱা হ'লে হামদৈ পথাৰৰ অন্তৰ্গত টেকেলাগাঁও, তাঁতীগাঁও, বগাৰগাঁও, এলেঙী আদি অঞ্চলৰ হেজাৰৰো অধিক কৃষক পৰিয়ালে বছৰটোত দুটা খেতিত মনোনিৱেশ কৰি ৰাজ্যৰ অৰ্থনীতিত এক যুগান্তকাৰী পৰিৱৰ্তন আনিবলৈ সক্ষম হলহেঁতেন। কংগ্ৰেছী আমোলৰ জলসিঞ্চন মন্ত্ৰী ডাঃ অৰ্ধেন্দু দেই নিজেই প্ৰকল্পকেইটাৰ অগ্ৰগতি চৰজমিন অধ্যয়ন কৰি কৃষকসকলৰ সমস্যাটো দূৰ কৰাৰ আশ্বাস দিয়াৰ পাছতো ফলৱতী নহ'ল। বৰঞ্চ যিমানখিনিলৈকে নিৰ্মাণ সমাপ্ত হ'ল সেইখিনিও এতিয়া জহি-খহি উৰলিবলৈ আৰম্ভ কৰিছে। একেদৰে দুই কোটি নব্বৈ লাখ টকাৰ ব্যয় সাপেক্ষ অসম-নগালেণ্ড সীমান্তৰ তেৰিমেৰি জানৰ জলসিঞ্চন প্ৰকল্পৰ কামৰ কোনো অগ্ৰগতিয়ে নহ'ল।

# ঘগ্ৰাপাৰৰ বুৰবুৰীত নোনা নৈৰ বক্ষত অবৈধ খনন অব্যাহত

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ৬ মে' ঃ** নলবাৰী জিলাৰ জলসম্পদ বিভাগৰ অন্তৰ্গত ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অধীনস্থ বুৰবুৰীত নোনা নৈৰ বক্ষত কিছুদিন ধৰি ৰাজনৈতিকভাৱে প্ৰভাৱশালী একাংশ বিজেপিৰ পালিনেতাই খনন কাৰ্য চলাই অহাৰ অভিযোগ উঠাৰ সময়তে আজি সাংবাদিকৰ দল উপস্থিত হোৱাত কেমেৰা দেখি উক্ত স্থানৰ পৰা ট্ৰেক্টৰসমূহ লৈ পলায়ন কৰে চালকসকল। উল্লেখ্য যে বুৰবুৰী গাঁৱৰ গাঁওবুঢ়াৰ ঘৰ সন্মুখতে এনেদৰে নোনা নৈৰ বক্ষত অবৈধ খনন সংঘটিত হৈ আহিছে যদিও গাঁও প্ৰধানৰ ভূমিকা সন্দেহজনক বুলি চৰ্চিত হৈছে। ইফালে, নলবাৰী জলসম্পদ বিভাগৰ এজন কৰ্মচাৰীয়ে এইসমূহ খনন কাৰ্য দেখি-শুনিও আদবাটৰ পৰা উভতি অহাৰো ৰাজহুৱা অভিযোগ উঠিছে। লগতে স্থানীয় ৰাইজ আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ঘগ্ৰাপাৰ আঞ্চলিক সমিতিৰ উপদেষ্টা ইন্তাজ হুছেইনে অভিযোগ কৰে যে নৈ খননৰ উক্তস্থানত খনন কাৰ্য নলবাৰী জলসম্পদ বিভাগৰ পৰোক্ষ সহযোগত দীৰ্ঘদিন ধৰি চলি আহিছে। উল্লেখ্য যে বুৰবুৰীত নোনা নৈৰ বক্ষত যিসমূহ ট্ৰেক্টৰে অবৈধভাৱে খনন কাৰ্য চলাই আহিছে সেইসমূহ অধিকাংশই গেৰুৱা দলটোৰ পালিনেতাৰ বুলি অভিযোগ উঠিছে। পিছে এইসকল পালিনেতাই আৰু কোনো প্ৰশাসন, বন বিভাগ, জলসম্পদ বিভাগ আৰু সাংবাদিকক ভয় নকৰে কাৰণ তেওঁলোকৰ হেনো মন্ত্ৰী-বিধায়ক আছে। এই ক্ষেত্ৰত নলবাৰী সমষ্টিৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাই কি পদক্ষেপ গ্ৰহণ কৰে সেয়া সময়েহে ক'ব পাৰিব। ইফালে, যুৱ-ছাত্ৰ পৰিষদ ঘগ্ৰাপাৰ আঞ্চলিক সমিতিয়ে নোনা নৈৰ বক্ষত অবৈধভাৱে চলি থকা কাৰ্য শীঘ্ৰে বন্ধ কৰিবলৈ চৰকাৰ তথা নলবাৰী উপায়ুক্তক দাবী জনাইছে। অন্যথা আগন্তুক দিনত ৰাইজৰ সহযোগিতা গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব বুলি হুংকাৰ প্ৰদান কৰে।



# পুখুৰীত মহিলাৰ মৃতদেহ উদ্ধাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ৬ মে' ঃ** যোৰহাট নগৰৰ মাজমজিয়াৰ আটিয়া গাঁৱৰ এটা পুখুৰীত কালি বিয়লি এগৰাকী বৃদ্ধাৰ মৃতদেহ ওপঙি থকা অৱস্থাত উদ্ধাৰ হয়। আটিয়া গাঁও চাৰিআলিৰ পৰা প্ৰায় ডেৰশ মিটাৰ ভিতৰত অৱস্থিত সৰু পুখুৰী এটাত ওপঙি থকা অৱস্থাত মহিলাগৰাকীৰ মৃতদেহটো স্থানীয় লোকে প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰে। ওচৰৰে লাবণ্য বৰদলৈ (৭৬) বুলি চিনাক্ত কৰে। মহিলাগৰাকীৰ স্বামী প্ৰেম বৰদলৈ ইতিপূৰ্বে ঢুকাইছিল আৰু তেওঁ একমাত্ৰ পুত্ৰ-বোৱাৰীৰ লগত আছিল। কালি পুৱতি নিশা তেওঁ ঘৰৰ পৰা ওলাই গৈছিল আৰু তাৰ পাছৰে পৰা নিৰুদ্দেশ হৈ আছিল। পৰিয়ালৰ লোকে বিচাৰ-খোচাৰ কৰে যদিও সন্ধান পোৱা নাছিল। অৱশেষত পুখুৰীত তেওঁক মৃত অৱস্থাত উদ্ধাৰ কৰা হয়।





# অনিৰ্দিষ্টকাললৈ স্থগিত এছিয়ান গেমছ

## চীনত পুনৰ ক'ভিডৰ প্ৰকোপ বৃদ্ধিৰ বাবেই সিদ্ধান্ত এছিয়ান অলিম্পিক কাউন্সিলে

MONTE BIANCO
Smart Everyday
FORMAL | CASUAL | MENSWEAR



**নিউজ ব্যুৰ'**

**বেইজিং, ৬ মে' ঃ** কৰ'না ভাইৰাছৰ বাবে পুনৰ ক্ষতিগ্ৰস্ত হ'ল ক্ৰীড়াক্ষেত্ৰ। এইবাৰ অনিৰ্দিষ্ট কালৰ বাবে স্থগিত হ'ল চীনত অনুষ্ঠিত হ'বলগীয়া এই বছৰৰ এছিয়ান গেমছ। শেহতীয়াকৈ চীনত ক'ভিডৰ প্ৰকোপ উদ্বেগজনকভাৱে বৃদ্ধি পোৱাৰ ফলতে এই সিদ্ধান্ত গ্ৰহণ কৰিলে এছিয়ান অলিম্পিক কাউন্সিলে। সম্প্ৰতি চীনৰ একাধিক চহৰত তলাবন্ধ ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিততে তাৎক্ষণিকভাৱে এই সিদ্ধান্ত লোৱা হৈছে। আজি তাছখণ্ডত অনুষ্ঠিত এছিয়ান অলিম্পিক কাউন্সিলৰ কাৰ্যকৰী বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰে।

ইফালে, হাংঝৌ প্ৰশাসনৰ তৰফৰ পৰাও এছিয়ান গেমছ অনিৰ্দিষ্টকালৰ বাবে স্থগিত হোৱাৰ কথা সদৰী কৰিছে। অহা ১০ৰ পৰা ২৪ ছেপ্টেম্বৰলৈ হাংঝৌত ১৯সংখ্যক এছিয়ান গেমছ অনুষ্ঠিত হোৱাৰ কথা আছিল। ইয়াৰ বাবে প্ৰস্তুতিও বহুখিনি আগবাঢ়িছিল। পৰৱৰ্তী সময়ত কেতিয়া এছিয়ান গেমছ অনুষ্ঠিত হ'ব, সেই সিদ্ধান্ত এতিয়াই গ্ৰহণ কৰা নাই। আগন্তুক দিনৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখিহে এই ক্ষেত্ৰত সিদ্ধান্ত লোৱা হ'ব বুলি কাউন্সিলে জনাইছে। পৰৱৰ্তী সময়ত গেমছৰ আয়োজকে এই সিদ্ধান্ত গ্ৰহণ কৰিব। এছিয়ান অলিম্পিক কাউন্সিলে জনাইছে যে চীনৰ অলিম্পিক সংস্থা আৰু হাংঝৌ এছিয়ান গেমছ আয়োজক কমিটীৰ স'তে আলোচনা কৰিয়ে এই সিদ্ধান্ত লোৱা হৈছে। এই তিনি কমিটীয়ে আলোচনা কৰিলে এছিয়ান গেমছৰ পৰৱৰ্তী তাৰিখ ঘোষণা কৰিব।

উল্লেখ্য যে বিগত কিছুদিন ধৰিয়ে কৰ'নাৰ বাবে এছিয়ান গেমছ পিছুৱাই যাব পাৰে বুলি চৰ্চা হৈছিল। চীনত সম্প্ৰতি ব্যাপক হাৰত সংক্ৰমণ বৃদ্ধি পাইছে। বহু ৰোগীৰো মৃত্যু হৈছে। পৰিস্থিতিৰ স'তে মোকাবিলা কৰাৰ বাবেই একাধিক চহৰত তলাবন্ধ ঘোষণা কৰিছে। এনে পৰিস্থিতি এছিয়ান গেমছত অংশগ্ৰহণ কৰাক কেন্দ্ৰ কৰি বিভিন্ন দেশে আপত্তি দৰ্শাইছিল। অৱশ্যে এছিয়ান গেমছ স্থগিত হ'লেও ক্ৰীড়া সমাৰোহখনৰ ল'গ' বা মেছকটৰ কোনো পৰিৱৰ্তন নহ'ব। হাংঝৌ গেমছত ৬১বিধ খেলাত প্ৰায় ১১ হেজাৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰাৰ কথা। ঝেইজিং প্ৰদেশৰ ৰাজধানী হাংঝৌ ছাংহাইৰ পৰা মাত্ৰ ১৭৫ কিলোমিটাৰ দূৰত অৱস্থিত। ছাংহাইত শেহতীয়াকৈ প্ৰতি দিনেই কে'বা হেজাৰ লোক সংক্ৰমিত হৈছে। সেইবাবেই কোনো 'ৰিস্ক' ল'ব নুখুজিলে আয়োজকে। উল্লেখ্য যে এছিয়ান গেমছৰ সমান্তৰালকৈ এছিয়ান যুৱ ক্ৰীড়াও অনিৰ্দিষ্টকাললৈ স্থগিত ৰখা হৈছে। এই ক্ৰীড়া সমাৰোহ ছানতৌত ২০ৰ পৰা ২৮ ডিচেম্বৰলৈ অনুষ্ঠিত হোৱাৰ কথা আছিল।



মাদ্ৰিদ অপেন টেনিছৰ কোৱাৰ্টাৰ ফাইনেলত জয়ী হৈ ন'ভাক ডক'ভিচৰ প্ৰতিক্ৰিয়া, শুকুৰবাৰে।

# ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো উজলিছে গোলাঘাটৰ কুশল চাংমাই

অগ্ৰদূত বাৰ্তা

নুমলীগড়, ৬ মে' ঃ চাহ বাগিচাৰ পৰিচালকৰ দায়িত্বত থাকিও এটাৰ পাছত আন এটাকৈ গৌৰৱ কঢ়িয়াইছে গোলাঘাট জিলাৰ মৰঙি মৌজাৰ এখন চাহ বাগিচাৰ এজন পৰিচালকে । যুৱ প্ৰজন্মক নিচাযুক্ত সামগ্ৰী সেৱণৰ পৰা আঁতৰাই ৰখাৰ নিৰলস প্ৰয়াস অব্যাহত ৰাখিছে এইজন লোকে। চাহ বাগিচাৰ মাজত শ্ৰমিকসকলৰ স'তে থাকি যুৱ প্ৰজন্মক নিচাযুক্ত সামগ্ৰীৰ পৰা আঁতৰাই ৰাখিবৰ কাৰণে অহৰহ প্ৰচেষ্টা কৰি অহা এজন ব্যতিক্ৰমী পৰিচালকৰ ব্যতিক্ৰমী প্ৰতিভা। এটাৰ পাছত আন এটাকৈ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সন্মান কঢ়িয়াই আনিছে লোকজনে। নাম তেওঁৰ কুশল চাংমাই। দেশৰ চাহ উদ্যোগৰ অন্যতম শ্ৰেষ্ঠ চাহ কোম্পানী প্ৰয়াত হেমেন বৰুৱাৰ 'বৰুৱা এণ্ড এচ'চিয়েটছ'ৰ মৰঙিত অৱস্থিত 'গোবিন্দপুৰ চাহ বাগিচা'ৰ পৰিচালক চাংমাই এজন দক্ষ পৰিচালকৰ লগতে শৰীৰচৰ্চাবিদো। চাহ বাগিচাৰ চাহ শ্ৰমিকসকলৰ স'তে একাত্ম হৈ নিজৰ কৰ্তব্য পালনৰ লগতে ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত এটাৰ পাছত আন এটাকৈ তেওঁ সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। স্বদেশত সাত বাৰকৈ খিতাপ দখল কৰাৰ উপৰি থাইলেণ্ড আৰু চিংগাপুৰত অনুষ্ঠিত শৰীৰচৰ্চা প্ৰতিযোগিতাত ক্ৰমে সোণ আৰু ৰূপৰ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। মিষ্টাৰ অসম প্ৰতিযোগিতাতো ন বাৰকৈ খিতাপ দখল কৰিবলৈ সক্ষম হৈছিল। শেহতীয়াকৈ আন এটা সন্মান লাভ কৰিছে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত। যোৱা ১৬ আৰু ১৭ এপ্ৰিলত মহাৰাষ্ট্ৰৰ পুনেত অনুষ্ঠিত মিঃ ইউনিভাৰ্ছ প্ৰতিযোগিতাত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ব্ৰঞ্জৰ পদক লাভ কৰি ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছে। তদুপৰি তেওঁ কেৱল গৌৰৱ কঢ়িওৱাই নহয় শৰীৰ চৰ্চাৰ জৰিয়তে কেনেকৈ নৱ প্ৰজন্মক নিচাযুক্ত সামগ্ৰীৰ পৰা আঁতৰাই সুস্থ সমাজ গঢ়িব পাৰি তাৰ বাবে অহৰহ চেষ্টা কৰি আহিছে। সাধাৰণতে বাগিচা অঞ্চলত এনেবোৰ কাম কৰি সেৱা আগবঢ়োৱা কাৰ্য নিতান্তই প্ৰশংসনীয় । তেওঁক লৈ বাগিচাৰ ৰাইজে সদায়ে গৌৰৱ কৰি আহিছে । ইতিমধ্যে মৰঙিৰ দৈগ্ৰোঙত আৰু গোলাঘাট নগৰত একক প্ৰচেষ্টাৰে শৰীৰ চৰ্চা কেন্দ্ৰ স্থাপন কৰি যুৱ প্ৰজন্মক প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে । নিচাজাতীয় দ্ৰব্য ড্ৰাগছ, মদ, ভাং আদিৰ প্ৰতি আসক্ত নহৈ শৰীৰ চৰ্চাৰ প্ৰতি গুৰুত্ব দিবৰ বাবে যুৱ প্ৰজন্মৰ মাজত সজাগতা আনিবৰ বাবে অহৰহ কাম কৰাৰ কথা ব্যক্ত কৰিছে কুশল চাংমায়ে।

# শূন্যৰ অভিলেখত ৰোহিতক স্পৰ্শ কৰিলে মনদীপ সিঙে



**নিউজ ব্যুৰ'**

**মুম্বাই, ৬ মে' ঃ** আইপিএলত এক অবাঞ্ছনীয় অভিলেখৰ অধিকাৰী হ'ল দিল্লী কেপিটেল্‌ছৰ বেটাৰ মনদীপ সিং। আইপিএলৰ ইতিহাসত সৰ্বাধিকবাৰ শূন্যত আউট হোৱাৰ অভিলেখ স্পৰ্শ কৰিলে মনদীপে। এই ক্ষেত্ৰত তেওঁ মুম্বাই ইণ্ডিয়ান্‌ছৰ অধিনায়ক ৰোহিত শৰ্মাৰ অভিলেখ স্পৰ্শ কৰে। যোৱা নিশাৰ খেলখনত ভুৱনেশ্বৰ কুমাৰৰ বলত পাঁচটা বল খেলি কোনো ৰাণ নকৰাকৈ আউট হয় মনদীপ। মনদীপ আৰু ৰোহিত এই পৰ্যন্ত ১৪বাৰকৈ কোনো ৰাণ নকৰাকৈ আউট হৈছে। তেওঁলোকৰ পাছত ১৩বাৰকৈ আইপিএলত আউট হৈছে অজিংক্য ৰাহানে, অম্বাতি ৰায়ুডু, দীনেশ কাৰ্তিক, পীয়ুষ চাওলা, পাৰ্থিৱ পেটেল আৰু হৰভজন সিং। মনদীপে কালি তেওঁলোকক অতিক্ৰম কৰে।

# ১৩ মে'ৰ পৰা অসম এমেচাৰ মুৱাইথাই প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ ৬ মে' ঃ** ১৮সংখ্যক অসম এমেচাৰ মুৱাইথাই প্ৰতিযোগিতাখনি তিনিদিনীয়াকৈ অহা ১৩, ১৪ আৰু ১৫ মে'ত সোণাপুৰ মহাবিদ্যালয়ৰ ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। সদৌ অসম এমেচাৰ মুৱাইথাই সন্থাৰ উদ্যোগত আৰু কামৰূপ জিলা এমেচাৰ মুৱাইথাই শাখাৰ সহযোগত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাখনি উভয় শাখাত ছাব জুনিয়ৰ, জুনিয়ৰ, যুৱ আৰু ছিনিয়ৰ পৰ্যায়ত হ'ব। এই প্ৰতিযোগিতাতে অহা জুনত হ'বলগীয়া ৰাষ্ট্ৰীয় মুৱাইথাই প্ৰতিযোগিতাৰ বাবে ৰাজ্যিক দলটোক বাছনি কৰা হ'ব। সেয়ে ৰাজ্যিক মুৱাইথাইৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত সকলো জিলা সমিতিক সম্পাদক প্ৰতাপ ৰাহাঙৰ লগত অথবা ৮০১১৭-১২৪৪৩ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

# আইটা টেলেণ্ট টেনিছত অসমৰ আদ্ৰিকাৰ দ্বিমুকুট

## ন মে'ৰ পৰা আইটা চেম্পিয়নশ্বিপ ছিৰিজ

**গুৱাহাটী, ৬ মে' ঃ** আইটা টেলেণ্ট ছিৰিজ টেনিছত দ্বিমুকুট অৰ্জন কৰিলে অসমৰ প্ৰতিভাৱান টেনিছ খেলুৱৈ আদ্ৰিকা ৰাজকুমাৰীয়ে। ডিব্ৰুগড়ত কালি সমাপ্ত হোৱা প্ৰতিযোগিতাখনত আদ্ৰিকাই ১৬ বছৰ অনূৰ্ধ্বৰ ছোৱালীৰ একক আৰু দ্বৈত শাখাৰ খিতাপ জয় কৰে। একক শাখাৰ ফাইনেলত আদ্ৰিকাই অসমৰে অৰ্ণৱী দেৱনাথক ৩-৬, ৬-৩, ৬-০ ছেটত পৰাজিত কৰে। প্ৰথম ছেটত পৰাজিত হোৱাৰ পাছতো আদ্ৰিকাই দুৰ্দান্তভাৱে খেলখনলৈ প্ৰত্যাৱৰ্তন ঘটায়। ইয়াৰ পাছত আদ্ৰিকাই নিষ্ঠা বেজবৰুৱাৰ স'তে যুটি বান্ধি অৰ্ণৱী আৰু নিকিতা কাশুৰ যুটিক দ্বৈত শাখাৰ ফাইনেলত ৬-৪, ৬-০ ছেটত পৰাজিত কৰি চেম্পিয়ন হয়। ইফালে, অনূৰ্ধ্ব ১৬ বছৰৰ ল'ৰাৰ একক শাখাৰ খিতাপ অৰ্জন কৰে অসমৰ পাৰ্থিৱ কলিতাই। তেওঁ ফাইনেলত অসমৰে ৰামানুজ তালুকদাৰক ৬-০, ৬-৩ ছেটত হৰুৱায়। আনহাতে, ল'ৰাৰ দ্বৈত শাখাৰ ফাইনেলত চাঙোগ্য ত্ৰিদিৱে পাঠক আৰু বিদ্যুৎ ৰঞ্জন বৰাৰ যুটিয়ে ৰামানুজ আৰু অভিৰাজ দত্তৰ যুটিক ৬-২, ৬-১ ছেটত পৰাজিত কৰি খিতাপ জয় কৰে।

ইপিনে, আইটাৰ সচিব অংকুশ দত্তই জনাইছে যে আইটা চেম্পিয়নশ্বিপ ছিৰিজ টেনিছ প্ৰতিযোগিতাখন অহা ন মে'ৰ পৰা আৰম্ভ হ'ব। গুৱাহাটীৰৰ চচল টেনিছ প্ৰকল্পত অনূৰ্ধ্ব ১২ আৰু ১৪ বছৰত ল'ৰা আৰু ছোৱালীৰ বিভাগত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। কাইলৈৰ পৰা দুদিনীয়াকৈ প্ৰতিযোগিতাৰ যোগ্যতা অৰ্জনকাৰী পৰ্বৰ খেলসমূহ হ'ব।

# সৰুপেটাত যোগ-সমৰ কলা প্ৰশিক্ষণ শিবিৰ

**অগ্ৰদূত বাৰ্তা**

**সৰুপেটা, ৬ মে' ঃ** সৰুপেটাৰ জে বি যোগা এণ্ড কাৰাটে একাডেমীৰ উদ্যোগত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে যোগ আৰু সমৰ কলাৰ এক প্ৰশিক্ষণ শিবিৰ আৰম্ভ হৈছে। স্থানীয় বিদ্যামন্দিৰ হাইস্কুলত অনুষ্ঠিত এই প্ৰশিক্ষণ শিবিৰ আজি বন্তি প্ৰজ্বলনৰ জৰিয়তে মুকলি কৰে বৰপেটা জিলা ক্ৰীড়া বিষয়া অক্ষয় কুমাৰ দাসে। বন্তি প্ৰজ্বলনৰ পাছতে প্ৰদত্ত নিজৰ উদ্বোধনী ভাষণত জিলা ক্ৰীড়া বিষয়াজনে 'যোগ এক অমূল্য সম্পদ, ইয়াক কিনিব নোৱাৰি আৰ্জিবহে পাৰি' বুলি এক গুৰুত্বপূৰ্ণ মন্তব্য কৰে। সৰুপেটা হাইস্কুলৰ শাৰীৰিক নিৰ্দেশক দিলীপ কুমাৰ দাসে আঁত ধৰা প্ৰশিক্ষণ শিবিৰৰ উদ্বোধকজনে কয় 'ভুকুতে কল নপকে' অসমীয়া আপ্তবাক্যশাৰীৰ উদ্ধৃতিৰে কয়, 'যোগ সাধনাৰ জৰিয়তে লাভ কৰা সুফল। এদিন বা এবছৰত নহয়, বহুদিন পাছতহে পোৱা যায়।' স্বাস্থ্যক অমূল্য সম্পদ আখ্যা দি ক্ৰীড়া বিষয়াজনে কয় যে অমূল্য সম্পদ গঢ়িবলৈ স্বাভাৱিকতে সময় লাগে। তেওঁ কয়, 'আমাৰ মহাপুৰুষ গুৰুজনাই বিভিন্ন আচাৰ আৰু সুস্থ নীতি-নিয়ম পালন কৰি এক সুস্থ দেহ নিৰ্মাণ কৰিছিল। আমাৰ দেহত আত্মাই থিতাপি লৈ আছে আৰু আত্মাক সন্তুষ্ট কৰিব পাৰিলেহে দেহত আত্মা থাকিব।' সম্প্ৰতি সমগ্ৰ বিশ্বতে যোগৰ জনপ্ৰিয়তা দ্ৰুতগতিত বৃদ্ধি পোৱালৈ লক্ষ্য ৰাখি আমাৰ উঠি অহা চামৰ বিভিন্ন ৰাগিয়াল দ্ৰব্যৰ লগতে গুটখা, শিখৰ আদি ৰাগিয়াল বস্তুৰ প্ৰতি আসক্তি দিনে দিনে বৃদ্ধি পোৱাতো তেওঁ খেদ প্ৰকাশ কৰে। তেওঁ কয়, 'বিভিন্ন শিক্ষানুষ্ঠানৰ লগতে ৰাজহুৱা অনুষ্ঠানৰ সন্মুখতে গুটখাৰ পেকেট উলমি থকাটোকো আমাৰ জনস্বাস্থ্যৰ প্ৰতি এক ভাবুকিস্বৰূপ হৈ পৰিছে। এইক্ষেত্ৰত চৰকাৰৰ কৰণীয় থকাৰ লগতে আমাৰ প্ৰত্যেকৰে ব্যক্তিগতভাৱেও এই ক্ষেত্ৰত দায়িত্ব আছে।'

উল্লেখ্য যে আজিৰ এই যোগ শিবিৰত দুই যোগ প্ৰশিক্ষক বসন্ত মজুমদাৰ আৰু বিৰাজ শৰ্মাই শিবিৰত অংশগ্ৰহণকাৰী হাইস্কুলীয়া পৰ্যায়ৰে পৰা বিভিন্ন বয়সৰ লোকসকলক বিজ্ঞানসন্মতভাৱে যোগৰ প্ৰশিক্ষণ প্ৰদান কৰে। অনুষ্ঠানত ক্ৰীড়া বিষয়া দাস আৰু আমন্ত্ৰিত দুয়োজন যোগ প্ৰশিক্ষকৰ স'তে জেবি যোগা এণ্ড কাৰাটে একাডেমীৰ সভাপতি গপেশ চন্দ্ৰ দাস আৰু সম্পাদক জিতু পাঠকক এখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। আজিৰ এই যোগ প্ৰশিক্ষণ শিবিৰত জেবি যোগা এণ্ড কাৰাটে একাডেমীৰ যোগ প্ৰশিক্ষক ৰবীমণি দাস আৰু একাডেমীৰে জড়িত অধৰ বৰুৱা, বাপনলাল চৌধুৰী আৰু সৰুপেটা বিদ্যামন্দিৰ হাইস্কুলৰ ক্ৰীড়া প্ৰশিক্ষক কুসুম ডেকাৰে স'তে ভালেসংখ্যক লোক উপস্থিত আছিল। উল্লেখ্য যে তিনিদিনীয়া এই প্ৰশিক্ষণ শিবিৰত পুৱাবেলা যোগ প্ৰশিক্ষণ অনুষ্ঠিত হোৱাৰ লগতে আবেলি চাৰি বজাৰ পৰা আত্মৰক্ষাৰ উদ্দেশ্যে সমৰ কলাৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব।



*সৰুপেটাত যোগ-সমৰকলা প্ৰশিক্ষণৰ এটি মুহূৰ্ত।*

# টি-২০ত খলিলৰ এশ উইকেট

**নিউজ ব্যুৰ'**

**মুম্বাই, ৬ মে' ঃ** টি-২০ ক্ৰিকেটত এশ উইকেট সম্পূৰ্ণ কৰিলে দিল্লী কেপিটেল্‌ছৰ বাঁওহতীয়া পেচবলাৰ খলিল আহমেদে। যোৱা নিশা হায়দৰাবাদ ছানৰাইজাৰ্ছৰ বিপক্ষে আইপিএলৰ মেচত খলিলে এই কৃতিত্ব স্থাপন কৰে। খেলখনত বাঁওহতীয়া পেচবলাৰজনে তিনিটা উইকেট দখল কৰে। উল্লেখ্য যে প্ৰায় তিনি বছৰ তেওঁ ভাৰতীয় দলৰ বাহিৰত আছে। এইবাৰ আইপিএলত দুৰ্দান্ত ফৰ্ম প্ৰদৰ্শন কৰি তেওঁ প্ৰত্যাৱৰ্তনৰ আশা জিলিকাইছে।



*বেটিঙৰ পৰত অধিনায়ক পন্টৰ স'তে ৱাৰ্ণাৰ।*

# অভিনৱ বৰা প্ৰিমিয়াৰ লীগৰ ফাইনেলত লায়ন্স-হিৰোজ

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ৬ মে' ঃ** নগাঁও ক্ৰিকেটাৰ্ছ ক্লাবৰ উদ্যোগত নগাঁৱৰ নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা প্ৰথম অভিনৱ বৰা সোঁৱৰণী প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ কাইলৈ অনুষ্ঠিত হ'বলগীয়া ফাইনেলত খিতাপ লাভৰ বাবে কামপুৰ লায়ন্সে আমোলাপট্টি হিৰোজৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব। আজি অনুষ্ঠিত ছেমিফাইনেলত কামপুৰ লায়ন্সে ডিফলু ডেয়াৰ ডেভিল্‌ছক ৬৪ ৰাণত আৰু আমোলাপট্টি হিৰোজে শ্বাসৰুদ্ধকাৰী খেলত আমোলাপট্টি ছুপাৰ জায়েণ্ট্‌ছক এক উইকেটত পৰাজিত কৰি ফাইনেলত উপনীত হয়। ইয়াৰে পুৱাবেলাৰ খেলখনত কামপুৰ লায়ন্সে পোনতে বেট ধৰি সৌৰভ সাহাৰ ২৭, ৰোহন হাজৰিকাৰ ২৫, অংশুমান কাটনিৰ ১৭, ধীৰাজ গোস্বামীৰ ১৪ আৰু অধিনায়ক দেৱজিৎ বৰুৱাৰো ১৪ ৰাণৰ উল্লেখ্যনীয় বৰঙণিৰে ২০ অভাৰত ছটা উইকেটৰ বিনিময়ত ১২৪ ৰাণ সংগ্ৰহ কৰে। বলিঙত ডিফলু ডেয়াৰ ডেভিল্‌ছৰ হৈ বিকাশসিং দত্ত, গোপালকৃষ্ণ ঘোষ আৰু অনুপম হাজৰিকাই দুটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত ডিফলু ডেয়াৰ ডেভিল্‌ছে গোপালকৃষ্ণ ঘোষৰ ৩৭ ৰাণৰ উল্লেখনীয় অৱদান সত্ত্বেও ১৫.১ অভাৰত সকলো উইকেট হেৰুৱাই মাত্ৰ ৬০ ৰাণহে কৰিবলৈ সক্ষম হয়। বলিঙত কামপুৰ লায়ন্সৰ দেৱজিৎ বৰুৱাই চাৰিটা, প্ৰাণজিত বৰাই তিনিটা, ধীৰাজ গোস্বামী, মৃন্ময় দত্ত আৰু চিৰঞ্জীৱ দাসে এটাকৈ উইকেট দখল কৰে। খেলখনত কামপুৰ লায়ন্সৰ দেৱজিৎ বৰুৱাই 'মেন অৱ দ্য মেচ'ৰ সন্মান অৰ্জন কৰে। আনহাতে, বিয়লিৰ খেলখনত আমোলাপট্টি ছুপাৰ জায়েণ্ট্‌ছে পোনতে বেট ধৰি ২০ অভাৰত আঠটা উইকেট হেৰুৱাই ৯৮ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত আমোলাপট্টি হিৰোজে আছিফ ৰাছিমুলৰ ২৩ আৰু দেৱজিত দাসৰ ১৭ ৰাণৰ বৰঙণিৰে ২০ অভাৰত নটা উইকেটৰ বিনিময়ত ৯৯ ৰাণ সংগ্ৰহৰে বিজয়লক্ষত উপনীত হয়। এইখন খেলত আমোলাপট্টি হিৰোজৰ অৰ্পণ দত্তই 'মেন অৱ দ্য মেচ'ৰ বঁটা পায় বুলি আয়োজক সমিতিৰ বিষয়ববীয়া অৰ্পণ দাস, লোকজিৎ গোস্বামী আৰু দেৱজ্যোতি গোস্বামীয়ে জনাইছে।



# বৰদলনিত মহিলা ভলীবল ক'ৰ্টৰ আধাৰশিলা

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ৬ মে' ঃ** ধেমাজি বৰদলনি উন্নয়ন খণ্ডৰ অন্তৰ্গত গোগামুখ গাঁও পঞ্চায়তৰ অসমৰ ৰাজ্যপালৰ আঁচনিৰ অধীনত ছখন উচ্চ মাধ্যমিক বিদ্যালয়ত মহিলাৰ বাবে ছখন ভলীবল ক'ৰ্টৰ আধাৰশিলা আজি স্থাপন কৰা হয়। আধাৰশিলা স্থাপন কৰে গোগামুখ গাঁও পঞ্চায়তৰ সভাপতি মাধৱ চেতিয়াই। আধাৰশিলা স্থাপন কৰি সভাপতি চেতিয়াই কয়, 'গোগামুখ হৈছে ধেমাজি জিলাৰ ভিতৰত ক্ৰীড়াৰ ক্ষেত্ৰত প্ৰাণকেন্দ্ৰ স্বৰূপ। ৰাজ্যপালৰ ক্ৰীড়া আঁচনি যদি গোগামুখ গাঁও পঞ্চায়তে সফল ৰূপ দিব পাৰে, তেন্তে গোগামুখৰ ক্ৰীড়াক্ষেত্ৰখন অধিক শক্তিশালী হৈ উঠিব।' মহিলাৰ ভলীবল ক'ৰ্ট স্থাপন কৰা শিক্ষানুষ্ঠানসমূহ হৈছে গোগামুখ জংকী পানৈ হাইস্কুল, গোগামুখ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়, গোগামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়, গোগামুখ চাউলধোৱা উচ্চ মাধ্যমিক বিদ্যালয় আৰু পূব বালিগাঁও উচ্চ মাধ্যমিক বিদ্যালয়। আজিৰ অনুষ্ঠানত বৰদলনি আঞ্চলিক পঞ্চায়তৰ উপ-সভাপতি হীৰেন পেগু, কনিষ্ঠ অভিযন্তা হেমন্ত সোণোৱাল, সচিব উপেন ফুকনৰ উপৰি শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

# পইণ্ট তালিকাৰ পঞ্চম স্থানলৈ দিল্লী

## ৱাৰ্ণাৰৰ বিক্ৰমত নতি স্বীকাৰ কৰিলে হায়দৰাবাদে

**নিউজ ব্যুৰ'**

**মুম্বাই, ৬ মে' ঃ** অপেনাৰ ডেভিড ৱাৰ্ণাৰৰ দুৰ্দান্ত বেটিঙৰ সহায়েৰে যোৱা নিশা হায়দৰাবাদ ছানৰাইজাৰ্ছক পৰাজিত কৰিলে দিল্লী কেপিটেল্‌ছে। খেলখনত ঋষভ পন্ট নেতৃত্বাধীন দলটো ২১ ৰাণত বিজয়ী হয়। এই জয়েৰে দিল্লী চলিত আইপিএলৰ পইণ্ট তালিকাৰ পঞ্চম স্থানলৈ অগ্ৰসৰ হ'ল।

যোৱা নিশাৰ খেলখনত প্ৰথমে বেটিং কৰি তিনি উইকেটত ২০৭ ৰাণৰ বিশাল স্ক'ৰ সংগ্ৰহ কৰে। ইয়াৰ মূলতে আছিল অষ্ট্ৰেলিয়ান অপেনাৰ ৱাৰ্ণাৰৰ বিস্ফোৰক বেটিং। তেওঁ ৫৮টা বলত ১২টা বাউণ্ডেৰী আৰু তিনিটা ছিক্সাৰৰ সহায়ত ৯২ ৰাণৰ বৰঙণি যোগায়। কেৰিবিয়ান বেটাৰ ৰ'ভমেন পাৱেলে ৩৫টা বলত ৬৭ ৰাণ কৰি অপৰাজিত হৈ ৰয়। তেওঁ তিনিটা বাউণ্ডেৰী আৰু ছটা ছিক্সাৰ মাৰে। অধিনায়ক পণ্টেও ১৬টা বলত এটা বাউণ্ডেৰী আৰু তিনিটা ছিক্সাৰৰ সহায়ত ২৬ ৰাণৰ অৱদান যোগায়। ইফালে, বিশাল লক্ষ্য আগত লৈ হায়দৰাবাদে দলীয় ২৪ ৰাণতে ফৰ্মত থকা দুই অপেনাৰ অভিষেক শৰ্মা আৰু অধিনায়ক কেন উইলিয়ামছনক হেৰুৱায়। ইয়াৰ পাছতে ২২ ৰাণ কৰি ফৰ্মত থকা ৰাহুল ত্ৰিপাঠীও আউট হয়। নিকোলাছ পুৰান আৰু এইডেন মাৰ্কৰামে দলক আগুৱাই নি এটা সময়ত দিল্লীক চিন্তাত পেলাইছিল। অৱশ্যে দুয়োৰে বিদায়ৰ পাছত হায়দৰাবাদৰ আশা নিস্তেজ হয়। পুৰানে ৩৪টা বলত দুটা বাউণ্ডেৰী আৰু ছটা ছিক্সাৰৰ সহায়ত ৬২ আৰু মাৰ্কৰামে ২৫টা বলত চাৰিটা বাউণ্ডেৰী আৰু তিনিটা ছিক্সাৰৰ সহায়ত ৪২ ৰাণৰ বৰঙণি যোগায়।


# ৪২ বছৰৰ পাছত ইউৰোপা লীগৰ ফাইনেলত ফ্ৰেংকফুৰ্ট

**নিউজ ব্যুৰ'**

**ফ্ৰেংকফুৰ্ট, ৬ মে' ঃ** সুদীৰ্ঘ ৪২ বছৰৰ পাছত ইউৰোপা লীগৰ ফাইনেলত প্ৰৱেশ কৰিলে এইনট্ৰেখ্ট ফ্ৰেংকফুৰ্টে। আনহাতে, ২০০৮ৰ পাছত ইউৰোপৰ কোনো ফুটবল প্ৰতিযোগিতাত ফাইনেল খেলিব স্কটলেণ্ডৰ ক্লাব ৰেঞ্জাৰ্ছে। যোৱা নিশা দুয়োটা ক্লাবে ইউৰোপৰ দ্বিতীয় শীৰ্ষ প্ৰতিযোগিতাখনৰ ফাইনেলত প্ৰৱেশ কৰে।

যোৱা নিশা অনুষ্ঠিত ছেমিফাইনেলৰ দ্বিতীয় লেগৰ খেলখনত জাৰ্মান ক্লাব ফ্ৰেংকফুৰ্টে ইংলণ্ডৰ ক্লাব ১-০ গ'লত পৰাজিত কৰে। যোৱা সপ্তাহত অনুষ্ঠিত প্ৰথম লেগৰ ছেমিফাইনেলত ফ্ৰেংকফুৰ্টে ২-১ গ'লত বিজয় অৰ্জন কৰিছিল। দুটা লেগৰ অন্তত দলটো সামগ্ৰিকভাৱে ৩-১ গ'লত বিজয়ী হয়। উল্লেখ্য যে ফ্ৰেংকফুৰ্টে ১৯৮০ত তেতিয়াৰ উৱেফা কাপৰ ফাইনেল খেলিছিল । খেলখনত দলটোৱে জাৰ্মানীৰে ব'ৰুছিয়া মনচেংগ্ৰেডবাখক পৰাজিত কৰি চেম্পিয়ন হৈছিল। আনহাতে, ৰেঞ্জাৰ্ছে ২০০৮ৰ উৱেফা কাপৰ ফাইনেলত জেনিট ছেইণ্ট পিটাৰ্ছবাৰ্গৰ বিপক্ষে পৰাজিত হৈছিল। যোৱা নিশাৰ দ্বিতীয় লেগৰ ছেমিফাইনেলত ৰেঞ্জাৰ্ছে জাৰ্মান ক্লাব আৰ বি লিপজিগক ৩-১ গ'লত পৰাজিত কৰে। উল্লেখ্য যে প্ৰথম লেগত লিপজিগে ৰেঞ্জাৰ্ছক ১-০ গ'লত পৰাজিত কৰিছিল। ইয়াৰ বিপৰীতে যোৱা নিশাৰ খেলত দুৰ্দান্তভাৱে খেলি ৰেঞ্জাৰ্ছে ৩-১ গ'লত জয়লাভ কৰে। ফলত দুটা লেগৰ অন্তত ৰেঞ্জাৰ্ছে সামগ্ৰিকভাৱে ৩-২ গ'লত বিজয় সাব্যস্ত কৰে।

## ২০০৮ৰ পাছত পুনৰ খিতাপৰ যুঁজত ৰেঞ্জাৰ্ছ



## বিল্যাসনন্দন চ'ৰা



# ক'ভিড বনাম কা

**কৰিশ্মা** দেখুৱাই ভাল পোৱা আমাৰ কৰিশ্মা শ্বাহে কেতিয়াবা কেতিয়াবা কিছুমান বৰ ডাঙৰ কথা কয়। এইবাৰ কৈ দিলে যে ক'ভিড কমাৰ লগে লগে কা আহি যাব। কথাষাৰ কৈছে বেংগলত। এনেয়ে কা কা নকৰে। কিন্তু বেংগলত ভৰি দিলেই কি হয় জানো, কৰিশ্মা শ্বাহৰ মুখৰ কথাবোৰ কিবা কা কা হৈ ওলাই আহে। দিদিৰ জাগাত আহিলেই কা কা কৰি থাকে ঠিকেই, কিন্তু দিদিয়ে 'খেলা হবে' বুলি চিঞৰি দিয়াৰ লগে লগে কা কা কৰাবোৰে উৰি গৈ বহু দূৰলৈ গুচি যায়। আকৌ আহে, আকৌ কা কা কৰে, আকৌ দিদিয়ে 'খেলা হবে' বুলি হাত দাঙি আহে আৰু কা কা-বোৰ ভাগ ভাগ হৈ অজান মূলুকলৈ উৰা মাৰে। এইবাৰ আকৌ কৰিশ্মা শ্বাহে ক'ভিডৰ লগত কা-ক মিলাইছে। ক'ভিড কমিলেহে বোলে কা আহিব। ক'ভিডক আকৌ কা-এ কেতিয়াৰ পৰা ভয় কৰা হ'ল? এনেয়ে ক'ভিড চলি থকাৰ টাইমত কিছুমান কাম কৰিবলৈ সুবিধাহে হৈছে। যেনে ধৰক ক'ভিড বাঢ়ি থকা কাৰণে টোলগেট আহিল। ক'ভিড বাঢ়ি থকা কাৰণে বস্তুৰ দামো বাঢ়িল। ক'ভিড বাঢ়ি থকা কাৰণে আন্দোলন-প্ৰতিবাদো কমি আহিল। কিন্তু কৰিশ্মা শ্বাহে এইবাৰ কৈছে যে ক'ভিড কমিলে কা আহিব। দুই-একে শ্বাহক সুধিলে—'ছাৰ, কা আহিব নেকি?

ঃ আহিব।

ঃ সঁচাই আহিবনে?

ঃ সঁচাই আহিব।

ঃ আকৌ যদি প্ৰতিবাদ হয়?

ঃ হ'লে হ'ব।

ঃ আকৌ যদি ৰাস্তাই-ঘাটে টায়াৰ জ্বলায়?

ঃ নজ্বলায়।

ঃ কেনেকৈ জানিলে?

ঃ টায়াৰৰ দাম বাঢ়িছে।

ঃ আপোনালোকৰ জুমুঠি জ্বলায় যদি?

ঃ নজ্বলায়।

ঃ কেনেকৈ জানিলে?

ঃ জুমুঠি জ্বলোৱাৰ আগেয়ে তাত কেৰাচিন ঢালিব নালাগে জানো?

ঃ লাগে।

ঃ কেৰাচিনৰ দাম বাঢ়িছে। কোনেও নিকিনে?

ঃ বাইক ৰেলী উলিয়াব পাৰে।

ঃ নুলিয়ায়।

ঃ কেনেকৈ জানিলে?

ঃ পেট্ৰ'লৰ দাম বাঢ়িছে।

ঃ ৰাজধানী ঘেৰাও কৰিব পাৰে।

ঃ নকৰে।

ঃ কেনেকৈ জানিলে?

ঃ আমি মানুহক বিপথে নিয়াবলৈ শিকি গৈছো। ৰাজধানী বুলি বেলেগ জাগা দেখুৱাই দিম, যেনেকৈ মূল ইছ্যুৰ পৰা আঁতৰাই বেলেগ ফালে লৈ যাওঁ।

ঃ কিন্তু ক'ভিড কমিলেহে কা আনিব বুলি ক'লে যে!

ঃ কাৰণ আছে!

ঃ এইবাৰ যদি আকৌ আগৰ দৰে ক'ভিড আহে...

ঃ তেতিয়া কি হ'ব?

ঃ তেতিয়া আমাৰ দেছ আৰু আমাৰ হৈ নাথাকে। চিধাই এমেৰিকা-ইউৰোপৰ হাতত বেচি থৈ আহিব লাগিব। তেতিয়া আৰু কা-চা আনি লাভ নাই। সেই কাৰণে চাই লওঁ!

# বিশ্বনাথৰ চলাহোলাত বীৰাংগনা মূলাগাভৰুৰ মৈদামৰ সংৰক্ষণৰ দাবী



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ৬ মে'** ঃ ৰাজ্যৰ গৌৰৱময় ইতিহাসৰ এগৰাকী চিৰস্মৰণীয় বীৰাংগনা মূলাগাভৰুৰ মৈদাম বিশ্বনাথৰ চলাহোলা গাঁৱত আছে বুলি বিশ্বাস কৰে ৰাইজে। উল্লেখ্য যে আহোম ৰাজত্ব কালত হোৱা ধাৰাবাহিক মোগল আক্ৰমণৰ ভিতৰত ১৫৩২ত হোৱা দিকৰাইমুখৰ যুদ্ধত প্ৰাণ হেৰুৱাইছিল বীৰাংগনা মুলাগাভৰু। এইগৰাকী বীৰাংগনাক ক'ত মৈদাম দিয়া হৈছিল সেয়া এই পৰ্যন্ত নিশ্চিত কৰা নহ'ল যদিও পূৰ্বৰ অবিভক্ত শোণিতপুৰ জিলাৰ আৰু বৰ্তমানৰ বিশ্বনাথ জিলা অন্তৰ্গত চতিয়াৰ চলাহোলা গাঁৱত ৰাজ্যৰ ইতিহাস প্ৰসিদ্ধ নাৰীগৰাকীৰ মৈডাম থকা বুলি ৰাইজে বিশ্বাস কৰে। উল্লেখ্য যে মৈডামৰ দৰেই এক টিলা আছে ইয়াত আৰু চৰকাৰী নথিত এই টিলাৰ পাঁচ বিঘা ১৬ লেচা মাটিক আইভেটি নামৰে পঞ্জীয়নভুক্ত হৈ আছে। উল্লেখ্য যে সম্ভ্ৰান্ত আহোম নাৰীক আই হিচাপে সন্মান প্ৰদৰ্শন কৰা হয় আৰু ভেটি মানে সমাধিস্থলক কোৱা হয়। তদুপৰি তুৰ্বকৰ স'তে হোৱা এই যুঁজৰ ভৌগোলিক স্থান আৰু মৈদামৰ অঞ্চলৰ স'তে মিল থকাত মূলাগাভৰুৰ মৈদাম এই অংশ হোৱাটোৱে সম্ভাৱনা অধিক। উল্লেখ্য যে এই অঞ্চলত এটা ৰজাদিনীয়া পুখুৰী থকাৰ উপৰি সেই সময়ত যুঁজত ব্যৱহাৰ হোৱা এটা বৰটোপ উদ্ধাৰ হৈছিল আৰু বৰ্তমান এই বৰটোপ তেজপুৰস্থিত জিলা সংগ্ৰহালয়ত আছে। উল্লেখ্য যে এই স্থানৰ আশে-পাশে কে'বাখনো আহোম গাঁও আছে আৰু এইসকল লোকৰ পূৰ্বপুৰুষ ইয়ালৈ সেই সময়ৰ পৰাই থকা বুলিও কোৱা হয়। উল্লেখ্য যে এটা মৈদামৰ সকলো বৈশিষ্ট্য থকা য'দিও অসংৰক্ষিত অৱস্থাত পৰি ৰোৱা এই স্থানত একাধিকবাৰ বেদখলৰ চেষ্টাও চলিছে। ফ্ৰাচেংমুং বৰগোহাঁইৰ পত্নী মূলাগাভৰুৱে তেওঁৰ স্বামীৰ যুঁজত নিহত হোৱাৰ পাছত হাতত হেংদাং লৈ দিকৰাই মুখৰ যুঁজত মোগল সেনাপতি তুৰ্বকৰ মুখামুখি হৈছিল আৰু অতি পৰাক্ৰমৰে যুঁজ কৰি যুদ্ধক্ষেত্ৰত নিহত হৈছিল। এই বীৰগাঁথাৰ মহানায়িকাগৰাকীক ইয়াৰ পাছতে এই আইভেটিতে মৈদাম দিয়া বুলি স্থানীয় লোকে বিশ্বাস কৰাৰ লগতে কয় যে ইয়াত সেই সময়ত আহোম সেনাৰো ছাউনী আছিল। হত্যাৰ প্ৰতিশোধ লবলৈ মূলাগাভৰুৱে মোগলৰ স'তে দিকৰাইমুখৰ যুদ্ধত মৃত্যুবৰণ কৰাৰ সময়ত গইগৰাকী বীৰাংগনাৰ বয়স আছিল ৪৬ বছৰ। উল্লেখ্য যে পাছত কনচেং বৰপাত্ৰ গোহাঁয়ে তুৰ্বকক হত্যা কৰি মোগলক খেদি পঠাবলৈ সক্ষম হৈছিল। স্বৰ্গদেউ চুহুংমুঙৰ শাসনকালত ১৫৩২ত হোৱা এই যুঁজত মৃত্যুবৰণ কৰা মূলাগাভৰুক এই স্থানতে মৈদাম দিয়াৰ বিষয়ে আহোম জাতীয় মহাসভাই অভিমত ব্যক্ত কৰি আহিছে। এই সন্দৰ্ভত বিশ্বনাথ প্ৰশাসনকো ইতিমধ্যে জনোৱাৰ লগতে পুৰাতত্ত্ব বিভাগৰ লোক তথা প্ৰশাসনীয় বিষয়াই এই স্থান পৰিদৰ্শন কৰিছে। উল্লেখ্য যে উত্তৰ অসমতেই মৈদাম দিয়া হৈছিল আৰু পূৰ্বাঞ্চল তাই সাহিত্য সভা, তাই-আহোম ছাত্ৰ সন্থাকে আদি কৰি বিভিন্ন সংগঠনে এই গুৰুত্বপূৰ্ণ অঞ্চলক সংৰক্ষিত কৰি ইয়াক এক ঐতিহাসিক ক্ষেত্ৰ হিচাপে গঢ় দি এক পৰ্যটন কেন্দ্ৰ হিচাপেও উন্নয়ন কৰাৰ দাবী উত্থাপন কৰি আহিছে। এগৰাকী ইতিহাস প্ৰসিদ্ধ বীৰাংগনাৰ মৈদামৰ এই পৰ্যন্ত নিশ্চিতভাৱে স্থান নিৰূপণ নোহোৱাৰ বিপৰীতে বীৰাংগনাগৰাকীৰ মৈদাম হিচাপে দাবী উত্থাপন হোৱা আৰু এইক্ষেত্ৰত সমসাময়িক তথ্য সমলক লৈ এক গৱেষণা তথা পৰীক্ষাৰে এই স্থানক সংৰক্ষণ তথা উন্নয়নৰ বাবে ৰাইজে অপেক্ষা কৰিছে।

# সোণাৰু-এজাৰৰ হেজাৰ পাহিৰে সুশোভিত কলিয়াবৰৰ নিৰ্জনতাৰ সেউজভূমি



## কাজিৰঙালৈ যোৱা ৩৭ নম্বৰ ঘাইপথছোৱাৰ দুয়োকাষে এতিয়া ভিন্নৰঙী ফুলৰ সমাহাৰ

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ৬ মে'** ঃ অশান্ত সময়ত নিৰাশাবাদক পৰাজিত কৰি আশাবাদৰ সঞ্চাৰৰে মানুহৰ মন জীপাল কৰাৰ এক যেন সপোন ৰচিছে প্ৰকৃতিয়ে। খেয়ালি প্ৰকৃতিয়ে সপোন ৰচিছে কলিয়াবৰৰ নিৰ্মল আকাশত। ৰং-বিৰঙৰ ফুলেৰে ভৰিছে আকাশ। নীলা আকাশত যেন ফুল বাচিছে প্ৰকৃতিয়ে। পৰিৱেশে সৃষ্টি কৰা উদ্বেগ, সংশয়, সন্দেহৰ মাজতে যেন প্ৰকৃতিয়ে মানুহৰ মনলৈ আনিছে আশাৰ বতৰা। কলিয়াবৰৰ সেউজ প্ৰকৃতি এতিয়া ফুলেৰে জাতিষ্কাৰ। চৌদিশে বহিছে নানাৰঙী ফুলৰ মেলা। একপ্ৰকাৰ নিৰাশবাদে গা কৰি উঠা মানুহৰ মনত কিছু প্ৰশান্তি বিয়পাই জীৱনত আশাৰ সঞ্চাৰ কৰিবৰ বাবেই যেন নীৰৱে সাজি-কাচি ওলাইছে নিৰ্মল প্ৰকৃতি। আকাশ ভৰি ফুলা কৃষ্ণচূড়া, ৰাধাচূড়া, সোণাৰু, এজাৰৰ হেজাৰ হেজাৰ পাহিয়ে ৰঙীন কৰিছে এই বিচিত্ৰ ধৰাৰ বক্ষ। প্ৰকৃতিৰ এই ৰঙে ক্ষণিকৰ বাবে হ'লেও প্ৰশান্তিময় কৰি তুলিছে প্ৰতিকুল সময়ত জৰ্জৰিত মানুহৰ মনবোৰক। অতি সংগোপনে ৰং সলনি হৈছে খেয়ালি প্ৰকৃতিৰ। সোণাৰু, এজাৰ , কৃষ্ণচূড়া, ৰাধাচূড়াৰ হাঁহিৰে ৰঙীন হৈছে ধৰাৰ বুকু। প্ৰকৃতিৰ ৰঙা-হালধীয়া-বেঙুনীয়াৰে চৌদিশে মায়াময় হৈ পৰিছে কলিয়াবৰত। সলনি হৈছে ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ৰাজপথৰ মন মতলীয়া পৰিৱেশ। চৌপাশে ৰং-বিৰঙৰ ফুল। চাৰিওফালে বিভিন্ন কাৰকে ক্ৰিয়া কৰি গঢ়ি তোলা প্ৰতিকুল সময়ৰ মাজতে ভাৰাক্ৰান্ত মনবোৰক কিছু হ'লেও প্ৰশান্তি দিছে প্ৰকৃতিৰ এই ৰঙে। এতিয়া এজাৰ ফুলাৰ বতৰ। বেজাৰ লগাব'লৈ নহয়, মনৰ অৱসাদ আঁতৰাবলৈকে যেন এতিয়া কলিয়াবৰৰ আকাশত গছ ভৰি ফুলি উঠিছে এজাৰৰ হেজাৰ পাঁহি। এজাৰৰ ৰঙেৰে বেঙুনীয়া হৈ পৰিছে আকাশ। এজাৰৰ সমানে ফুলিছে সোণাৰুও। বাৰিষা আৰম্ভণিৰ সেমেকা পৰিৱেশতো জিলিকিছে সোণাৰুৰ হালধীয়া হাঁহি। ইফালে, বসন্তৰ পৰশ লাগি আকাশ ৰঙাই চৌদিশে ফুলিছে কৃষ্ণচূড়া-ৰাধাচূড়াৰ ফুল। তল সৰা ফুলে পাতি দিছে যেন ৰঙৰ দলিচা। ফুলৰ মেলাৰ এই ৰং-বিৰঙী দৃশ্য এতিয়া সুলভ হৈ পৰিছে কলিয়াবৰৰ। কলিয়াবৰৰ পৰা কাজিৰঙালৈ যোৱা ৩৭ নম্বৰ ঘাই পথছোৱাৰ দুয়োকাষে এতিয়া ভিন্নৰঙী ফুলৰ সমাহাৰ। পথৰ দুয়ো কাষে ফুলি উঠা কৃষ্ণচূড়া, ৰাধাচূড়া, এজাৰ, সোণাৰুৰ ফুলে ভৰাই তুলিছে পথাচাৰীৰ মন। একেদৰে কৃষ্ণচূড়াৰ ৰঙীন আৱেশেৰে মায়াময় হৈ উঠিছে 'লিমকা বুক অৱ ৰেকৰ্ড'ত দিনটোৰ চৌৱিশ ঘণ্টাই সংগীতৰ মূৰ্ছনা তোলা দুৱাৰবিহীন জখলাবন্ধা চহৰ। চৌদিশে ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ সন্মুখে সন্মুখে ফুলি উঠা কৃষ্ণচূড়াৰ ফুলে ৰঙীন কৰি তুলিছে জখলাবন্ধাক। পথৰ দুয়োকাষ ভৰি ফুলিছে বতৰৰ ফুল। প্ৰকৃতিৰ এই মায়াময় ৰূপে ক্ষণিকৰ বাবে হ'লেও আশাৰ বতৰা কঢ়িয়াই আনিছে প্ৰতিকুল সময়ৰ অভিজ্ঞতাৰে ভাৰাক্ৰান্ত মানুহৰ মনবোৰ। বসন্ত আৰু বৰষাৰ সন্ধিক্ষণত এয়া যেন সময় সৃষ্টিৰ সম্ভাৱনাৰ। এজাৰ-সোণাৰু, কৃষ্ণচূড়া-ৰাধাচূড়াৰ ফুলে আশাবাদী মানুহৰ মনলৈ কঢ়িয়াই আনিছে সৃষ্টিৰ বতৰা। প্ৰকৃতিৰ এই মায়াসনা ৰূপতে সৃষ্টি হৈছে বহু কালজয়ী গীত-কবিতা-কথকতা। চৌদিশে কৰ'না ভাইৰাছজনিত আতংকময় পৰিৱেশৰ প্ৰায় অৱসান ঘটাৰ পাছত এতিয়া গছ ভৰি ফুলি উঠা এজাৰ-সোণাৰু, কৃষ্ণচূড়া -ৰাধাচূড়াৰ ফুলে ৰঙীন কৰি তুলিছে মানুহৰ মন। আতংকৰ মাজতো ক্ষণিকৰ বাবে হ'লেও দুঃসময়ৰে ভাৰাক্ৰান্ত মনক প্ৰশান্তি দিছে প্ৰকৃতিৰ এই মায়াময়ৰূপে।



# দুবিঘাজুৰি ঠাল-ঠেঙুলিৰে বিস্তাৰিত দুশ বছৰীয়া খোৰাগাঁৱৰ বটবৃক্ষ

## হাতবাউল দি মাতে দেশী-বিদেশী পৰ্যটকক ঃ গুৰুত্ব নাই বিভাগৰ

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ৬ মে'** ঃ দুবিঘা মাটিকালি সামৰি ঠাল-ঠেঙুলিৰে বিস্তাৰিত বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাৰ অন্তৰ্গত বট বৃক্ষ জোপাই হাতবাউল দি মাতে দেশী-বিদেশী পৰ্যটকক । এই বটবৃক্ষ জোপা যেন এডাল বটবৃক্ষ নহয়-২০ ডালতকৈও অধিক প্ৰকাণ্ড প্ৰকাণ্ড বটবৃক্ষৰ এক সমষ্টিহে। চৌদিশে ছেদেলি-ভেদেলি ঠাল-ঠেঙুলিৰে বৈচিত্ৰ্যপূৰ্ণ হৈ পৰা মহীৰূহ বটবৃক্ষ জোপাৰ ঘাইগছ বিচাৰি উলিওৱাটো পৰ্বতত কাছকণী বিচৰাৰ লেখীয়া। উল্লেখ্য যে জিলাখনৰ অভয়াপুৰীৰ নিকটৱৰ্তী তথা পাচনীয়া খোৰাগাঁও পঞ্চায়তৰ অন্তৰ্গত গেৰামাৰীত প্ৰচাৰবিহীনভাৱে আছে মহীৰূহ বটবৃক্ষ জোপা। স্থানীয় লোকে সদৰী কৰা মতে, দুশৰো অধিক বছৰ হ'ব বটবৃক্ষ জোপাৰ। প্ৰায় দুবিঘা ভূমি আৱৰি থকা বৃক্ষজোপাৰ প্ৰকৃততে ঘাই গছডালৰ অস্তিত্ব বিচাৰি পোৱা নাযায়। উল্লেখ্য যে বহুবছৰ পূৰ্বেই গা-গছডালৰ পৰা স্বাভাৱিকতে ফেৰ মেলি আঁতৰি যোৱা ডালৰ পৰা অস্থানিক শিপাৰ পৰা সৃষ্টি হৈ ক্ৰমে তলমুৱাকৈ গৈ পোত খাই পৰিছিল। পাছত অস্থানিক শিপাবোৰে সময়ত ডালপাত বহন কৰাৰ লগতে প্ৰতিটো অস্থানিক মূল একো একোটা খুটা বা স্তম্ভৰ দৰে হৈ পৰাত বৈচিত্ৰ্যপূৰ্ণ হৈ পৰিছে বটবৃক্ষজোপা। এনে কাৰণতে বটবৃক্ষ জোপাৰ পৰা একাধিক বৃক্ষৰ সৃষ্টি হোৱাত সকলোবোৰে ঘাইগছ যেন হৈ পৰিছে। বিভিন্ন চৰাই-চিৰিকটিৰ আশ্ৰয়স্থল বৃহৎ গছজোপা সংৰক্ষণৰ অভাৱত বহু অংশ বিধ্বস্ত হৈছে। এই স্থানলৈ যাবলৈ অভয়াপুৰীৰ পৰা শিঙিমাৰী হৈ ১০ কিলোমিটাৰ আৰু যোগীঘোপাৰ পৰা ছয় কিলোমিটাৰ উত্তৰ দিশলৈ আগবাঢ়িলে পাব পাৰি এই বটবৃক্ষজোপা। উল্লেখ্য যে এসময়ত গ্ৰামোন্নয়ন বিভাগে বি আৰ জি এফ আঁচনিৰ প্ৰাক্‌কলন পুস্তিকাৰ প্ৰচ্ছদপটত বটবৃক্ষজোপাক প্ৰাধান্য দি গছজোপাৰ সংৰক্ষণৰ বাবে আঁচনি গ্ৰহণৰ বাবে দিল্লীলৈ প্ৰেৰণ কৰিছিল যদিও বটবৃক্ষজোপা সংৰক্ষণৰ ক্ষেত্ৰত গুৰুত্ব দিয়াটো দূৰৈৰ কথা গছজোপালৈ যোৱা জৰাজীৰ্ণ বাট-পথ উন্নয়নৰ বাবেও আশানুৰূপ পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত নহ'ল । যি সময়ত কলকাতা হাওৰাৰ আচাৰ্য জগদীশ চন্দ্ৰ বোস ইণ্ডিয়ান ব'টানিকেল গাৰ্ডেনৰ বটবৃক্ষজোপাই বিশ্বজোৰা খ্যাতি লাভ কৰিছে-তাৰ বিপৰীতে বঙাইগাঁও জিলাৰ খোৰাগাঁৱৰ এই বটবৃক্ষ জোপা সংৰক্ষণ নহ'ল আজিও।

# ব্ৰহ্মপুত্ৰৰ জলৰাশিত শিহুৰ নয়নাভিৰাম দৃশ্য

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ৬ মে'**ঃ জীয়াভৰলী নৈ আৰু ব্ৰহ্মপুত্ৰৰ তেজপুৰৰ ভোমোৰাগুৰিৰ সংযোগস্থলীত এতিয়া নদী ডলফিন অৰ্থাৎ শিহুৰ জলক্ৰীড়াই সন্মোহিত কৰিছে প্ৰত্যক্ষদৰ্শী সকলোকে। উল্লেখ্য যে বিশ্বনাথঘাটৰ পৰা শিলঘাট, ভোমোৰাগুৰি, দেৱসিংঘাট, ৰুদ্ৰপদ, শিঙৰীলৈকে ব্ৰহ্মপুত্ৰৰ প্ৰায় ১২০ কিলোমিটাৰ অংশত শিহুৰ সঘন বিচৰণ দেখিবলৈ পোৱা যায়। ইয়াৰ মাজতে এই দুষ্প্ৰাপ্য জলচৰ প্ৰাণীবিধ মানুহৰ জিঘাংসাৰো বলি হোৱা দুই-এক ঘটনা মাজে মাজে পোহৰলৈ আহে। উল্লেখ্য যে বিশ্বনাথঘাটৰ পৰা শিঙৰী পৰ্যন্ত প্ৰায় দুশ শিহুৱে বিচৰণ কৰে বুলি বন বিভাগৰ এক উচ্চস্তৰীয় সূত্ৰই সদৰী কৰিছে। বুঢ়াচাপৰিৰ কাষৰীয়া ব্ৰহ্মপুত্ৰৰ জলৰাশিতো শিহুৰ বিচৰণে আকৰ্ষণ কৰে পৰ্যটকক। বন্যপ্ৰাণী সুৰক্ষা আইন অনুসৰি প্ৰথম শ্ৰেণীৰ সংৰক্ষিত প্ৰাণীৰ তালিকাত অন্তৰ্ভুক্ত এই শিহু দেশৰ গংগা আৰু ব্ৰহ্মপুত্ৰ তথা ৰাজ্যৰ কুলচী নদীতো পোৱা যায়। তদুপৰি ব্ৰহ্মপুত্ৰত বাংলাদেশ পৰ্যন্ত ইয়াৰ বিচৰণ দেখিবলৈ পোৱা যায়। সম্প্ৰতি এইবিধ জলচৰ জীৱৰ দ্ৰুত অৱলুপ্তি ঘটিছে বিভিন্ন কাৰণত। নদ-নদীসমূহত হোৱা প্ৰদূষণ, বালিখনন, নদীবান্ধ, মৎস্য চিকাৰ আৰু চোৰাং চিকাৰৰ বলি হোৱা শিহুৰ সংখ্যা যোৱা ৫০ বছৰত ৫০ শতাংশ হ্ৰাস পাইছে আৰু বৰ্তমান মাত্ৰ দুহেজাৰ শিহুহে আছে। ইয়াৰ ভিতৰত বৰ্তমান বিশ্বনাথঘাটৰ পৰা শিঙৰীৰ ভিতৰত ব্ৰহ্মপুত্ৰত আছে প্ৰায় দুশ শিহু। ২০-১৩০ ছেকেণ্ডৰ বিৰতিত জলপৃষ্ঠৰ ওপৰত শ্বাস-প্ৰশ্বাস লৈ সাঁতুৰি-নাদুৰি ফুৰে শিহুৱে। ২০২০ত কেন্দ্ৰীয় চৰকাৰৰ পৰিৱেশ, বন আৰু বতৰ পৰিৱৰ্তন বিভাগে শিহুৰ সংৰক্ষণৰ বাবে প্ৰকল্প শিহু আঁচনি গ্ৰহণ কৰে। বৰ্তমান বিশ্বনাথ আৰু শোণিতপুৰৰ মাজৰ ব্ৰহ্মপুত্ৰৰ জলৰাশিত শিহুৰ বংশবৃদ্ধিও ঘটিছে আৰু ইয়াৰ অনুকূল পৰিৱেশত যথেষ্ট বৃহৎ আকাৰৰ শিহুও দেখিবলৈ পোৱা যায়। বিশ্বনাথঘাট আৰু শিলঘাটৰ লগতে বৰ্তমান ভোমোৰাগুৰিৰ পৰা এইবিধ দৃষ্টিনন্দন জলচৰ জীৱক সহজে আৰু একাধিক সংখ্যাত দেখিবলৈ পোৱা যায়। বহু পৰ্যটক তথা বন্যপ্ৰাণী প্ৰেমীয়ে এনেবোৰ অঞ্চলত শিহুৰ জলক্ৰীড়াৰ নয়নাভিৰাম দৃশ্য উপভোগ কৰে। তদুপৰি তেজপুৰৰ দেৱীসিংঘাট আৰু ৰূদ্ৰপদত যথেষ্ট সংখ্যক শিহু দেখিবলৈ পোৱাৰ লগতে তেজপুৰৰ গেৰেকী অঞ্চলৰ কাষতে মহাবাহুৰ জলৰাশিতো এইবিধ দুষ্প্ৰাপ্য জীৱক সঘনাই দেখিবলৈ পোৱা যায়।





# অতিথিক গছপুলি বিতৰণ কৰি আশীৰ্বাদ বিচাৰিলে দৰা-কইনাই

**সৰুপথাৰ, ৬ মে'** ঃ আজি সৰুপথাৰ নগৰৰ এক নম্বৰ পদুমণিত তৰুণ হাতীবৰুৱা আৰু কুচুম হাতীবৰুৱাৰ পুত্ৰ ৰিতুৰাজ হাতীবৰুৱাই বিবাহৰ অভ্যৰ্থনা থলীলৈ অহা প্ৰতিজন অতিথিক উপহাৰ দিলে একোটাকৈ মূল্যবান গছ পুলি। নকন্যা দেৱাশ্ৰী হাতীবৰুৱা ইয়ো হাঁহি মুখে অতিথিৰ হাতত তুলি দিলে গছপুলি। নৱ দম্পতীহালে গছপুলি উপহাৰ দি বিচাৰিলে আশীৰ্বাদ। তেওঁলোকৰ আশা প্ৰকৃতিৰ বিনন্দীয়া ৰূপে সকলোৰে মন-প্ৰাণ জীপাল কৰক। পৃথিৱীৰ সেউজীয়া আৱৰণে ঢাকি চিৰসেউজ কৰি তোলক সকলোৰে জীৱন। জলবায়ুৰ পৰিৱৰ্তন আৰু দৈনিক উত্তাপ নিয়ন্ত্ৰণ কৰা। প্ৰকৃতিৰ বুকুলৈ এই গছ পুলি তেওঁলোকৰ উপহাৰ বুলি কয়।

# নগাঁও, শোণিতপুৰৰ চৰৰ হেজাৰ হেজাৰ বিঘা মাটিত গোমধানৰ খেতি

# মৰুময় চৰক সেউজীয়া কৰি সপোন ঠন ধৰাইছে কৰ্মঠ কৃষকে



**বিশেষ সংবাদদাতা**

**নগাঁও, ৬ মে'** ঃ এফালে সশস্ত্ৰ মাতব্বৰ বাহিনীৰ ভয়-ভাবুকি, আনফালে প্ৰতি পদে পদে উচ্ছেদৰ ভয়। ইয়াৰ মাজতে কঠোৰ শ্ৰমেৰে নগাঁও আৰু শোণিতপুৰ জিলাৰ অন্তৰ্গত একাংশ চৰৰ চুলমান আলী, জহিৰুল, জাকিৰ, হবিবুৰ, ইমান আলী, জামালুদ্দিন, ছফিকুল ইছলাম, মন্নাছ আলী প্ৰমুখ্যে শ শ কৰ্মঠ কৃষকে চৰৰ মৰুময় শুকান বালিকো সেউজ ৰূপ দিছে গোমধান খেতিৰে তেওঁলোকে। আৰম্ভ কৰিছে এক সেউজ বিপ্লৱৰ। স্মৰ্তব্য যে পূৰ্বতে চৰৰ এই কৃষকসকলে গ্ৰীষ্ম কালত ব্যাপক হাৰত আহু ধানৰ খেতি কৰিছিল যদিও সেই খেতিত উৎপাদন হ্ৰাস পাবলৈ ধৰাত শাক-পাচলিৰ লগতে গোমধানৰ খেতিকেই প্ৰধান খেতিৰূপে কৰি আহিছে। গোমধান খেতি অতি লাভজনকৰূপে বিবেচিত হোৱা হেতুকে জিলা দুখনৰ অধিকাংশ চৰতেই বিগত কেইটামান বছৰৰ পৰা গোমধানৰ খেতি কৰাত প্ৰাধান্য দিছে। গ্ৰীষ্মকালৰ উপৰি শীত কালতো চৰৰ হেজাৰ হেজাৰ বিঘা মাটিত গোধানৰ এই খেতি কৰা হয়। বিশেষকৈ পুহ-মাঘত গুটি সিঁচা গোমধানসমূহ জেঠ-আহাৰত আৰু ভাদ-আহিনত গুটি সিঁচা গোমধানসমূহ ফাগুনত সামৰা হয়। এবাৰ বাৰিষাৰ আগত আৰু এবাৰ বাৰিষাৰ পাছত এই খেতি কৰা হয় চৰসমূহত। নগাঁও জিলাৰ লগতে শোণিতপুৰ জিলাৰ অন্তৰ্গত বৰবিল, ম'হখুঁটি, লহৰী, বিশখুঁটি লাঠিয়ামাৰী, গাইটাপো, বিন্দ্ৰে, বিচ্ছে, কুট্ৰামাৰী, তিনিটিকীয়া, নতুন বিন্দ্ৰে, বৰৈশালী গেৰেটাপো, মুছলিম টাপো, বিশখুটি, ডুবৰামাৰী, মাইছবালি, কালাটাপো, কাট্টিমাৰী, কমলসুঁতি, দুই নম্বৰ কান্ধুলিমাৰী চৰ, উধানতলা প্ৰমুখ্যে অগনন চৰৰ হেজাৰ হেজাৰ বিঘা মাটিত এইবাৰো শ শ কৃষকে এই খেতি কৰিছে। অলেখ প্ৰতিবন্ধকতাকো নেওচি চৰৰ কৃষকসকলে গাইপতি ছয়-সাত বিঘাৰ পৰা এশ বিঘা মাটি পৰ্যন্ত গোমধানৰ খেতি কৰিছে। যিহেতু গ্ৰীষ্মকালত চৰত আহুধান, মৰাপাটৰ বাদে আন একো খেতি কৰিব পৰা নাযায় আৰু সেই দুবিধ খেতিত বেছি লাভ নহয় সেয়েহে চৰৰ কৃষক ৰাইজে ব্যৱসায়িক ভিত্তিত গোমধানৰ খেতি কৰিবলৈ লয়। লগতে গোমধানৰ খেতি কৰি তেওঁলোক যথেষ্ট লাভৱান হোৱা বুলিও তিনিটিকীয়া চৰৰ আছাদুল্লা, জহিৰুল, জাকিৰ হুছেইন, হবিবুৰ ৰহমান, ইমান আলী, মাইছবালি চৰৰ জামালুদ্দিন, ছফিকুল ইছলাম আৰু দুই নম্বৰ কান্ধুলিমাৰী চৰৰ মন্নাছ আলীয়ে উল্লেখ কৰিছে।

চৰৰ কৃষকসকলে উল্লেখ কৰা মতে, তেওঁলোকৰ খেতিৰ গোমধানসমূহ পূৰঠ হৈ ৰঙচুৰা বৰণ লোৱাৰ সময়তে প্ৰতি জোপা গোমধানৰ আগ কাটি দিয়া হয়। বহুতেই পূৰঠ গোমধানৰ বাকলি বোৰো আধা এৰুৱাই দিয়ে যাতে গছতে গোমধানবোৰ শুকাই যায়। গোমধানবোৰ গছতে আধা শুকুৱাৰ পাছত কৃষকসকলে সেইবোৰ উঠাই আনি মৰণামৰা ক্ৰেচাৰ যন্ত্ৰত দি গুটিবোৰ উলিয়াই বস্তাত ভৰাই সেইবোৰ বিক্ৰীৰ বাবে সাজু কৰে। নগাঁও আৰু শোণিতপুৰ জিলাৰ চৰসমূহত প্ৰতি বিঘা মাটিত ২০ মোন পৰ্যন্ত গোমধান ওলায় বুলি কৃষকসকলে কয়। উল্লেখ্য যে ধিং চহৰৰ পাৰ্শ্বৱৰ্তী সমবায় অফিচ চাৰিআলিত গোমধান বিক্ৰীৰ এক বৃহৎ পাইকাৰী বজাৰ গঢ়ি উঠিছে। এই বজাৰলৈকে ১০-১৫ কিলোমিটাৰ নিলগৰ চৰৰ কৃষকে বিভিন্ন বাহনৰ সহায়ত গোমধানসমূহ কঢ়িয়াই আনি বিক্ৰী কৰে। এনে গোমধানৰ বজাৰখনত পাইকাৰী দাম প্ৰতি কুইন্টলত ১২-১৩ শ টকাৰ পৰা ১৪শ টকা পৰ্যন্ত হয়। গোমধান খেতি কৰিয়েই এতিয়া নগাঁও আৰু শোণিতপুৰ জিলাৰ অন্তৰ্গত বিভিন্ন চৰৰ কৃষকসকলে একোটা ঋতুত অতি কমেও ২৬ হজাৰ টকাৰ পৰা চাৰি-পাঁচ লাখ টকা পৰ্যন্ত উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। যাতায়াত, বিদ্যুৎ, জলসিঞ্চন আদিৰ লগতে বজাৰৰ কোনো ব্যৱস্থা নথকা চৰৰ ৰাইজে হেজাৰ প্ৰতিবন্ধকতাকো উপেক্ষা কৰি কঠোৰ শ্ৰম আৰু একাগ্ৰতাৰ বলত এক সেউজ বিপ্লৱৰ সূচনা কৰিবলৈ সক্ষম হৈছে। চৰৰ শুকান বালিত নিজেই জলসিঞ্চনৰ ব্যৱস্থা কৰি বৈজ্ঞানিক পদ্ধতিৰে উন্নত মানৰ গোমধান খেতি কৰি টনকিয়াল কৰিছে জিলা দুখনৰ কৃষি অৰ্থনীতি। এইবাৰ এই চৰসমূহৰ গোমধানৰ খেতিয়কসকলৰ সপোনত কিছু আউল লগাইছে কিছুদিন পূৰ্বে অহা এজাক প্ৰচণ্ড শিল বৰষুণে। কিয়নো সেই শিল- বৰষুণত গোমধান খেতিসমূহৰ বিস্তৰ ক্ষতিসাধন হয়। সেয়েহে পূৰ্বৰ তুলনাত এইবাৰ গোমধানৰ উৎপাদন যথেষ্ট পৰিমাণে হ্ৰাস পোৱাৰ আশংকা কৰা হৈছে।

নগাঁও আৰু শোণিতপুৰ জিলাৰ অন্তৰ্গত বিভিন্ন চৰৰ শ শ কৃষকে হেজাৰ হেজাৰ বিঘা মাটিত গোমধানৰ খেতি কৰি দূৰ দিগন্ত ব্যাপী পথাৰ শ্যামলী কৰিছে যদিও তেওঁলোকক উৎসাহিত কৰিবলৈ আগবাঢ়ি যোৱা নাই চৰকাৰৰ সংশ্লিষ্ট বিভাগসমূহ।

**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
**ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।**
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com